# Assam Legislative Assembly Debates

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

No. 20

The 9th April, 1994

Price—Rs. 34·00

# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**No. 20**

The 9th April, 1994

Price—Rs. 34·00

# CONTENTS

**BUDGET SESSION**

**No. 20**

Dated, the 9th April, 1994


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—68 |
| 2. | Point of order | 68—69 |
| 3. | Announcement from the Chair | 70 – 00 |
| 4. | Laying of Rules | 71—00 |
| 5. | Introduction of Government Bills | 72—76 |
| 6. | Consideration and Passing of the Government Bills | 77—179 |
| 7. | Obituary Reference | 179—180 |
| 8. | Adjournment | 181—000 |
| 9. | Annexures I to X | 182—198 |


— x —

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Saturday the 9th April, 1994

The house met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Hon'ble Prof. Debesh Chakraborty, Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS
(To which oral replies were given)

**Mr. Speaker :** The position of questions for 15-3-94 are as follows :

Oral SL. No. 41 to 60

Written-SL. No. 101 to 150.

Now question No. 41. Questioner Shri Chandra Mohan Patowary.

### বিষয় ঃ গ্ৰাম্য বৈদ্যুতিকৰণ।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে সুধিছে ঃ

✪ ৪১। মাননীয় গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত এতিয়া পৰ্য্যন্ত সৰ্বমুঠ কিমানখন গাওঁত বৈদ্যুতিকৰণ কৰা হ'ল ?

(খ) অসমৰ কিমানখন গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ বৰ্তমান বাকী আছে ?

(গ) যদি বাকী আছে তেনেহলে বাকী গাওঁবিলাক কেতিয়াকৈ সম্পূৰ্ণ কৰা হব ?

(ঘ) গ্ৰাম্য বৈদ্যুতিকৰণৰ ক্ষেত্ৰত ৰাজহ সংগ্ৰহৰ বাবে বৰ্তমানৰ Point System-ৰ পৰিবৰ্তে Metre System কৰা হৈছেনে ?

শ্ৰীগোপীনাথ দাস (ৰাজ্যিক গ্ৰাম্য বৈদ্যুতিকৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২১,৪৮১ খন গাওঁ।

(খ) ১৯৭১ চনৰ পিয়ল মতে ২,৩০৭ খন গাওঁ বাকী আছে।

(গ) প্ৰয়োজনীয় বিত্তীয় অনুদানৰ সাপেক্ষে গাওঁ সমূহ বৈদ্যুতিকৰণ কৰাৰ বাবে আঁচনি যুগুতোৱা হৈ আছে।

(ঘ) পুৰণি Point ব্যৱস্থাৰ পৰিবৰ্তে গাওঁ অঞ্চলত পৰিষদে মিটাৰৰ ব্যৱস্থালৈ পৰ্যায়ক্ৰমে পৰিবৰ্তন কৰি বিদ্যুৎ যোগান ধৰাৰ সিদ্ধান্ত লৈছে।

✪ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো ২১, ৪৮১ গাওঁৰ কথা যি কৈছে, এই ক্ষেত্ৰত যদি কোনোবা এখন গাওঁত ১০ টা চুবুৰী আছে তাৰ এটা চুবুৰীত লাইন গৈছে, তেতিয়া হলে সেই গাওঁখনত দিয়া বুলি ধৰি লৈছে। ইয়াৰ এটা সমীক্ষা কৰি এই যি ইলেক্ট্ৰিফিকেশ্বন হৈছে সম্পূৰ্ণৰূপে হব নেকি, যদি হয় কিমান সময়ৰ ভিতৰত হব সেইটো জনাব লাগে।

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যি কথা কৈছে এখন গাওঁত চাৰি পাঁচটা চুবুৰী থাকিব পাৰে, যদি গাওঁখনৰ এটা চুবুৰীত বৈদ্যুতিকৰণ হয় তেতিয়া হলে গোটেই গাওঁখনতে হোৱা বুলি ধৰা হয়। পিছত এক্সটেনচনৰ জৰিয়তে গোটেই গাওঁত কৰা হয়। অসমত তেনেকুৱা বহুতো আছে, ইয়াত পইচা পাতিৰ কথা আছে। মাননীয় সদস্যই যদি নিৰ্দিষ্ট ভাবে তেনেকুৱা গাওঁৰ কথা মোক দিয়ে তেতিয়া হলে চোৱা হব।

✪ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৈদ্যুতিকৰণ হোৱা বুলি ধৰি লোৱা হৈছে ২১,৪৮১ খন গাওঁ এটা চুবুৰীত হলে গোটেইখন গাওঁতে হোৱা বুলি ধৰা হৈছে, এনেকুৱা কিমানখন গাওঁ আছে জনাব নে ?

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা সংখ্যা মোৰ হাতত নাই। এইটো পিছত দিব পৰা হব।

✪ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সংখ্যাটো পিচত দিম বুলি কৈছে, এই সদন চলি থকা অৱস্থাতে দিলে ভাল হয়। গাওঁত পইণ্ট চিষ্টেম কৰা হৈছে, কোনোবাৰ ঘৰত যদি দহটা পইণ্ট থাকে তেতিয়া হলে মাহে তিনি টকা হিচাবে ৩০ টকা দিব লাগে। কিন্তু বেছি ভাগ সময়তে গাওঁত লাইট নাথাকে, কাৰেণ্ট খৰচ নহয়, কিন্তু বিলৰ ক্ষেত্ৰত দি থাকিবলগীয়া হয়, সেই বিলো সময় মতে নেপায়। এই ক্ষেত্ৰত আন্দোলনো হৈছে, মন্ত্ৰী মহোদয়ে আশ্বাস দিব লাগে।

---

Speech not corrected

এই চিষ্টেমৰ পৰিবৰ্তে মিটাৰ চিষ্টেম কৰিব নে ?

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট চিষ্টেম কৰাৰ পৰিবৰ্তে মিটাৰ চিষ্টেম কৰাৰ ব্যৱস্থা কৰা হৈছে, এই কাম ইতিমধ্যে আৰম্ভ হৈছে।

✪ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২১,৪৮১ খন গাওঁৰ ভিতৰত কিমান খনত মিটাৰ চিষ্টেম ইনট্ৰোডিউচ কৰিছে জনাব নেকি ?

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এতিয়া পইণ্ট চিষ্টেম আছে, যিবিলাক গাওঁ ধৰা হৈছে এই বিলাক পৰীক্ষা কৰি পিচত কৰা হব।

✪ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে হোম ওৱৰ্ক কৰি আহিব লাগে, এইবিলাক প্ৰশ্নৰ উত্তৰ যদি নিদিয়ে তেতিয়া হলে কেনেকৈ হব ?

**মাননীয় অধ্যক্ষ ঃ** এইটো পিচত আপুনি দি দিব।

✪ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় , পইণ্ট চিষ্টেমৰ পৰিবৰ্তে মিটাৰ চিষ্টেম কৰিব নেকি ? সেইটো জনাব লাগে।

✪ **শ্ৰীদেৱান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা সঁচা নেকি বহুত সময়ত বৈদ্যুতিকৰণ হোৱাৰ পিচতো ট্ৰেন্সফৰ্মাৰ নাই বুলি কিছুমান ঠাইত বিদ্যুৎ যোগান ধৰা হোৱা নাই।

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো মোৰ নলেজত অহা নাই।

✪ **শ্ৰীদেৱান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ ফকিৰাগঞ্জত হাজাৰ হাজাৰ টকা খৰচ কৰি কানেকচন লৈছে। যদি তাত বিদ্যুত যোগান ধৰা নহয় কি কাৰণত ৰাইজে হাজাৰ হাজাৰ টকা খৰচ কৰিব লগা হল। তেওঁলোকে মাহৰ পিচত মাহ ধৰি বিদ্যুৎ পোৱা নাই । এইটো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। ফকিৰগঞ্জত ট্ৰেন্সফৰমাৰ নাই, আজি দুই তিনি মাহে আহিব আহিব বুলি কৈ আছে, পইচা পাতি লৈ ইঞ্জিনিয়াৰে খাই বহি আছে। আজিলৈকে পোৱা নাই, এইটো জনাব নে ?

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কʼত কʼত ট্ৰেন্সফৰমাৰ পোৱা নাই হাউচৰ পিচত লিখি দিলে ব্যৱস্থা লম।

✪ **শ্ৰীপদ্মেশ্বৰ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, বান বিধ্বস্ত অঞ্চলত বানপানীত নষ্ট হোৱা যিবিলাক

---

✪ Speech not corrected

লাইন বছৰৰ পিচত বছৰ ধৰি মেৰামতিৰ কাম কৰা নাই, ইয়াৰ ফলত ৰাইজে বিদ্যুৎ ব্যৱহাৰ কৰিব পৰা নাই। ইয়াৰোপৰি বহুত বছৰ ধৰি তাত পইণ্ট চিষ্টেম আছে, ইয়াৰ বাবে বহুত টকা ভৰিব লগা হৈছে । মাজুলিত ১৯৮৮ চনত বানপানীয়ে চিন্ন-বিচিন্ন কৰি পেলাইছে, সেই বিলাকো বিল দি থাকে। মাননীয় সদস্য চন্দ্ৰ মোহন পাটোৱাৰীয়ে ঠিকেই কৈছে, পইন্ট চিষ্টেম নহৈ মিটাৰ চিষ্টেম হব লাগে। গতিকে মাজুলিত বানপানীয়ে চিন্ন ভিন্ন কৰা পাচ বছৰ মেৰামতি নকৰা লাইন বিলাকত গ্ৰাহকে পইচা ভৰি আছে। মেৰামতি আৰু মিটাৰ চিষ্টেম কৰাৰ ব্যৱস্থা লব নে ?

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে পইণ্ট চিষ্টেমটো পৰ্য্যায়ক্ৰমে মিটাৰ চিষ্টেম কৰি থকা হৈছে।

✪ **শ্ৰীপদ্মেশ্বৰ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাকত মেৰামতি চলি আছে লাইট পোৱা নাই তাত ৰেহাই দিয়াৰ ব্যৱস্থা কৰিব নে ?

✪ **শ্ৰীবদন বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ সমষ্টিৰ গাওঁবিলাকত বৈদ্যু তিকৰণ হৈছে নে নাই ? তেখেতৰ নিজৰ সমষ্টিত হৈছে নে নাই জনাব নে ?

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবদন বৰুৱা ডাঙৰীয়াই যি কৈছে মোৰ গাওঁত বহুত গাওঁ আছে , বৈদ্যুতিকৰণ হোৱা নাই। মাননীয় সদস্য শ্ৰীদলৈ ডাঙৰীয়াই কৈছে যে ৰেহাই দিয়া হব নে নাই, ৰেহাই দিয়াৰ ব্যৱস্থা আছে, নিৰ্দিষ্ট অভিযোগ পালে তেনেকুৱা কৰা হব।

✪ **শ্ৰীপদ্মেশ্বৰ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাইকোৰ্ট কেচ কৰা আছে ৰেমিচন দিয়াৰ কাৰণে, সেইটো মনা নাই।

✪ **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষ্ণুমান ঠাইত খুটা পোতাৰ পিচত লাইন দিয়া হোৱা নাই। মোৰ টিয়ক সমষ্টিত খুটা পোতা হৈছে টাৰ দিয়া আছে, কিন্তু লাইন দিয়া নাই। এই বিত্তীয় বছৰতে এইটো কৰাৰ ব্যৱস্থা কৰিব নে ?

✪ **শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় , মাননীয় সদস্যাই যি ধৰণে কৈছে এই বিত্তীয় বছৰতে কিমান টকা লাগিব সেইটো চাব লাগিব, যদি টকা আহে দিব পৰা যাব, যদি নাহে দিব পৰা নাযাব।

✪ **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** অধ্যক্ষ মহোদয়, যিবিলাকত খুটা পোৱা আছে সেই বিলাকত টাৰ লগোৱা আছে, কাৰেণ্ট দিয়া নাই, তাৰ ব্যৱস্থা কৰিব নে নাই ?

---

✪ Speech not corrected

✪ শ্ৰীগোপীনাথ দাস (বাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, টকা পালে কৰা হব।

✪ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে কিয় টকা লাগে ?

মাননীয় অধ্যক্ষ ঃ আপুনি চেষ্টা কৰিম বুলি কওঁক।

✪ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি কলিং দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো।

**Mr. Speaker :** Now Question No. 42, Hon'ble Member Shri Parameswar Brahma. Hon'ble Minister, Higher Education is to reply.

## Re.- Education in B.A.C.

**Shri Parameswar Brahma asked :**

✪ 42. Will the Minister of Higher & Technical Education be pleased to state ?

Who will look after Education in B.A.C. ?

**Shri Golok Rajbonshi (Minister Higher Education) Replied:**

As per clause 24 of the Bodoland Council Act, 1993, Bodoland Autonomous Council shall look after the following subject under the Education Department.

(a) Adult Education.

(b) Primary Education.

(c) Up to Higher Secondary Education.

(d) The College Education (General).

The reply to the Question modified as follows)

✪ **Shri Golok Rajbonshi (Minister) :** " Creation of one post in the rank of Additional Director to look after the Education in Bodo-

✪ Speech not corrected

land Autonomous Council is under consideration."

✪ **Shri Parameswar Brahma :** Sir, it is gratifying to note that a post in the rank of Additional Director to look after the Education in BAC is being created. Thanks for that. Now, Sir, I should like to ask one supplementary. There is a proposal lying pending with the Education Commissioner, as I under stand, for construction of building complex for DIET at Kokrajhar. Now, I want an assurance from the Minister whether this building complex at Kokrajhar will be constructed within the current year ?

✪ **Shri Golok Rajbonshi (Minister) :** I need a separate question for that. Anyway, I should like to say that all possible steps are being taken to complete all the schemes under DIET.

✪ **শ্ৰীজিউৰাম বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি এ চি ক জেনেৰেল কৰি দিয়া হৈছে। আমাৰ যি বি এ চি এৰিয়া আছে তাত কাৰিকৰী বিভাগ এটা খোলা নহব নেকি ?

✪ **শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে এলিমেণ্টৰী এডুকেশ্যন, প্ৰাইমেৰী এডুকেশ্যন, হায়াৰ চেকেণ্ডাৰী এডুকেশ্যন আৰু কলেজ এডুকেশ্যনলৈকে জেনেৰেল কৰি দিয়া হৈছে।

✪ **শ্ৰীকমল ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় হায়াৰ এডুকেশ্যন মন্ত্ৰী মহোদয়ে জনাব নেকি কোকৰাঝাৰ কলেজৰ এটা কমপ্লেক্স খুলিব নেকি ?

✪ **Shri Golok Rajbonshi (Minister) :** I want a separate notice for that.

✪ **শ্ৰীমিলন বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটো জনাব নেকি, অৱশ্যে বিধানসভাটো এই কথাটো ওলাইছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত বড়ো বিভাগটো খোলা হব নেকি তাৰ বাবে আমাৰ চৰকাৰে কি ব্যৱস্থা লব, এইটো চলিত বিত্তীয় বছৰতে কৰিব নেকি ? লগতে বি এল এ চি ৰ যিবিলাক ৰুৰেল এৰিয়া আছে তাত কেন্দ্ৰীয় চৰকাৰৰ পলিচি মতে তাত নবোদয় বিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা লৈছে নেকি ?

---

✪ Speech not corrected

✪ **শ্রীগোলোক ৰাজবংশী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বড়ো মাধ্যমৰ বিষয়ে বিশ্ব-বিদ্যালয়ৰ লগত যোগাযোগ কৰি থকা হৈছে। বড়ো মাধ্যমৰ শিক্ষক পালে খোলা হব। নবোদয় বিদ্যালয় জিলা ভিত্তিত দিয়া হব।

✪ **শ্রীমিলন বড়ো** ঃ মাননীয় অধ্যক্ষ মহোদয়, জিলা ভিত্তীত দিয়া হব কিন্তু বি এল এ চি ত নবোদয় বিদ্যালয় খোলাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব নেকি ?

✪ **Shri Parameswar Brahma** : Is there any proposal for opening up of a Navadaya Vidyalaya at Gassaigoan ?

✪ **শ্রীগোলোক ৰাজবংশী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিষ্ট্ৰিকত এখনকৈ কৰিম। ডি, ছি,ৰ পৰা সেইমতে ৰিপৰ্ট বিচাৰিছো।

**Mr. Speaker** : Now starred Question No. 43. Hon'ble Member Shri Dhruba Kumar Sen. Hon'ble Minister of State, Rural Electrification is to reply.

## বিষয় ঃ বৈদ্যুতিকৰণৰ ব্যৱস্থা।

**শ্রীধ্রুৱ কুমাৰ সেনে সুধিছে ঃ**

✪ ৪৩। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰী সমষ্টিৰ ভিতৰত যিবোৰ গাওঁ আছে সেই গাওঁ বিলাক বৈদ্যুতিকৰণ কৰা হৈছে নে ?

(খ) যদি হোৱা নাই তেনেহলে অতি সোনকালে ইয়াৰ ব্যৱস্থা লবনে ?

**শ্রীগোপীনাথ দাস (ৰাজ্যিক গ্ৰাম্য বৈদ্যুতিকৰণৰ মন্ত্ৰী) য়ে উত্তৰ দিছে** ঃ

(ক) আৰু (খ)

১৯৯৩ চনৰ ৩১ মাৰ্চলৈকে ধুবুৰী জিলাৰ ১১০৮ খন গাওঁ (১৯৭১ চনৰ পিয়ল ভুক্ত) বৈদ্যুতিকৰণ কৰা হৈছে। বাকী থকা গাওঁ সমূহ বৈদ্যুতিকৰণ কৰাৰ বাবে আচঁনি যুগুতোৱা হৈ আছে। প্ৰয়োজনীয় বিত্তীয় অনুদানৰ

✪ Speech not corrected

সাপেক্ষে কামবোৰ হাতত লোৱা হব।

✪ **শ্রীধ্রুৱ কুমাৰ সেন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ক প্রশ্নটো কৰিছিলো মোৰ ধুবুৰী সমষ্টিৰ ভিতৰত কিমানবিলাক গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে। মই জিলাৰ কথা কোৱা নাই, মই স্পষ্টকৈ ধুবুৰী সমষ্টিৰ কথা কৈছো।

✪ **শ্রীগোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডিষ্ট্রিক ওৱাইজ দিয়া হৈছে, সমষ্টি ওৱাইজ দিয়া হোৱা নাই।

✪ **শ্রীধ্রুৱ কুমাৰ সেন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নটোত স্পেচিফিকেলী দিয়া হৈছে ধুবুৰী সমষ্টি বুলি।

✪ **শ্রীগোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো পিচত জনাই দিয়া হব।

**মাননীয় অধ্যক্ষ ঃ** মিষ্টাৰ সেন, আপুনি মন্ত্রীৰ কোঠাৰ পৰা এইখিনি লৈ লব । মিঃ সেনক দি দিব।

**Mr. Speaker :** Now starred Question No. 44. Hon'ble Member Shri Badan Baruah. Hon'ble Minister of State, Education is to reply.

## Re : Normal Ratio of the M.E. School.

**Shri Badan Baruah, asked :**

✪ 44. Will the Minister of Education be pleased to state :

(a) What should be the normal ratio of the number of the students to the number of teachers in M.E. School ?

(b) There are how many teachers in the Dampur Girls M.E. School under Hajo Block as on 28th February, 1994.

(c) What was the teachers strength of the school as on 28th February, 1993 ?

---

✪ Speech not corrected

**Shri Gautam Bora (Minister of State Education) replied :**

(a) Ratio 1:30

(b) There are 11 Nos. of teachers in Dampur Girls M.E. School under Hajo Block as on 28th February, 1994.

(c) The teachers strength of the school as on 28th February, 1993 were 10.

✪ **শ্ৰীবদন বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডামপুৰ এম, ই, স্কুলত কিমান ছাত্ৰ-ছাত্ৰী আছে মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

✪ **শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডামপুৰ এম, ই, স্কুলখনত ৬টা চেকচন আছে আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ২০০।

✪ **শ্ৰীবদন বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাত এই স্কুলখনত ১২০ জন ছাত্ৰ-ছাত্ৰী আছে। তাত শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা ইমান বেছি হৈছে যে স্কুলত বহিবলৈ ঠাই নাই। ১১ জন বাদ দিলে ১০ জন কৰি হলেও তালিকামতে বেছি হয়। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি গেৰুৱা পাঁচ গাওঁ এম, ই, স্কুল, জাতিয়া এম, ই, স্কুল, হাজো আদৰ্শ এম্ ই স্কুলত ইমান বেছি শিক্ষক আছে যে তেওঁলোকৰ বহিবলৈ সুবিধা নাই। ইজন আহিব বুলি সিজন নাহে। এনেকৈ বাগি কৰি সময়ত কোনোৱে নাহে। এই সম্পৰ্কত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মূল প্ৰশ্নটোলৈ আহক।

✪ **শ্ৰীবদন বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ৩ খন এম, ই, স্কুল আছে। নলবাৰী জিলাৰ অধীনত থকা স্কুলৰ শিক্ষক সকলে জিলাৰ অফিচত দৰ্মহা লবলৈ যাব লাগে। হাজো সমষ্টিত থকা শিক্ষক সকলে দৰ্মহা লবলৈ নলবাৰী জিলালৈ যাব লাগে। বৃত্তি পৰীক্ষা দিবৰ কাৰণে মুকালমুৱালৈ যাব লাগে। এই সংক্ৰান্তত মাননীয় মন্ত্ৰী মহোদয় আৰু প্ৰাদেশিক শিক্ষাধিকৰ্তাই ১ বছৰ, ২ বছৰ নহয় ১ মাহৰ ভিতৰত এই বিষয়ে শিক্ষক বদলিৰ কিবা ব্যৱস্থা লব নেকি ?

✪ **শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডামপুৰ এম, ই, স্কুলত ৬টা চেকচন আছে। ৬ টা চেকচনত ৬ জন শিক্ষক আছে। তাত প্ৰায় ২০০ জন ছাত্ৰ-

ছাত্ৰী আছে বুলি কৈছো।

✪ **শ্ৰীবদন বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, তাত বেলেগ শিক্ষক নিয়োগ কৰা হৈছে নেকি ?

✪ **শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২ নং প্ৰশ্নৰ উত্তৰত কৈছো যে নলবাৰী জিলাৰ পৰা তথ্য অহাৰ পিচতে ব্যৱস্থা লোৱা হব।

✪ **শ্ৰীনগেন শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো যে ডামপুৰ এম, ই, স্কুলখনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২০০ জন আছে। আচলতে ১২০ জন ছাত্ৰ-ছাত্ৰী আছে আৰু শিক্ষক আছে ১১ জন। বহুতো স্কুলত এনেকুৱা হৈছে। এতিয়া ১ঃ৩৫ আছে। সেইটো ১ঃ১০ কৰিলে ভাল হয়।

✪ **শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক স্কুলত ছাত্ৰ-ছাত্ৰী কম, শিক্ষক বেছি আছে, তাৰ পৰা শিক্ষক আনি বেছি ছাত্ৰ-ছাত্ৰী থকা স্কুলত দিয়াৰ ব্যৱস্থা কৰা হব।

✪ **শ্ৰীফণীভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বঙাইগাওঁ জিলাৰ এখন এম, ই, স্কুলত ৩ জন হিন্দী শিক্ষক আছে। এটা ক্লাচত তেওঁলোকে কি কৰিব ?

✪ **শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেনেকৈ হিন্দী শিক্ষক দিয়াৰ কোনো নৰমচ্ নাই।

✪ **শ্ৰীসুৰেন স্বৰ্গীয়াৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা সমাধান কৰা কাৰণে তেনে কৰা হৈছে নেকি ?

Mr. Speaker : Now starred Question No. 45. Hon'ble Member Shri Ramendra Narayan Kalita, Hon'ble Minister Higher Education is to reply.

## বিষয় ঃ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

✪ ৪৫। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

✪ Speech not corrected

(ক) অসম চুক্তিৰ আধাৰত কেন্দ্ৰীয় বিশ্ব-বিদ্যালয় দুখনৰ আধাৰশিলা মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে স্থাপন কৰাৰ ঘোষণা অসম চৰকাৰে কৰাৰ পিছত আধাৰশিলা স্থাপন নকৰাৰ কাৰণ কি ?

(খ) অসম বিশ্ববিদ্যালয় আইন, ১৯৮৯ সংশোধন কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় দুখনৰ স্বতন্যতা আৰু স্বকীয়তা বজাই ৰখাৰ ক্ষেত্ৰত চৰকাৰে কি সিদ্ধান্ত লৈছে জনাবনে ?

শ্ৰীগোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জনা নাযায়।

(খ) এই সংক্ৰান্তত অসম বিশ্ববিদ্যালয় আইনৰ ৬(১) ধাৰা সংশোধন কৰি অসম বিশ্ববিদ্যালয়ৰ অধিনস্থ পৰিসীমা (১) কাছাৰ (২) হাইলাকান্দি (৩) কৰিমগ্জ (৪) উত্তৰ কাছাৰ পাৰ্বত্য জিলা (৫) কাৰ্বি-আংলং জিলাৰ ভিতৰত সীমিত কৰিবলৈ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। ইয়াৰ উপৰিও এই আইনৰ ৬(৩) ধাৰা সম্পূৰ্ণ ভাৱে বাদ দিবলৈ অনুৰোধ জনোৱা হৈছে।

(গ) এই প্ৰস্তাৱৰ সংশোধন কাৰ্যকৰি হলে এই ক্ষেত্ৰত কোনো অসুবিধাৰ স্থল নাথাকিব।

✪ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ তেজপুৰ আৰু কাছাৰ জিলাত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে চৰকাৰে ঘোষণা কৰাৰ পিচত এতিয়ালৈকে এই দুখন বিশ্ববিদ্যালয়ৰ কাম-কাজৰ বাবদ কিমান টকা কেন্দ্ৰীয় চৰকাৰে অনুদান হিচাবে আগবঢ়াইছে আৰু ইয়াৰ কাম-কাজ কেতিয়াৰ পৰা আৰম্ভ কৰা হব ?

✪ শ্ৰীগোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি ভাইচ চেন্সেলাৰ এপইন্টমেন্ট কৰিছো, ৰেজিষ্টাৰ এপইন্টমেন্ট কৰিছো আৰু প্ৰফেচাৰৰ নিয়োগৰ কাৰণে প্ৰস্তাৱ কৰা হৈছে। আমি আশা কৰিছো অতি সোনকালে বিশ্ববিদ্যালয় খনৰ কাম-কাজ আৰম্ভ কৰিব পৰা হয়। বিশ্ববিদ্যালয় দুখনৰ কাৰণে ১০ লাখ টকা ৰিলিজ কৰি দিছে।

✪ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, কাছাৰ বিশ্ববিদ্যালয়খনত যিহেতু

---

✪ Speech not corrected

এফিনিটিং কেৰেষ্টাৰ থাকিব । ১৯৮৯ চনৰ পৰাই অসম বিশ্ববিদ্যালয় আইনত এইটো আছে । এইটো সংশোধনৰ কিবা ব্যৱস্থা লৈছে নেকি ? যদি ওলাইছে কেতিয়া ওলাইছে। এই বিষয়ে কেন্দ্ৰীয় চৰকাৰক জনোৱা হৈছে নেকি ?

✪ **শ্ৰীগোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে আলোচনা কৰিবৰ কাৰণে প্ৰাক্তন ভাইচ চেন্সেলাৰ, চেন্সেলাৰ আৰু শিক্ষা মন্ত্ৰী , তেখেত সকলৰ লগত আলোচনা কৰা হৈছিল । সকলোখিনি জুৰিডিকচনৰ ভিতৰতে কৰা হৈছে।

Mr. Speaker : Now starred Question No. 46. Hon'ble Member Shri Atul Bora. Hon'ble Minister of State, Education is to reply.

## বিষয় ঃ এম, ই, স্কুলত শিক্ষক নিযুক্তি

**শ্ৰীঅতুল বৰাই সুধিছে ঃ**

✪ ৪৬। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰ ক্ষমতালৈ অহাৰ পৰা এই পৰ্য্যন্ত দিশপুৰ সমষ্টিৰ চন্দ্ৰপুৰৰ জয়গোপাল এম, ই, স্কুল আৰু নাৰেংগী এম, ই, স্কুলত কিমান শিক্ষক/ শিক্ষয়িত্ৰী নিযুক্তি দিছে জনাবনে ?

(খ) নিযুক্তি পোৱা এই শিক্ষক শিক্ষয়িত্ৰী সকলে কোন চনত H.S.L.C. বা মেট্ৰিক পৰীক্ষা পাছ কৰিছিল তালিকাখন দিবনে ?

(গ) এওঁলোকৰ কোনোবাই ৩৬ বছৰ বয়সৰ সীমা অতিক্ৰম কৰিছেনে ?

(ঘ) দিশপুৰ সমষ্টিৰ শ্বহীদ কুশল কোঁৱৰ এম, ই, স্কুলত অবৈতনিক ভাবে কেইবা বছৰ ধৰি চাকৰি কৰি থকা শিক্ষক শিক্ষয়িত্ৰী কিমান আছে আৰু তেওঁলোকে চৰকাৰী নিযুক্তি পালেনে ?

**শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) যে উত্তৰ দিছে ঃ**

---

✪ Speech not corrected

(ক) জনগোপাল এম, ই. স্কুলত ১০ জন আৰু নাৰেংগী এম, ই. স্কুলত ১১ জন শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিয়া হয়। সৰ্বমুঠ ২১ জন শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিয়া হয়।

(খ) নিযুক্তি পোৱা শিক্ষক-শিক্ষয়িত্ৰী যি চনত H.S.L.C বা মেট্ৰিক পাছ কৰিছিল তাৰ তাৰিখ আৰু নামৰ তালিকা ইয়াৰ লগত সংলগ্ন কৰা হল। (See the Annexure-1)

(গ) এওঁলোকৰ দুজনে ৩৬ বছৰ বয়সৰ সীমা অতিক্ৰম কৰিছে।

(ঘ) স্বহীদ কুশল কোঁৱৰ এম, ই. আৰু বোন্দা এম, ই. স্কুলত চাকৰি কৰা আটাইকেইজন শিক্ষক শিক্ষয়িত্ৰীৰ চাকৰি চৰকাৰী কৰা হৈছে।

✪ শ্ৰীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, নাৰেংগী এম, ই. স্কুল আৰু জয়গোপাল এম, ই. স্কুলত ১০ আৰু ১১ জনকৈ মুঠ ২১ জন শিক্ষক নিযুক্তি দিছে। বৰ্তমান চৰকাৰৰ আগতে ৬ বা ৭ জনকৈহে শিক্ষক আছিল । তাত ধুনীয়াকৈ পাঠদান কৰিবৰ কাৰণে কোঠা আছিল। সেই স্কুলত ১ জনকৈ শিক্ষক নিযুক্তি দিব লাগে নেকি ? শ্বহীদ কুশল কোঁৱৰ এম, ই. স্কুল আৰু বোন্দা এম, ই. স্কুলত এই ৪ খন স্কুল প্ৰাদেশীকৰণ নকৰা হলে ৪ গৰাকীৰ চাকৰি চৰকাৰীকৰণ নহলহেঁতেন।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান চৰকাৰৰ দিনত কোনো চাকৰিয়ালৰে চাকৰি কালৰ ৰিটায়াৰমেণ্টৰ কোনো সমস্যা নাইকীয়া হৈছে। ইফালে দুগৰাকী শিক্ষকৰ ৩৬ বছৰ পাৰ হৈ যোৱাৰ পিছতো এই চৰকাৰে নিযুক্তি দিছে। কথা হল দিশপুৰ সমষ্টিত যি বিলাক স্কুল প্ৰভিনচিয়েলাইজ কৰিবলৈ বাকী আছে সেইখিনি প্ৰভিনচিয়েলাইজ কৰিব নে নকৰে ? এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা টকা দিয়া হৈছে নে নাই ? যদি দিয়া নাই, কেতিয়া টকা দিব ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰা ডাঙৰীয়াই কৈছে যে দুগৰাকী শিক্ষকক ৩৬ বছৰ পাৰ হৈ যোৱাৰ পিচতো চাকৰিত নিযুক্তি দিয়া হৈছে। কিন্তু তাৰে এজনীৰ বয়সটো কন্দোন কৰা হৈছিল। আৰু আন এগৰাকী শ্ৰীমতী ভুবনেশ্বৰী ডেকাই আগতে বেলেগত চাকৰি কৰি আছিল। সেই কাৰণে শ্ৰীমতী ডেকাৰ বয়সটো কন্দোন কৰাৰ কথা নাহে। দিশপুৰ সমষ্টিত

✪ Speech not corrected

ইতিমধ্যে বহু কেইখন স্কুল প্ৰাদেশিকিকৰণ কৰা হৈছে আৰু যিখিনি কৰিবলৈ বাকী আছে সেইখিনি পুঁজি সাপেক্ষে কৰা হ'ব।

✪ **শ্ৰীঅতুল বৰা :** মাননীয় অধ্যক্ষ মহোদয়, দিশপুৰ সমষ্টিত কেইখনমান স্কুলত প্ৰয়োজনতকৈ বহুত বেচি সংখ্যক শিক্ষকক নিযুক্তি দিয়া হৈছে কিন্তু এনে কিছুমান স্কুল প্ৰাদেশিকিকৰণ কৰা স্কুলত মাত্ৰ এজন শিক্ষকহে মন্জুৰ কৰা হৈছে, সেই স্কুল বিলাকত এতিয়াও দুজন শিক্ষক দিয়া হোৱা নাই। ইফালে সকলো শিক্ষকে চহৰলৈ ঢাপলি মেলে, গাৱঁত থাকিব কোনেও ইচ্ছা নকৰে। তেতিয়া হ'লে শিক্ষাৰ ক্ষেত্ৰত গাঁৱৰ অৱস্থা কি হ'ব ?

✪ **শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক য'ত বেচি আছে আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম তাৰ পৰা য'ত শিক্ষক কম ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেচি তালৈ বদলিকৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে । বৰা ডাঙৰীয়াই কোৱাৰ দৰে যদি দিশপুৰ সমষ্টিত তেনেকুৱা কিবা অভিযোগ আছে, সেই ক্ষেত্ৰত আমি বিবেচনা কৰিম।

✪ **শ্ৰীঅতুল বৰা :** এনে অৱস্থা হৈছে যে কিছুমান স্কুল আছে য'ত নেকি ক্লাচ ৰুম মাত্ৰ তিনিটা আছে আৰু শিক্ষক আছে ১৯ জন, তাৰে তিনিজনে ক্লাচ কৰি থাকে আৰু ১৬ জনে বহি থাকে। ৰুমৰ ব্যৱস্থা কিয় নকৰে আৰু এইদৰে চলি থাকিলে শিক্ষাৰ প্ৰসাৰতা গুণগত দিশতো কেনেকুৱা হ'ব ? ৰুম বঢ়াই দি শিক্ষক বহি থকাতো কেতিয়া বন্ধ কৰিব ?

✪ **শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) :** বৰা ডাঙৰীয়াই যিটো প্ৰশ্ন তুলিছে সেইটো চাই-চিতি নেশ্যনেলাইজ কৰা হ'ব আৰু বিল্ডিঙৰ যিটো অসুবিধাৰ কথা কৈছে সেইটো পুঁজি সাপেক্ষে বিবেচনা কৰা হ'ব । সদ্যহতে বিল্ডিঙৰ ক্ষেত্ৰত নতুন আচঁনি লোৱা হোৱা নাই। তথাপি বেলেগ বেলেগ আচঁনিৰ দ্বাৰা স্কুল ঘৰৰ বিল্ডিং যেনে-ডি, আৰ, ডি, এ - এচ, চি, এচ, টি আচঁনিৰ দ্বাৰা কিছুমান ঠাইত স্কুল ঘৰৰ বিল্ডীং তৈয়াৰ কৰা ব্যৱস্থা হৈছে।

✪ **শ্ৰীঅতুল বৰা :** যি সকল শিক্ষকে যোৱা ৮।৯ বছৰ ধৰি অবৈতনিক হিচাবে কাম কৰি আছে সেই সকল শিক্ষকৰ চাকৰি ৰেগুলাৰাইজ নকৰি নতুনকৈ কিয় নিযুক্তি দি থকা হৈছে ? আৰু যিটো কাৰণত ৮।৯ বছৰ কাম কৰি থকা অবৈতনিক শিক্ষক

সকলে অনসন কৰিছে।

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ বৰা ডাঙৰীয়াই ভেনচাৰ স্কুল প্ৰাদেশিকিকৰণ কৰাৰ ক্ষেত্ৰত যিটো কথা ডাঙি ধৰিছে সেই কথাটো আমাৰ সদনত ইতিমধ্যে বহুবাৰ আলোচনা হৈ গৈছে আৰু এই বিষয়ে মই আগতেও কৈছিলো যে এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে এটা নীতি বান্ধি দিছে আৰু সেই নীতি মতেহে কৰা হব।

✪ শ্ৰীনজ্মুল হক ঃ এম, ই, স্কুলৰ নিযুক্তিৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয় আপুনি বেচি অবগত। চৰকাৰে যিটো শিক্ষা নীতি লৈছে সেই মতে ১৯৯১ চনতে যিবিলাক স্কুল প্ৰাদেশিকিকৰণ কৰা হৈছিল সেইবিলাকত এডিশ্যনেল পোষ্ট লগতে চকিদাৰ পদতো কাকো নিযুক্তি দিয়া হোৱা নাই। ফলত শিক্ষক সকলে নিজে চকিদাৰৰ কাম কৰিব লগা হৈছে নহলে স্কুলৰ দৰ্জাই খোলা নাযায়। এই এডিশ্যনেল শিক্ষক নিযুক্তি আৰু চকিদাৰৰ পোষ্ট বিলাক কেতিয়া মন্জুৰ কৰা হব ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এম, ই, স্কুলৰ ক্ষেত্ৰত যিটো কথা উত্থাপন কৰিছে সেইটো আমি পৰ্যায় ক্ৰমে দিয়া হৈ আছে। আমাৰ চৰকাৰৰ দিনত এম, ই, স্কুল ৫০০ খন প্ৰাদেশিকিকৰণ কৰা আৰু ৫০০ শিক্ষক পদ মন্জুৰ কৰা কথা আছিল। তাৰে ৫০০ খন প্ৰাদেশিকিকৰণ কৰাৰ উপৰিও ১২শ শিক্ষক পদ মন্জুৰ কৰা হ'ল আৰু এই চকিদাৰ পদ বিলাকো পৰ্যায়ক্ৰমে মন্জুৰ কৰাৰ কাৰণে চেষ্টা কৰি আছো। এইটো পুঁজি সাপেক্ষে বিবেচনা কৰা হব।

Mr. Speaker : Now starred Question No. 47. Hon'ble Member Shri Bhupen Roy. Hon'ble Minister of State, Education is to reply.

## বিষয় ঃ শিক্ষক নিযুক্তিৰ নীতি।

শ্ৰীভূপেন ৰয়ে সুধিছে ঃ

✪ ৪৭। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ বাবে কিবা নীতি

---

✪ Speech not corrected

বৰ্তমান চৰকাৰৰ আছেনে আৰু যদি আছে কেনেধৰণৰ অনুগ্ৰহ কৰি জনাবনে ?

(খ) উত্তৰ শালমাৰা মহকুমাত যোৱা ১৯৯২ চনৰ পৰা বৰ্তমানলৈ কিমানজন শিক্ষক পদত (প্ৰাথমিক আৰু মজলীয়া) নিযুক্তি দিয়ে (নাম ও ঠিকনা সহ জনাব)

(গ) ১৯৯২ জনৰ পৰা উত্তৰ শালমাৰা মহকুমাৰ শিক্ষক নিযুক্তিৰ বাবে (প্ৰাথমিক ও মজলীয়া) বাছনি তালিকা প্ৰস্তুত কৰা হৈছিল নে ? আৰু যদি হৈছিল তালিকা) সদনৰ মেজত দাখিল কৰিবনে ?

(ঘ) ১৯৯২ চনৰ পৰা উত্তৰ শালমাৰা মহকুমাত নিযুক্তি দিয়া শিক্ষক পদত কিমানজন H.S.L.C ত First Division ত পাছ কৰা প্ৰাৰ্থী নিযুক্তি দিলে (তালিকা সদনৰ মেজত দাখিল কৰিব)

**শ্ৰীগৌতম বৰা** (শিক্ষাবিভাগৰ ৰাজ্যিক মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) হয় আছে। (নীতিৰ নকল এটা ইয়াৰ লগত সংলগ্ন কৰা হল)

(See the Annexure-II)

(খ) অবিভক্ত গোৱালপাৰা জিলাত উত্তৰ শালমাৰা মহকুমাত ১৯৯২ চনত মজলীয়া স্কুলত বিজ্ঞান স্নাতক ৫৫ জন আৰু প্ৰাথমিক স্কুলত ১০২ জন নিযুক্তি দিয়া হয় । (ইয়াৰ এখন তালিকা সদনৰ মেজত ৰখা হ'ল) (অনুবন্ধ 'খ')

(গ) হয়, হৈছিল। ইয়াৰ এখন তালিকা সদনৰ মেজত ৰখা হল (অনুবন্ধ 'গ')।

(ঘ) মজলীয়া শিক্ষকত ১০ জন আৰু প্ৰাইমাৰী স্কুলত এজনকো দিয়া হোৱা নাই। ইয়াৰ এখন তালিকা লগত গাঠি দিয়া হল) (অনুবন্ধ 'ঘ')

(See the Annexure-III)

✪ **শ্ৰীভূপেন ৰয়** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। যোৱা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত যি তিনি লাখ নতুন শিক্ষক নিযুক্তি দিছে– এই বিষয়ে এটা অভিযোগ আহিছে । বাইজে কৈছে নতুনকৈ নিযুক্তি হোৱা শিক্ষক কোনোৱেই নিয়োগপত্ৰ পোৱা নাই। গতিকে এই নিযুক্তি পত্ৰ নোপোৱা সকলৰ তালিকা এখন কিয় টেবুলত দাখিল কৰিব পৰা নাই ?

✪ Speech not corrected

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়টো ইয়াৰ আগতে সদনত কেইবাবাৰো আলোচনা হৈছে। মই আগৰ উত্তৰত কৈছো যে জিলাৰ উপায়ুক্ত সকলক এই বিষয়ে তদন্ত কৰিবলৈ দিয়া হৈছে। এতিয়ালৈকে মই - তদন্তৰ ৰিপৰ্ট পোৱা নাই কাৰণে কোনো ব্যৱস্থা লব পৰা নাই।

✪ শ্ৰীভূপেন ৰয় ঃ কিন্তু তেওঁলোকে দৰ্মহা পাই আছে-এই কথা মন্ত্ৰী মহোদয়ে জানে নে?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ ইয়াত দৰ্মহাৰ কথাটো নাহে - মই উপায়ুক্ত সকলক তদন্ত কৰিবলৈ দিছো - তদন্তৰ ৰিপৰ্ট নহালৈকে মই একো কৰিব নোৱাৰো।

✪ শ্ৰীদেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, নিযুক্তিৰ এখন তালিকা সদনত দিয়া হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে। কিন্তু মোৰ প্ৰশ্নটো হ'ল যে প্ৰশ্নকৰ্তাই কৈছে যে এই তালিকাখন বহুতে অভিযোগ কৰিছে আৰু যি নীতি তেখেতসকলে বিভাগলৈ পঠাইছিল - সেই নীতি অনুসৰণ কৰা হোৱা নাই বুলি অভিযোগ উঠিছে। তাৰ বাহিৰেও উপায়ুক্তই নতুনকৈ যিবিলাকক নিযুক্তি দিয়া হৈছে -সেইবিলাকক ইন্টাৰভিউ নোলোৱাকৈ নিযুক্তি দিছে – তাৰ ফলত বহুতো খেলিমেলি হৈছে । এতিয়া মোৰ প্ৰশ্ন হ'ল যে জিলাৰ উপায়ুক্তক অনুসন্ধান কৰিবলৈ দিয়া হৈছে আৰু অনুসন্ধানৰ ৰিপৰ্ট আহিলেহে মন্ত্ৰীয়ে ব্যৱস্থা লব। সেই কাৰণে মই কৈছো ইতিমধ্যে তদন্ত সাপেক্ষে মন্ত্ৰী মহোদয়ে আশ্বাস দিবনে যে যি সকলক ইন্টাৰভিউ নোলোৱাকৈ নিযুক্তি দিছে - সেই সকলক লগত লৈ তদন্ত চলাবনে ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতে প্ৰশ্নোত্তৰত কৈছো যে এই বিষয়ে আলোচনা হৈ গৈছে। মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই সোধা প্ৰশ্নৰ উত্তৰত কৈছিলো যে বঙাইগাওঁত যি খেলিমেলি হৈছে তাৰ অনুসন্ধান কৰিবৰ কাৰণে বঙাইগাওঁৰ উপায়ুক্তক পঠোৱা হৈছে আৰু তাত প্ৰয়োজন সাপেক্ষে ক্ৰীমিনেল প্ৰচিডিওৰ কৰিব পাৰে।

✪ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিমানজন চাব-ইন্সপেক্টৰ এল, পি আৰু এম, ই স্কুলৰ কাৰণে নতুনকৈ নিযুক্তি দিয়া হৈছে ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটো তথ্য মোৰ লগত নাই - তাৰ বাবে বেলেগ প্ৰশ্ন আনিব লাগিব।

---

✪ Speech not corrected

**Mr. Speaker :** Now starred Question No. 48. Hon'ble Member Shri Pranab Kumar Nath.

## বিষয় ঃ কৰিমগঞ্জ জিলাৰ গ্ৰামীণ বৈদ্যুতিকৰণ।

শ্রীপ্রণব কুমার নাথে জিজ্ঞাসা করছেন ঃ

✪ ৪৮। মাননীয় গ্রাম্য বৈদ্যুতিকরণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) করিমগঞ্জ জিলার ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ অর্থ বছরে গ্রামীন বৈদ্যুতিকরণ বিভাগ, করিমগঞ্জ A.S.E.B. Division ও হাইলাকান্দি Rec. Division এর জন্য কোন কোন খাতে কত টাকা মন্জুর করেছেন?

(খ) Sub. Division ভিত্তিত টাকার পরিমান কত ?

(গ) মন্জুরীকৃত অর্থ কোন কোন খাতে কিরোপে ব্যয় করা হয়েছে বিশদ তথ্য Sub. Division ভিত্তিক সদনের মেঝে দাখিল করিবেন ?

(ঘ) করিমগঞ্জ জিলার গ্রামীন বৈদ্যুতিকরনের জন্য বর্ত্তমান অর্থ বছরে সরকার A.S.E.B.ও REC কর্ত্তক কি কি পদক্ষেপ নিয়েছেন ? (বিশেষ তথ্য সদনের মেঝে দাখিল করিবেন)।

শ্রী গোপীনাথ দাস (গ্রাম্য বৈদ্যুতিকরণ মন্ত্রী) যে উত্তর দিচ্ছেন ঃ

(ক) করিমগঞ্জ জিলার গ্রাম্য বৈদ্যুতিকরণ করার জন্য হাইলাকান্দি বৈদ্যুতিক সংমণ্ডলের অধিনে মন্জুরীকৃত বিত্তীয় অনুদান এবং তাহার খরছের হিসাব নীচে দেওয়া হ'ল।

| কামের প্রকার | বৎসর | বিত্তীয় অনুদান | খরছের পরিমাণ |
|---|---|---|---|
| নতুন গ্রাম্য বৈদ্যুতিকরণ | ১৯৯১-৯২ | ২৫.০০ লক্ষ্য টাকা | ১৪.৪৫ লক্ষ্য টাকা |
| | ১৯৯২-৯৩ | নাই | নাই। |
| | ১৯৯৩-৯৪ | নাই | নাই। |
| সম্প্রসারণ | ১৯৯১-৯২ | ১৭.৭৯ লক্ষ্য টাকা | ৮.০৯ লক্ষ্য টাকা |

✪ Speech not corrected

| | | |
|---|---|---|
| ১৯৯২-৯৩ | নাই | নাই। |
| ১৯৯৩-৯৪ | নাই | নাই |

(খ) যিহেতু করিমগঞ্জ জিলার মহকুমা একটাই (করিমগঞ্জ) সেই জন্য এই প্রশ্নের উত্তর (ক)তে দ্রষ্টব্য।

(গ) প্রশ্নের উত্তর (ক) ত দ্রষ্টব্য।

(ঘ) উপযুক্ত অর্থের অভাবে ১৯৯৩-৯৪ বৎসরে করিমগঞ্জ জিলার নূতনকরে কোন ও বৈদ্যুতিকরণের কাজ হাতে নেওয়া হয় নাই।

✪ শ্রীপ্রণব কুমার নাথ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় 'ক' প্রশ্নের উত্তরে বলেছেন যে ১৯৯১-৯২ ইং ২৫ লক্ষ্য টাকার বিত্তীয় অনুদান দেওয়া হয়েছিল এবং এর মধ্যে ১৪.৪৫ লক্ষ্য খরচ করা হয়েছে। তা ছাড়া সম্প্রসারন কাজের জন্য ১৯৯১-৯২ ইংতে ১৭.৭৯ লক্ষ্য টাকা অনুদান দেওয়া হয়েছিল এবং তা থেকে মাত্র ৮.০৯ লক্ষ্য টাকা খরচ করা হয়েছে। আমি মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে এই টাকা কোন খাতে খরচ করা হয়েছে ? এবং অনুদান দেওয়া সম্পূর্ণ টাকা কেন খরচ করা হয় নি ?

✪ শ্রীগোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই টকাখিনি কিয় খৰচ কৰিব পৰা নাই – সেই বিষয়ে তদন্ত কৰি ব্যৱস্থা লম।

✪ শ্রীপ্রণব কুমাৰ নাথ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে ২৫ লাখ টকা দিছিল – তেন্তে ১৪.৪৫ লাখ টকা খৰচ কৰিলে–বাকী টকাখিনি কিয় খৰচ কৰিব পৰা নাই ?

✪ শ্রীগোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ সেইটো নতুন গাওঁবিলাকত ইলেক্ট্রিফিকেচন কৰাৰ কাৰণে।

✪ শ্রীপ্রণৱ কুমাৰ নাথ ঃ কিন্তু কিমান গাওঁ ?

✪ শ্রীগোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰাক উপত্যকাত তিনিখন জিলাত গ্রাম্যবৈদ্যুতিকৰণ কামৰ দায়িত্ব হাইলাকান্দি বৈদ্যুতিক সংমণ্ডলৰ ওপৰত ন্যস্ত কৰা হৈছে। আগৰ হাইলাকান্দি গ্রাম্য বৈদ্যুতিক সংমণ্ডলটো বৰ্তমান হাইলাকান্দি বৈদ্যুতিক সংমণ্ডল নামলৈ ৰূপান্তৰিত কৰা হৈছে। ১৯৯১-৯২ চনৰ বছৰটোত কৰিমগঞ্জ জিলাত নতুনকৈ ১০ খন গাওঁ বৈদ্যুতিকৰণ কৰা হয়। ইয়াৰ ওপৰিও আৰু ১০ খন গাওঁত সম্প্রসাৰণৰ কামো কৰা হয়। উপৰোক্ত গাওঁসমূহৰ তালিকা

এখন পৰিশিষ্ট 'ক'ত গাঠি দিয়া হ'ল। ১৯৯১ চনৰ পিয়ল অনুসৰি কৰিমগঞ্জ জিলাত ১০৭৬ খন পিয়লভুক্ত গাওঁ আছে আৰু তাৰে ১০২৮ খন পিয়লভুক্ত আৰু ৮৪ খন অপিয়লভুক্ত। ১৯৯৩ চনৰ ৩১ মাৰ্চলৈকে বৈদ্যুতিকৰণ কৰা হৈছে। উপযুক্ত পুঁজিৰ অভাৱৰ হেতু ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনৰ এই দুবছৰত কৰিমগঞ্জ জিলাত নতুনকৈ কোনো বৈদ্যুতিকৰণ কৰিব পৰা নগ'ল। বৈদ্যুতিকৰণ কৰা গাওঁসমূহ হ'ল– টাকিৰপুৰ, নাথপাৰা, ভেমপুৰ বজাৰ, ভোগবালয়া, ইউনিকাটাৰ-পুৰ, দাসপাৰা, বৈজয়ন্তিপুৰ, বিদ্যানগৰ কলনিলাইন-৩, আৰু জগন্নাথপুৰ। বৈদ্যুতিক-ৰণৰ বাবে সুব্যৱস্থা লোৱা গাওঁসমূহ হ'ল– চাপনাৰ গল, মাইডল কানিচেইল, বেৰটিকা, কাচুকাউবী, শিব্ৰবগল, ছাগলমাৰী বান্দৰ, ভীমচেৰা টি, ই, পথাৰ, চেইডপুৰ।

✪ শ্ৰীপ্ৰণব কুমাৰ নাথ ঃ স্যার, মন্ত্রী মহোদয় অনুগ্রহ করি জানাবেন কি ? ১৯৯৩-৯৪ ইংতে কেন কোন টাকা ধার্য করা হয়নি ? তাছাড়া ১৯৯৪-৯৫ ইংত কত টাকা ধার্য করা হয়েছে সেটা আমি জানতে চাই ?

✪ শ্ৰীগোপীনাথ দাস (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ১৯৯৩- ৯৪ চনৰ বাবে টকা পোৱা নাই কাৰণে কাম কৰিব পৰা নাই।

**Mr. Speaker :** Questioner Shri Nagen Sarma, Minister of State, Education is to reply.

## বিষয় ঃ প্ৰাথমিক স্কুলঘৰ নিৰ্মাণ

**শ্ৰীনগেন শৰ্মাই সুধিছে ঃ**

✪ ৪৯। মাননীয় শিক্ষা (প্ৰাথমিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কিমানখন প্ৰাথমিক বিদ্যালয় ধুমুহা বা প্ৰাকৃতিক দুৰ্যোগৰ ফলত গৃহসমূহ ভাঙি পৰাত গছৰ তলত বা নামঘৰ, মছজিদ আদিত বৰ্তমানো শ্ৰেণী সমূহ চলাই থকা হৈছে।

(খ) ১৯৯১ চনৰ পিছত অসমত কিমানখন বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে অনুদান

✪ Speech not corrected

দিয়া হৈছে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৫ খন জিলাৰ শিক্ষা বিষয়াৰ পৰা পোৱা তথ্য অনুযায়ী ৬৫২ খন।

(খ) ২৩২ খন।

✪ শ্ৰীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ (ক) প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কলে যে ক্ষতিগ্ৰস্ত হোৱা সংখ্যা ৬৫২ খন। মোৰ প্ৰশ্ন হ'ল প্ৰাকৃতিক দুৰ্যোগত ৬৫২খন স্কুল ক্ষতিগ্ৰস্ত হোৱাত আৰু মন্ত্ৰী ডাঙৰীয়াই সেইবিলাক ঘৰ মেৰামতি কৰি নিদিয়াত ছাত্ৰ-ছাত্ৰীসকল নামঘৰ, মছজিদ আৰু গছৰ তলত বহি পঢ়িব লগা হৈছে। আনহাতেদি চৰকাৰে শিক্ষক নিযুক্তি দি আছে। ২০ ৰ পৰা ২৫ জনলৈকে শিক্ষক নিযুক্তি দিছে। গতিকে ছাত্ৰ-ছাত্ৰীসকল গোটেই বছৰ ধৰি যিটো অৱস্থাত আছে– তাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰৰ পৰা হলেও এই ৬৫২ খন স্কুল ঘৰ নিৰ্মাণৰ কাৰণে ধন আনি বিলাই দিয়াৰ ব্যৱস্থা কৰিব নে ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্য্যোগত ৬৩২ খন স্কুল বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। গোটেই অসমত এনেকুৱা বানপানী আৰু ধুমুহা হৈছিল যে- অসমৰ কেইবা হাজাৰো স্কুল ক্ষতিগ্ৰস্ত হৈছিল। তাৰ ভিতৰত ৬৩২ খন বৰ বেয়াকৈ হৈছে। এই ৬৩২ খন মেৰামতিৰ কাৰণে বিভিন্ন বিভাগ অনুযায়ী আচনিৰ ব্যৱস্থা লোৱা হৈছে। এই আচনিসমূহৰ পৰিপ্ৰেক্ষিতত এই বেয়া ধৰণে ক্ষতিগ্ৰস্ত হোৱা স্কুল সমূহ নিৰ্মাণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

✪ শ্ৰীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে ৬৩২ খন বিদ্যালয় প্ৰাকৃতিক দুৰ্য্যোগত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। মোৰ সমষ্টিত ১৫ খন বিদ্যালয় বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। সেই স্কুলবিলাক এতিয়া গছৰ তলত, নহলে নামঘৰত আৰু মছজিদত চলি আছে। মোৰ সমষ্টিৰ যি কেইখন বিদ্যালয় বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে সেই কেইখন বিদ্যালয়লৈ সেই আঁচনিৰ জৰিয়তে গৃহ নিৰ্মাণৰ বাবে অনুদান দিয়াৰ ব্যৱস্থা কৰা হৈছে নে নাই ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন আঁচনিৰ

✪ Speech not corrected.

যোগেদি বিদ্যালয় বিলাকৰ মেৰামতি আৰু নিৰ্মাণৰ ব্যৱস্থা লোৱা হৈছে। ডি আৰ ডি এ, এছ চি ছাবপ্লেন আৰু কৃষ্ণফলক আঁচনিৰ দ্বাৰা গৃহনিৰ্মানৰ ধন মুকলি কৰি দিয়া হৈছে। প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত বিদ্যালয় বিলাকৰ গৃহনিৰ্মাণৰ ইতিমধ্যে প্ৰস্তাৱ লোৱা হৈছে। গতিকে মই ভাবো এই আঁচনি সমূহৰ জড়িয়তে ৬৩২ খন বিদ্যালয়ক অগ্ৰাধিকাৰ দিয়া হব।

✪ শ্ৰীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰীয়ে ডি আৰ ডি এ আদি বিভিন্ন আঁচনিৰ যোগেদি নিৰ্মাণ কৰা হৈছে। কিন্তু ডি আৰ ডি এৰ যিহেতু পঞ্চায়ত বিভাগৰ আঁচনি গতিকে গৃহ নিৰ্মাণৰ ওপৰত গুৰুত্ব নিদিবও পাৰে। শিক্ষা বিভাগে যি বিলাক বিদ্যালয় চৰকাৰীকৰণ কৰিছে সেই বিদ্যালয় বিলাক নিৰ্মাণৰ ক্ষেত্ৰত শিক্ষা বিভাগৰ দায়িত্ব আছে। গতিকে শিক্ষা বিভাগে প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত বিদ্যালয়বিলাক মেৰামতি বা নিৰ্মাণৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ভালদৰে জানে শিক্ষা বিভাগৰ বিদ্যালয় ভৱন নিৰ্মাণৰ বাবে নিজাববিয়া আঁচনি নাই। এই ডি আৰ ডি এ, এছ চি ছাব প্লেন, এছ টি চাব প্লেন আদি বিভিন্ন আঁচনিৰ দ্বাৰা গৃহ নিৰ্মাণৰ ধন মঞ্জুৰী দিয়া হয়। ইতিমধ্যে আমি কৈছোৱে যি ৬৩২ খন বিদ্যালয় বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে সেই কেইখনত অগ্ৰাধিকাৰ দিয়া হব।

✪ শ্ৰীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই শিক্ষা বিভাগৰ কোনো নিজা ববিয়া আঁচনি নাই বুলি কৈছে। কিন্তু তেখেতে ট্ৰাইবেল ছাব প্লেন, ডি আৰ ডি এ আদি বিভিন্ন আঁচনিৰ কথা কৈছে। এই আঁচনিবিলাকত গৃহ নিৰ্মাণৰ বাবে কিমান টকা ধাৰ্য্য কৰা হব ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ গৃহ নিৰ্মাণৰ বাবে আঁচনি নাই। বিভিন্ন আঁচনিৰ জৰিয়তে ধন দিয়া হয়। এই কথাটো মই আগতেই কৈছো। গতিকে কিমান টকা ধাৰ্য্য কৰা হয় সেইটো ইয়াত নাহে। প্ৰাকৃতিক দুৰ্যোগৰ যি কথা কোৱা হৈছে, আমি প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে ধন বিচাৰিছো। এই ধন পালে মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই যি ১৫ খন বিদ্যালয়ৰ কথা কৈছে সেইটোত প্ৰায়োৰিটি দিয়া হব।

✪ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই ডি আৰ ডি এ,

---

✪ Speech not corrected

ট্ৰাইবেল চাব প্লেন আদি বিভিন্ন আঁচনিৰ কথা কৈছে। কিন্তু কথা হৈছে গুৱাহাটী মহানগৰত ডি আৰ ডি এৰ কোনো আঁচনি নাই। গতিকে গুৱাহাটী মহানগৰীত প্ৰাকৃতিক দুৰ্যোগত ধুমুহা হৈ ক্ষতিগ্ৰস্ত হৈছে সেই স্কুল বিলাকত ফাণ্ড ক'ৰ পৰা দিব।

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো প্ৰাকৃতিক দুৰ্যোগ শিতানৰ পৰা দিয়া হব।

✪ শ্ৰীহিৰণ্য বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব পাৰিছো বিদ্যালয়বিলাক ইনচিওৰ কৰা হব। এই কথাটো সঁচা নে ? আৰু যদি সঁচা কেতিয়াৰ পৰা ইনচিওৰ কৰা হব ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইনচিওৰ কৰিবলৈ দিয়া কথাটো হয়। ইতিমধ্যে ইনচিওৰ কৰিবলৈ দিয়া হৈছে।

✪ শ্ৰীবদন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো। এইটো বাধ্যতামূলক হয় নে নহয় ?

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো বাধ্যতামূলক।

✪ শ্ৰীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে এ জি পি চৰকাৰৰ দিনত ২২ হাজাৰ খন বিদ্যালয়ক ৬১ হাজাৰ টকাকৈ গৃহ নিৰ্মাণৰ বাবে দিয়াৰ আঁচনি লোৱা হৈছিল। এতিয়া কথা হৈছে এই চৰকাৰৰ কিবা আঁচনি আছে নেকি ? কিমান বিদ্যালয়ক কিমান টকাকৈ দিয়া হব ? এনেকুৱা ধৰণৰ কিবা আঁচনি।

✪ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা আঁচনি নাই যদিও কৃষ্ণ ফলক নামৰ এখন আঁচনি আছে। এ জি পি চৰকাৰৰ দিনত অষ্টম পৰিকল্পনাৰ শিতানত এই টকাটো ধৰা হৈছিল। বৰ্ত্তমান কৃষ্ণ ফলক আঁচনিৰ অধীনত ২০০ খন স্কুললৈ ২ লাখকৈ টকা দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰোপৰি অনুসুচীত জাতি জনজাতিৰ অঞ্চলৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিয়া হৈছে। ইতিমধ্যে ২৫০ খনক দিয়া হৈছে।

**Mr. Speaker :** Now starred Question No. 50. Hon'ble Member Shri Hitesh Deka. Hon'ble Minister of State, Flood Control is to reply.

---

✪ Speech not corrected

## বিষয় ঃ পুঠিমাৰী নদীৰ মথাউৰী।

**শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে ঃ**

✪ ৫০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯৩ চনৰ বানপানীৰ সময়ত কামৰূপ জিলাৰ পুঠিমাৰী নদীৰ মথাউৰী ভাগিছে নেকি ?

(খ) যদি, ভাগিছে ইয়াৰ ফলত মুঠতে –

১। কিমান পৰিয়াল আৰু

২। কিমান খেতিৰ মাটি ক্ষতিগ্ৰস্ত হৈছে ?

(গ) এই বানপানীত কোনো লোকৰ মৃত্যু হৈছে নেকি ?

(ঘ) যদি হৈছে, তেনে ব্যক্তিৰ – পৰিয়াললৈ চৰকাৰী ভাবে কি সাহায্য দিয়া হৈছে ?

(ঙ) মথাউৰীৰ ভগা অংশৰ মেৰামতিৰ কাম কোন দিনাৰ পৰা আৰম্ভ হ'ব ?

**শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, ভাগিছে।

(খ) (১) ১৯, ১৮১ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে।

(২) ৩২,৩৮২ বিঘা ২ কঠা খেতিৰ মাটি ক্ষতিগ্ৰস্ত হৈছে।

(গ) হয়, হৈছে।

(ঘ) এতিয়ালৈকে এজনৰ পৰিয়ালক ১০,০০০.০০ টকা এক্‌কালিন সাহায্য হিচাপে দিয়া হৈছে।

(ঙ) মথাউৰীৰ ভগা অংশৰ মেৰামতিৰ কাম ইতিমধ্যে আৰম্ভ হৈছে।

✪ **শ্ৰীহিতেশ্বৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি তথ্য দিছে ক্ষতিগ্ৰস্ত পৰিয়াল হ'ল ১৯;১৮১ টা। এই ক্ষতিগ্ৰস্ত পৰিয়াল বিলাকলৈ চৰকাৰে কিবা সাহায্য দিছে নেকি ? দ্বিতীয়তে যি ৩২,৩৮২ বিঘা খেতি মাটিৰ খেতি ক্ষতিগ্ৰস্ত হৈছে, সেই

ক্ষতিগ্ৰস্ত খেতিয়ক সকলক খাজনা ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে নেকি ? তৃতীয়তে বানপানীত মৃত্যু হোৱা মানুহ কেইগৰাকীৰ পৰিয়ালৰ মাত্ৰ এগৰাকী পৰিয়ালকহে সাহায্য দিয়া হৈছে । বাকী কেইগৰাকীক সাহায্য দিয়া হোৱা নাই। বাকী কেইগৰাকীক সাহায্য দিয়া হব নে ?

✪ শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্ন কেইটা ৰাজহ বিভাগৰ লগত জড়িত। তথাপি যি কেইটাৰ ইনফৰমেছন ৰাজহ বিভাগৰ পৰা পাইছো সেই কেইটাৰ উত্তৰ দিছো। ৰাজহ বিভাগৰ পৰা পোৱা ইফৰমেছন কেইটা হ'ল–

Three human lives were lost, one from Hajo Circle and the other from Kamalpur Circle during the flood of 1993 due to breach of embankment of Puthimari river. Out of the three deceased, Rs. 10,000/- has been granted to the next kin of the deceased of Hajo Circle as ex-gratia grant as per Assam Relief Manual. Ex-grantia grant to the next kins of the two deceased will be considered in accordance with the Assam Relief Manual 1976 after observing all formalities.

✪ শ্ৰীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানীত তিনি গৰাকী মানুহৰ মৃত্যু হৈছিল। তাৰ ভিতৰত মাত্ৰ এগৰাকীক হে ১০ হাজাৰ টকা দিয়া হৈছে। বাকী দুটা পৰিয়ালক কেতিয়া ১০ হাজাৰ টকাকৈ দিয়া হব মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

✪ শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্তাৰ প্ৰশ্ন কেইটা ৰাজহ বিভাগলৈ দিয়া হৈছে।

✪ শ্ৰীহিতেশ্বৰ ডেকা ঃ পইণ্ট অৱ অৰ্ডাৰ I have a point of order responsibility should not be transferred.

মাননীয় অধ্যক্ষ ঃ কুৱেছনৰ ক্ষেত্ৰত এইটো হয়। কাৰণ এইটো ৰাজহ বিভাগৰহে ।

✪ শ্ৰীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মঠাউৰীৰ ভঙা অংশ বন্ধাৰ কাম আৰম্ভ কৰাৰ কথা কৈছে। এই বান্ধ ই এন ডি বিভাগে বন্ধাৰ কাৰণে ১ কোটি ৪৮

✪ Speech not corrected

লাখ টকা লাগে। কিন্তু এতিয়া ডি আৰ ডি এই ২২ লাখ টকাত বান্ধিলে এইটো বালিৰ বান্ধ নহব নে ?

✪ শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মঠাউৰী নিৰ্মাণৰ কাৰণে এতিয়া প্ৰাক কলম আঁচনি ১৩৭ কোটি টকাৰ কৰা হৈছে। কিন্তু এক কোটি টকাৰ ওপৰত হলে চি ডব্লিউ চি লৈ যায়। গতিকে ডি আৰ ডি এৰ অধীনত এই আঁচনিৰ কাম আৰম্ভ কৰা হৈছে। এই আঁচনি ৫ টা আছে।

✪ শ্ৰীহিতেশ্বৰ ডেকা ঃ এই আঁচনি কাৰিকৰীভাৱে শুদ্ধ হয় নে নহয় ? টেকনিকেলি শুদ্ধ হয় নে নহয় ?

✪ শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ এইটো টেকনিকেলি শুদ্ধ নে সেইটো প্ৰশ্ন নাহে। যিহেতু এইটো আঁচনি লোৱা হৈছে।

✪ শ্ৰীহিতেশ্বৰ ডেকা ঃ ডি আৰ ডি এৰ যোগেদি বন্ধা মঠাউৰীবিলাক বালিৰ বান্ধ নহব জানো ?

✪ শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভগা মঠাউৰী বন্ধাৰ হে আঁচনি লোৱা হৈছে।

**Mr. Speaker :** Now starred Question No. 51. Hon'ble Member Shri Samarendra Nath Sen. Hon'ble Minister, Flood Control is to reply.

## Re - Water of river Borak.

**Shri Samarendra Nath Sen asked :**

✪ 51. Will the Minister of Flood Control be pleased to state.

a) Whether the Govt. is aware that volume of water of river Borak increases during rainy season because of short circuit of the river for about 8 K.M. at Dungipar causing erosion of the river at many points near Silchar and other places of Cachar District?

(b) If so what the Govt. would take to combat such erosion

✪ Speech not corrected

and also from menace of flood ?

**Shri Haren Bhumij, (Minister, Food Control) replied:**

(a) No, the volume of water does not increase. But due to short circuiting the velocity of the river water increased just at down stream causing erosion on both bands of river Borak near Silchar and at places located down stream.

(b) To take care of the situation a number of schemes have been identified and schemes framed.

✪ **Shri Samarendra Nath Sen** : Mr. Speaker Sir, when this fund will be allocated.

(Starred Question Nos. 52 to 60 could not be taken up as the Question-Hour was over. However, replies of the said Questions deemed to have been laid on the table of the House.)

## বিষয় ঃ প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ সম্পৰ্কত ।

শ্ৰীবেণুপমা ৰাজখোৱাই সুধিছে ঃ

✪ ৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্তমান চৰকাৰে ১৯৯১-৯২ চনতে অসমৰ ৩ হেজাৰ (তিনি হেজাৰ) প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰাৰ প্ৰস্তাৱ লৈছিল যদিও ১৭শ প্ৰাথমিক বিদ্যালয় যে চৰকাৰীকৰণ কৰা হল বাকী থকা প্ৰাথমিক বিদ্যালয়সমূহ কেতিয়াকৈ চৰকাৰীকৰণ কৰিব মন্ত্ৰী মহোদয়ে জনাবনে ?

(খ) এই তিনি হেজাৰ (৩ হেজাৰ) প্ৰাথমিক বিদ্যালয়ত দ্বিতীয় শিক্ষকৰ ব্যৱস্থা গ্ৰহণ কৰিছেনে আৰু যদি কৰা নাই কেতিয়াকৈ কৰিব ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) প্ৰাদেশিকৰণ কৰিবলৈ বাকী থকা বিদ্যালয়সমূহ প্ৰাদেশিকৰণ কৰিবলৈ

উপ-পৰিদৰ্শকৰ পৰা তথ্য বিচৰা হৈছে। সম্পূৰ্ণ তথ্য পোৱাৰ পিচত চলিত বছৰতে প্ৰাদেশিকীকৰণ কৰা হব।

(খ) চলিত বিত্তীয় বৰ্ষত ২য় প্ৰতিষ্ঠাপক শিক্ষকৰ পদ নিয়মীয়া কৰা হব।

## বিষয় ঃ বিদ্যুৎ চাহিদাৰ পৰিমান ।

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

✪ ৫৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান অসমৰ বাবে কিমান মেগ'ৱাট বিদ্যুৎ শক্তি প্ৰয়োজন আৰু ধেমাজী জিলাৰ বাবে কিমান মেগুৱাট বিদ্যুৎ শক্তি প্ৰয়োজন ?

(খ) বৰ্ত্তমান অসমে কিমান মেগ'ৱাট বিদ্যুৎ শক্তি উৎপাদন কৰে ?

**শ্ৰীদেৱানন্দ কোঁৱৰ, (শক্তি, বিদ্যুৎ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) শীৰ্ষ সময়ত আৰোপিত নিয়ন্ত্ৰণৰ পিছত অসমৰ সৰ্বোচ্চ চাহিদা প্ৰায় ৪২৫ মেগ'ৱাট আৰু ধেমাজী জিলাৰ শীৰ্ষ সময়ৰ সৰ্বোচ্চ চাহিদা হ'ল ২.২ মেগ'ৱাট।

(খ) বৰ্ত্তমান অসমে ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অধীনৰ উৎপাদন কেন্দ্ৰ সমূহৰ যোগেদি দিনে সৰ্বোচ্চ প্ৰায় ১৫০ মেগাৱাটৰ পৰা ১৯০ মেগ'ৱাটলৈ বিদ্যুৎ শক্তি উৎপাদন কৰে।

## বিষয় ঃ গ্ৰাম্য অঞ্চলে বিদ্যুৎ সরবরাহের ব্যবস্থা।

**শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদারে জিজ্ঞাসা করছেন ঃ**

✪ ৫৪। মাননীয় বিদ্যুৎ বিভাগের মন্ত্ৰী মহোদয়, অনুগ্ৰহ করিয়া জানাবেনকি ?

(ক) হাইলাকান্দি জেলায় যে সব গ্ৰামে এখন পৰ্যন্ত্য বিদ্যুৎ সরবরাহ করা হয় নাই, ঐ সব গ্ৰামে এই অৰ্থবৎসরে বিদ্যুৎ সরবরাহ করা হবে কি ?

(খ) হাইলাকান্দি নিৰ্বাচন চক্ৰে যে সব গ্ৰামে বিভিন্ন কারণে (বিদ্যুৎ তার, টেন্সফরমার ও অন্যান্য সামগ্ৰী) বিদ্যুৎ সরবরাহ বন্ধ আছে। আহা তিন মাসের ভিতর চালু করা হবে কি ?

(গ) যে সব গ্ৰামে ও শহরে বিদ্যুৎ সরবরাহ বহু দিন যাবত বন্ধ আছে। কিন্তু

✪ Speech not corrected

বিদ্যুৎ ভাড়া নেওয়া হচ্ছে, কারণ কি ?

শ্রীগোপীনাথ দাস (রাজ্যিক গ্রাম্য বৈদ্যুতিকরণ মন্ত্রী) য়ে উত্তর দিছেন ঃ

(ক) ১৯৯৩-৯৪ অর্থবৎসরে হাইলাকান্দি জেলায় কোন নুতন গ্রামে বৈদ্যুতিকরণের প্রস্তাব নাই।

(খ) বর্তমানে আসাম রাজ্যিক বিদ্যুৎ পরিষদের অর্থভাবের জন্য তিন মাসের ভিতরে বিদ্যুৎ সরবরাহ চালু করার কোনও ব্যবস্থা হাতে নেওয়া হয় নাই।

(গ) যেখানে যেখানে নিয়মিত ভাবে কোনও নির্দিষ্ট সময়ের জন্য বিদ্যুৎ সরবরাহ করা হয়না ঐ সব উপভুক্তাদের কাছ থেকে নির্ধারিত নিম্ন হারে বিদ্যুৎ ভাড়া নীতি অনুযায়ী আদায় করা হয়ে থাকে।

## Re : Sanctioned from T. S. P. Head.

**Shri Suren Swargiari asked :**

✪ 55. Will the Minister of Education, State be pleased to state.

a) Whether the Government is aware of the fact that an amount of Rs. 60, 000/- (Rupees sixty thousand) only had been sanctioned from T. S. P. Head in the name of the Purana Mashalpur L.P. school in 1987 for the construction of the said school building under D. I. of school, Nalbari ?

(b) If yes, whether the construction of the said school building has been completed as per plan and estimate of the department concerned ?

(c) If not, the reason thereof ?

(d) What action Government has proposed to take for the completion of the said school building ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

✪ Speech not corrected

(a), (b), (c) & (d)

শিক্ষা বিভাগৰ পৰা কোনো টকা মঞ্জুৰ কৰা হোৱা নাছিল । খবৰ পোৱা মতে এই টকা নলবাৰী জিলাৰ জনজাতি উন্নয়ন প্ৰকল্প সঞ্চালকৰ তৰফৰ পৰা মঞ্জুৰ কৰা হৈছিল। আৱশ্যকীয় তথ্যসমূহ সেই বিভাগৰ পৰা সংগ্ৰহ কৰিব পাৰে।

## বিষয় ঃ গ্ৰাম্য বৈদ্যুতিকৰণ সম্পৰ্কে ।

**শ্ৰীভৰত চন্দ্ৰ নবহে সুধিছে ঃ**

✪ ৫৬। মাননীয় গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ঢকুৱাখানা মহকুমাৰ মুঠ কেইখন গাওঁত গ্ৰাম্য বৈদ্যুতিকৰণ কৰা হৈছে ?

(খ) গ্ৰাম্য বৈদ্যুতিকৰণ কৰিবলৈ বাকী থকা গাওঁৰ মুঠ সংখ্যা কিমান ?

(গ) উক্ত গাওঁবোৰত কেতিয়া বৈদ্যুতিকৰণ কৰা হব ?

**শ্ৰীগোপীনাথ দাস** (ৰাজ্যিক গ্ৰাম্য বৈদ্যুতিকৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৫৩ খন গাওঁত।

(খ) ১৯২ খন।

(গ) বাকী থকা গাওঁ সমূহত বৈদ্যুতিকৰণ কৰাৰ বাবে আঁচনি যুগুতোৱা হৈ আছে, কিন্তু প্ৰয়োজনীয় বিত্তীয় অনুদানৰ অভাৱত কাম কৰিব পৰা হোৱা নাই।

## Re : transfer of teacher with post.

**Sri Derhagra Mushahari asked:**

✪ 57.Will the Minister of Education (Primary) be pleased to State:

(a) Whether School teachers can get transferred from one school to another alongwith the post?

(b) If not how many teachers are getting their transfer

alongwith the posts, particularly in some schools in Tamulpur constituency ?

**Sri Gautom Bora (Minister of State Education) replied :**

(a) School teachers cannot get transferred from one to an other alongwith the post except rationalisation of teachers and also in some exceptional cases.

(b) 4 (four) teachers have been transferred with post.

## Re : Latu and Azad High School up gradation.

**Sri Mission Ranjan Das asked:**

✪ 58. Will the Minister of Secondary Education be pleased to state:

(a) Whether the government has taken any action on the proposal made for upgradation of Latu High School and Azad High School as Higher Secondary Schools in Karimganj ?

(b) If so when these schools will be upgraded ?

(c) If not, state the reasons there of ?

**Sri Gautom Bora (Minister of State Education) replied :**

(a) No decision has yet been taken by the Government.

(b) Does not arise.

(c) Upgradation of more High Schools into Higher Secondary Schools will depend upon the availability of fund and academic need.

## Re : Venture School in Dhubri District.

**Shri Alauddin Sarkar asked :**

---

✪ Speech not corrected

✪ 59. Will the Minister of Education (State) be please to State:

a) How many Venture Primary Schools are there in Dhubri District (please mention the number Sub-Division wise)

b) How many of such schools are established in the year 1979 (Please give list of such School Blockwise)

c) The number of schools had already been provincialised within Dhubri District (please mention the number provincialised year wise)

**Sri Gautom Bora, (Minister of State Education) replied:**

a) 953 Nos.

| | |
|---|---|
| Dhubri Sub.-Division | 243 |
| Bilasipara Sub.-Division | 287 |
| South Salmara Sub.-Division | 423 |
| | 953 |

b) 173 nos. of Schools were established in 1979

| | |
|---|---|
| Dhubri Sub-Division | 56 |
| Bilashipara Sub-Division | 11 |
| South Salmara Sub.-Division | 106 |
| | 173 |

c) 108 nos. of venture L.P. schools have already been provincialised (Year-wise list enclosed at Annexure "A") (See the Annexure-IV)

## Re: Appointment of Teacher from Select List.

**Sri Holiram Terang, Sri Dipendra Rongpi asked :**

✪ Speech not corrected

✪ 60. Will the Minister of Higher Technical Education be pleased to State :

(a) Is it true that no. S.T. and S.C. candidate was selected for the teachers of Govt. Colleges as per the selection which was published recently by the A.P.S.C. ?

(b) If so, what was the basic of the selection ?

(c) Whether Government will reconsider the matter accordingly to the specific norms of the reservation of seats ?

**Sri Golok Rajbonshi (Minister of Higher Education) replied :**

(a) No. it is not true that S.C. and S.T. candidates are not selected by the A.P.S.C. for teachers of Govt. College. The recent panel list submitted by the A.P.S.C. includes 7 Nos. of OBC., 1 No of MOBC, 2 nos. of S.T.(H) and 1 no. of S.T. candidates under the Act and Govt. circulars.

(b) No. A.P.S.C. selected the candidates on the basis of the required qualifications, norms and provisions for reservation of S.C., S.T. etc.

(c) There is no scope for reconsideration because A.P.S.C. selected the candidates according to the specific norms of reservation of seats.

## Unstarred Questions and Answers

### বিষয় ঃ শিক্ষা বিভাগৰ চিঠি।

শ্ৰীজীউৰাম বড়োৱে সুধিছে ঃ

১০১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ শিক্ষা বিভাগৰ যুটীয়া সচিব মহোদয়ৰ ইং ১২ নবেম্বৰৰ

✪ Speech not corrected

১৯৯৩ তাৰিখৰ No. A(I)E 19/4/92/192 আৰু ইং ১৯৯৩ চনৰ ২৩ অক্টোবৰ তাৰিখৰ Memo No. A(I)E 921/92/pt/9-A চিঠি দুখনৰ উদ্দেশ্য কি আছিল আৰু তাৰ বিহীত ব্যৱস্থা লোৱা হলনে আৰু যদি লোৱা হৈছে কেনে ধৰণৰ ব্যৱস্থা লৈছে আৰু যদি লোৱা নাই ইয়াৰ কাৰণ সমূহ অনুগ্ৰহ কৰি জনাবনে ?

(b) DEEO, Darrang (I) No. DES/Plan/12/93/38/6724 dated 2nd August 1993, (2) No. DES/Plan/12/93/39/6722, dated 2nd August 1993, (3) No. DES/Plan/12/93/74/7986, dated 1st september 1993, (4) No. DES/Plan/143/91/376/7276, dated 20th August 1992, (5) No. DESE/ DSP/47/90/122, dated 25th October 1992

এই চিঠি কেইখনৰ বিষয়ে চৰকাৰ অৱগত নে ?

(গ) যদি অৱগত, তেতিয়াহলে, ইয়াৰ কাৰণ কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু যদি ব্যৱস্থা সম্পূৰ্ণ গ্ৰহণ কৰা হোৱা নাই কেতিয়াকৈ কৰিব অনুগ্ৰহ কৰি জনাবনে ?

**শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ইং ১২ নবেম্বৰ ১৯৯৩ চনৰ চিঠিখন বিহিত ব্যৱস্থাৰ বাবে মঙ্গলদৈ উপ-পৰিদৰ্শকলৈ পঠোৱা হৈছিল। চিঠিখনৰ উদ্দেশ্য আছিল নিৰ্বাচিত প্ৰাৰ্থীৰ প্ৰাইমাৰী স্কুলত নিয়োগৰ বিষয়। মঙ্গলদৈ মহকুমাৰ কলাইগাওঁ বিধান সমষ্টিৰ খালী হোৱা পদৰ সংখ্যাতকৈ বেছি প্ৰাৰ্থীৰ তালিকা এখন দাখিল কৰিছিল । উক্ত প্ৰাৰ্থীৰ তালিকাখন উপদেষ্টা পৰিষদৰ সভাত খালী পদৰ সংখ্যা পৰীক্ষা নকৰাকৈ অনুমোদন কৰিছিল। কিন্তু পিচত বিষয়টো পৰীক্ষা কৰি দেখা হৈছিল যে তালিকা মতে, উপদেষ্টা পৰিষদে অনুমোদন দিয়া প্ৰাৰ্থীসকলক নিয়োগ কৰিবৰ বাবে খালী পদ নাছিল। বিষয়টো পুনৰ উপদেষ্টা পৰিষদত উপস্থাপন কৰাত উপদেষ্টা পৰিষদে আগতে অনুমোদন কৰা তালিকাখন বাতিল কৰে।

(খ) (গ) যোৱা বছৰত বাৰ্ষিক পৰিকল্পনাৰ শিতানত পুঁজিৰ অভাৱৰ বাবে ব্যৱস্থা লব পৰা নগল। ১৯-১১-৯১ ইং তাৰিখে প্ৰাদেশীকৰণ কৰা ২৩৫ খন মধ্য ইংৰাজী মাদ্ৰাছাৰ বাবে ৫ টাকৈ পদৰ আৱন্টন দিয়া হয় । চলিত বিত্তীয় বৰ্ষত পুঁজিৰ

সাপেক্ষে পদ সৃষ্টিৰ বাবে ব্যৱস্থা লোৱা হব।

## Re : Rural Electrification under Ratabari (S.C.) Constituency.

**Shri Rampyare Rabidas asked:**

102. Will the Minister of Power be pleased to state :

(a) Whether the Govt. has sanctioned any Scheme for electrification of the following villages under Ratabari (S.C.) constituency ?

(i) Awalala (ii) Singla Cherra T.E. (iii) Dam Cherra T.E. (iv) Gombhira Colony (v) Swastipur etc.

(b) If yes, how much the electrification work has been progressed ?

(c) If it is lying incomplete when it will be completed ?

**Shri Gopinath Das (State Minister, Eletrification) replied :**

(a), (b) & (c)

Five villages under Ratabari (S.C.) Constituency. Namely, (1) Awalala (2) Single Cherra T.E. (3) Dam Cherra T.E. ; (4) Gombhira Colony & (5) Swastipur were electrified as per R.E. norms. Extension/intensification works in the villages will be taken up in a phased manner depanding upon load demand and availability of fund.

## বিষয় ঃ সোৱঁনশিৰি নদীৰ গৰাখহনীয়া।

**শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে ঃ**

১০৩। মাননীয় বানিনিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত সোণাৰী বাড়ী গাওঁ আৰু ৰবধলি অঞ্চলত সোৱঁনশিৰি নদীৰ গৰাখহনীয়াই গোটেই অঞ্চল গ্ৰাহ কৰি মথাউৰী চুইছেহি, এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

(খ) এই অঞ্চল বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে নিজে পৰিদৰ্শন কৰিছে নে ?

(গ) যদি কৰা নাই কি কাৰণত কৰা নাই অনুগ্ৰহ কৰি জনাবনে ?

(ঘ) এই গৰাখহনীয়াৰ কিবা প্ৰতিৰোধ ব্যৱস্থা লৈছে নে ?

(ঙ) যদি লোৱা নাই এই বছৰৰ বাৰিষাৰ আগতে লোৱা ব্যৱস্থা কৰিব নে ?

**শ্ৰীহৰেণ ভূমিজ** (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় জানো ।

(খ) নাই কৰা।

(গ) বিভিন্ন কাৰণত সম্ভৱ হৈ উঠা নাই।

(ঘ) প্ৰতিৰোধৰ বাবে বিহিত ব্যৱস্থা লোৱা হৈছে।

(ঙ) 'ঘ' প্ৰশ্নৰ উত্তৰ সাপেক্ষে প্ৰশ্ন নুঠে।

## বিষয় ঃ স্বীকৃতি প্ৰাপ্ত এম. ই. মাদ্ৰাছা হাইস্কুল।

**শ্ৰীনিজমুদ্দিন খানে সুধিছে ঃ**

১০৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত ১৯৯৩ চনলৈ কিমান স্বীকৃতি প্ৰাপ্ত এম, ই স্কুল, এম ই মাদ্ৰাছা হাইস্কুল আৰু হাইমাদ্ৰাছা আছে ?

(খ) এই স্বীকৃতি প্ৰাপ্ত ভেঞ্চাৰ বিদ্যালয় সমূহ চৰকাৰীকৰণ কৰা হবনে ?

(গ) যদি নহয় , সকলো বিলাক স্বীকৃতি প্ৰাপ্ত বিদ্যালয় চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে ?

**শ্ৰীগৌতম বৰা** (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৩ চনলৈ স্বীকৃতি প্ৰাপ্ত বিদ্যালয়ৰ সংখ্যা তলত দিয়া ধৰণৰ।

মধ্য ইংৰাজী বিদ্যালয় – ৮৪০ খন।

মধ্য ইংৰাজী মাদ্ৰাছা – ১৮৭ খন।

হাইস্কুল আৰু হাইমাদ্রাছা – ৬০০ খন।

(খ) পুঁজি সাপেক্ষেহে ব্যৱস্থা লব পৰা হব।

(গ) পুঁজি সাপেক্ষে জ্যেষ্ঠতাৰ ক্রমেৰে ব্যৱস্থা লোৱা হব।

## Re. : Science Stream.

**Shri Karendra Basumatary asked :**

105. Will the Minister of Education be pleased to state :

(a) Whether Govt. is aware that Chief Minister had anounced to introduce science stream at Degree level of Tangla college by upgrading the existing science stream of Higher Secondary in course of his address to the people present in the conference of Bodo Sahitya Sabha held at Tangla on last 28th February, 1993 ?

(b) If so, whether it is being implemented ?

**Shri Golok Rajbangshi ( Higher Education Minister ) replied :**

(a) This year we have not taken over any new college or upgraded any new institution. The question of Tangla college would be considered provided if it fullfills Government prescribed norms.

(b) Does not arise.

## বিষয় ঃ শিক্ষক নিযুক্তি ।

**শ্রীপানীৰাম ৰাভাই সুধিছে ঃ**

১০৬। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯১-৯২ ইং চনত নলবাৰী জিলাৰ বাবে প্রাথমিক বিদ্যালয়ৰ বৃত্তিধাৰী

শিক্ষক পদ সৃষ্টি কৰা হৈছিল নেকি আৰু যদি হৈছিল কিমানটা ?

(খ) জনজাতি আৰু অনুসূচীত জাতিৰ বাবে কিমানটা সংৰক্ষণ কৰা হৈছিল ?

(গ) উক্ত বৃত্তিধাৰী পদ সমূহ উক্ত জিলাৰ সমষ্টি ভিত্তিত নিযুক্তি দিয়া হৈছিল নেকি আৰু যদি হৈছিল, কোন সমষ্টিত কিমান কৈ ?

(ঘ) ১৯৯১, ৯২, ৯৩, ৯৪ ইং চনত বৰমা সমষ্টিত বৃত্তিধাৰী শিক্ষক পদত কাৰোবাক নিযুক্তি দিয়া হৈছিল নেকি ?

(নিযুক্তি পোৱা শিক্ষকৰ নাম সহ বিদ্যালয়ৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

**শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)** য়ে উত্তৰ দিছে ঃ

(ক) ৪২১ টা।

(খ) অনুসূচীত জনজাতি পৰিকল্পনাধীন এলেকাৰ বাবে ১৩৩ টা আৰু অনুসূচীত জাতিৰ বিশেষ পৰিকল্পনাধীন এলেকাৰ বাবে ৩০ টা।

(গ) সংশ্লিষ্ট জিলা বিষয়াৰ পৰা তথ্য বিচাৰা হৈছে।

(ঘ) ঐ।

## বিষয় ঃ শিক্ষকের দরমহার স্কেল।

**শ্রীমধুসূদন তেওয়ারীয়ে** জিজ্ঞাসা করছেন ঃ

✪ ১০৭। মাননীয় শিক্ষা (প্রাথমিক) বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) সরকার নানা সময়ে প্রতিশ্রুতি দেওয়া সত্ত্বেও প্রাথমিক স্কুলের প্রধান শিক্ষকদেরে এম. ই বা এম. ভি. স্কুলের প্রধান শিক্ষকদের ন্যায়, হেডমাষ্টার স্কেল দেওয়া হইতেছে না (একই এলিমেণ্টারী এডুকেশন বিভাগ) এই ব্যাপারে সরকার রাখার কারণ কি ?

(খ) যদি অবগত আছেন তবে প্রাথমিক স্কুলের প্রধান শিক্ষকদের হেডমাষ্টার স্কেল হইতে বঞ্চিত করার কারণ কি ?

এবং উক্ত বিষয় সরকার প্রাথমিক স্কুলের প্রধান শিক্ষকদের তাদের উচিত

✪ Speech not corrected

পাওনা থেকে বঞ্চিত না করে হেডমাষ্টার স্কেল দিওয়ারা ব্যবস্থা করিবেন কি ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিষয়টো চৰকাৰৰ বিবেচনাধীন।

(খ) ঐ।

## বিষয় : চৰ অঞ্চলৰ গাওঁত বৈদ্যুতিকৰণ।

শ্ৰীঅনোৱাৰা হুছেইনে সুধিছে :

১০৮। মাননীয় গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১-৭-৯১ তাৰিখৰ পৰা আজিলৈকে মহকুমা ভিত্তিত যিবোৰ গাওঁ বৈদ্যুতিকৰণ কৰা হ'ল গাওঁবোৰৰ তালিকা সদনৰ মেজত দাখিল কৰিবনে ?

(খ) এই সময় ছোৱাত চৰ অঞ্চলৰ কিমান গাওঁ বৈদ্যুতিকৰণ কৰা হল ? (গাওঁৰ নামবোৰ জনাব)।

(গ) সঘনাই তাঁৰ চুৰি হোৱাৰ পৰিপ্ৰেক্ষিতত বিভাগটোৱে সতৰ্কতামূলক কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ? যদি কৰিছে সেইবোৰ কি কি ?

(ঘ) যদি কৰা নাই তেন্তে, চোৰক চুৰি কৰিবলৈ সুবিধা দিয়াৰ বাবেই সতৰ্কতামূলক ব্যৱস্থা লোৱা হোৱা নাই বুলি ধৰি লব পাৰি নেকি ?

শ্ৰীগোপীনাথ দাস, (ৰাজ্যিক গ্ৰাম্য বৈদ্যুতিকৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) উক্ত সময়ছোৱাত বৈদ্যুতিকৰণ কৰা গাওঁবোৰৰ তথ্যসমূহ থানা ভিত্তিতহে ৰখা হৈছিল, গতিকে মহকুমা ভিত্তিত তথ্য সমূহ দিব পৰা নহল। বৈদ্যুতিকৰণ কৰা গাওঁৰ তালিকা পৰিশিষ্ট – '১'ত দিয়া হ'ল। (See the annexure-v)

(খ) উক্ত সময়ছোৱাত চৰ অঞ্চলৰ গাওঁ বৈদ্যুতিকৰণ কৰা হোৱা নাই।

(গ) (ঘ)

যেতিয়া এনেকুৱা চুৰি কাৰ্য্য সংঘটিত হয়, আইনমতে ব্যৱস্থা লোৱা হয় আৰু পুলিচক খবৰ দিয়া হয়।

## বিষয় ঃ কপিলী নদীৰ গৰাখহনীয়া।

**শ্ৰীগহীনচন্দ্ৰ দাসে সুধিছে ঃ**

১০৯। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাওঁ জিলাৰ অন্তৰ্গত কপিলী নদীৰ দ্বাৰা দক্ষিণ পাৰে গাৰুখুন্দাৰ পৰা কামপুৰ পকী দলঙলৈ গৰাখহনীয়া চলি আছে নেকি আৰু যদি আছে কিমান ঠাইত আছে ?

(খ) যদি খহনীয়া চলি আছে, প্ৰতিকাৰৰ ব্যৱস্থা কেতিয়াৰ পৰা আৰম্ভ কৰিছে?

**শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ঃ**

(ক) হয়। প্ৰধানকৈ তিনি ঠাইত খহনীয়া চলি আছে।

(খ) কোনো ধৰণৰ প্ৰতিকাৰৰ কাৰ্যকৰী ব্যৱস্থা এতিয়ালৈ লব পৰা হোৱা নাই।

## Re.- Polytechnic in Bilasipara Sub-Division.

**Shri Giasuddin Ahmed asked :**

110. Will the Minister of Higher Education be pleased to State:

(a) Whether there is any proposal to set up a Polytechic in Bilasipara Sub-Division ?

(b) If so, whether the said proposal has been accepted by the Govt. ?

(c) If so, whether the approval of Central authority has been obtained ?

(d) If not, why ?

**Shri Golok Rajbanshi, (Minister, Higher Education) replied:**

(a) Yes, there is a proposal to setup Polytechnic at Panbari in Bilasipara Sub-Division.

(b) Yes.

(c) The proposal was sent to All India Council for Technical Education in 1992 for their approval, which is a pre-requisite for establishment of Polytechnic.

(d) Approval of AICTE not yet received.

## বিষয় ঃ ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ ।

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ**

১১১। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী নিয়ন্ত্ৰণৰ বাবে দিহাং, সুবঁনশিৰি, টিপাইমুখ আৰু পাগলাদিয়া বান্ধ প্ৰকল্পৰ আঁচনি বৰ্তমান কি অৱস্থাত আছে ?

(খ) পাগলাদিয়া প্ৰকল্প নিৰ্মাণৰ বাবে কেন্দ্ৰই ৰাজ্য চৰকাৰক নিজাকৈ পুঁজি বিনিয়োগৰ দ্বাৰা সম্পূৰ্ণ কৰাৰ বাবে অনুৰোধ কৰিছে নেকি আৰু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ স্থিতি কি ?

(গ) বান নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক আৱন্টন দিয়া পুঁজি পৰিকল্পনা শিতানত (প্লেন) অন্তৰ্ভুক্ত কৰোৱাৰ বাবে হেচা দিবলৈ অসম চৰাকাৰে ব্যৱস্থা হাতত লৈছে নেকি, যদি লৈছে সবিশেষ জনাব ?

(ঘ) নিমাতীত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ বাবে তৈয়াৰ কৰা আঁচনিৰ মডেল টেষ্ট ১৯৯৩ চনৰ ভিতৰতে শেষ কৰা হব বুলি মন্ত্ৰী ডাঙৰীয়াই দিয়া আশ্বাস কাৰ্যকৰী হলনে , যদি নাই হোৱা কিয় ?

**শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ঃ**

(ক) ব্ৰহ্মপুত্ৰ বোৰ্ডৰ পৰা পোৱা তথ্য মতে দিহাং আৰু সোৱঁনশিৰি বান্ধ প্ৰকল্পৰ বিস্তৃত তথ্য ইতিমধ্যে কেন্দ্ৰীয় চকাৰৰ ওচৰত দাখিল কৰা হৈছে যদিও অৰুনাচল প্ৰদেশ চৰকাৰৰ প্ৰবল বাধা পোৱা হেতুকে এই বিষয়ে অগ্ৰসৰ হব পৰা নাই।

টিপাই মুখ বান্ধ প্ৰকল্পৰ ক্ষেত্ৰত সাম্ভাব্য ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপনৰ কাৰণে মণিপুৰ চৰকাৰ আৰু ব্ৰহ্মপুত্ৰ বোৰ্ডৰ যুটিয়া সহযোগত প্ৰাৰম্ভিক জৰীপ কাৰ্য চলি আছে।

আনহাতে পাগলাদিয়া বান্ধ প্ৰকল্পৰ বিস্তৃত প্ৰতিবেদন ইতিমধ্যে প্ৰস্তুত কৰি উলিয়াই বিভিন্ন বিশেষজ্ঞ সংস্থালৈ মতামতৰ কাৰণে প্ৰেৰণ কৰা হৈছে।

(খ) পাগলাদিয়া বান্ধ প্ৰকল্প নিৰ্মাণৰ বাবে ১১।৫।৯৩ তাৰিখে বহা "ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সভাত" অসম চৰকাৰক পাগলাদিয়া বান্ধ প্ৰকল্প নিৰ্মাণৰ দায়িত্ব বহন কৰাৰ বাবে সিদ্ধান্ত কৰা হয় আৰু অসম চৰকাৰক এই বিষয়ে অৱগত কৰা হয়।

পাগলাদিয়া বান্ধ প্ৰকল্প অসম ৰাজ্যৰ ভিতৰতে হোৱা বাবে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক কাৰ্যকৰী কৰাৰ দিহা আগবঢ়াইছে।

অসম চৰকাৰে এই বিষয়ে উত্তৰত জনাইছে যে অসম চৰকাৰৰ দ্বাৰা এই প্ৰকল্প কাৰ্যকৰী কৰিবলৈ প্ৰয়োজনীয় কাৰিকৰী অৰ্হতা সম্পন্ন লোক ও অন্যান্য সুবিধা আছে যদিও বৰ্তমানে আৰম্ভন দিয়া বাৰ্ষিক পৰিকল্পনা পুঁজিৰ অন্তৰ্গত এই কাম হাতত লব পৰা নহব। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিশেষ বিত্তীয় মঞ্জুৰী প্ৰয়োজন হ'ব।

(গ) অসম চৰকাৰে কেন্দ্ৰীয় ঋণ সাহায্য আঁচনিৰ অধীনত লাভ কৰা শতকৰা এশভাগ ঋণৰ ৯০ শতাংশ মঞ্জুৰী আৰু ১০ শতাংশ ঋণ সাহাৰ্য হিচাবে আগবঢ়াবলৈ অনুৰোধ জনাইছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে উক্ত প্ৰস্তাৱত সন্মতি নজনালে।

(ঘ) নিমাতীত ব্ৰহ্মপুত্ৰ গৰাখহনীয়া প্ৰতিৰোধ আঁচনি তৈয়াৰৰ বাবে বাননিয়ন্ত্ৰণ বিভাগৰ গুৱাহাটীস্থ নদী গৱেষণা কেন্দ্ৰত আৰ্হি নিৰ্মাণৰ কামত সন্তোষজনক অগ্ৰগতি লাভ কৰা হৈছে যদিও আৰ্হি পৰীক্ষাৰ কাম সম্পূৰ্ণ কৰিবৰ বাবে খহনীয়া আক্ৰান্ত অঞ্চলৰ পৰা সময়ে সময়ে তথ্য সংগ্ৰহ কৰি কাৰিকৰী তথ্য বিশ্লেষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰোতে পূৰ্ব পৰিকল্পিত সময়তকৈ কিছু অধিক সময়ৰ প্ৰয়োজন হৈছে।

## Re.- Erosion of Desang river.

**Shri Promod Gogoi asked :**

112. Will the Minister of Flood Control be pleased to state :

(a) Whether it is a fact that severe crosion of banks of the Desang and Dikhow River within Sibsagar Division have taken place during the current year ?

(b) If so, whether anti-crosion measures have been taken up by the Department ?

শ্ৰীহৰেণ ভূমিজ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(a) Yes.

(b) Yes, some anti-erosion schemes had been executed in the year 1992-93 and 1993-94 within the limited avail ability of fund.

## বিষয় ঃ তৈলক্ষেত্ৰ সমূহ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

১১৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ তৈল ক্ষেত্ৰ সমূহ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিবৰ বাবে ব্যৱস্থা লোৱাৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগত নে ?

শ্ৰীবিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

অৱগত নহয়।

## Re.- New Electricty Connection.

**Shri Dipendra Rongpi asked :**

114. Will the Minister of Powers be pleased to state:

(a) Is it true that the ASEB had issued a circular to stop any new connection of electricity to the P.H.E. Department of Karbi Anglong ?

(b) If so, what was the reason ?

(c) Is there any liability of the Karbi Anglong P.H.E. Department due to the ASEB. ?

**Shri Debananda Konawar, (Minister Power ,Elect.) replied :**

(a) Yes, Sir.

(b) The reason for the above is that PHE have not cleared their dues to ASEB.

(c) Rs. 28.63 Lakhs as on 31.12.93.

**বিষয় ঃ শিক্ষক পদ মঞ্জুৰী।**

শ্রীজয়নাথ শৰ্মাই সুধিছে ঃ

১১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) দৰং জিলাত কিমানজন B.T. বা B.Ed. ডিগ্রীধাৰী প্রার্থীয়ে শিক্ষক পদৰ বাবে স্কুলৰ পৰিদর্শকৰ ওচৰত ১৯৯০-১৯৯৪ জানুৱাৰীৰ ভিতৰত আৱেদন কৰিছে ?

(খ) দৰং জিলাৰ স্কুল পৰিদর্শকৰ অধীনত Hindi/B.Sc. আৰু সাধাৰণ স্নাতক শিক্ষকৰ কিমানটা পদ মঞ্জুৰী দিছে ? (১৯৯২-৯৩-৯৪ জানুৱাৰীৰ ভিতৰত)।

(গ) উক্ত পদ সমূহৰ ভিতৰত মঙ্গলদৈ, দলগাওঁ, কলাইগাওঁ, পানেৰী আৰু ওদালগুৰি সমষ্টিত কিমান পদ দিয়া হল ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ- ৪০ জন।

(খ)

| | | | |
|---|---|---|---|
| ১৯৯১-৯২ | হিন্দী | - | ৩ |
| | বিজ্ঞান স্নাতক | - | ৬০ |
| | সাধাৰণ স্নাতক | - | ৮ |
| ১৯৯২-৯৩ | হিন্দী | - | ৪ |
| | বিজ্ঞান স্নাতক | - | ৭ |
| | সাধাৰণ স্নাতক | - | ৪ |

| | | |
|---|---|---|
| ১৯৯৩-৯৪ হিন্দী | - | ৩৩ |
| বিজ্ঞান স্নাতক | - | — |
| সাধাৰণ স্নাতক | - | ২৭ |
| মুঠ | - | ১৪৬ জন। |

(গ)

| | হিন্দী | বিজ্ঞান স্নাতক | সাধাৰণ স্নাতক |
|---|---|---|---|
| মঙ্গলদৈ - | ৭ | ১৫ | ৯ |
| দলগাওঁ - | ৬ | ৬ | ৪ |
| কলাইগাওঁ- | ১০ | ১০ | ৫ |
| পানেৰী - | — | ৬ | ২ |
| ওদালগুৰি - | ৫ | ৬ | ৪ |

## বিষয় ঃ অনানুষ্ঠানিক শিক্ষা।

ডাঃ কমলা কলিতাই সুধিছে ঃ

১১৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অনানুষ্ঠানিক শিক্ষাৰ বাবে সুকীয়া সঞ্চালক নিযুক্তি দিয়াৰ পিছতো ইয়াৰ বাজেট প্ৰাথমিক শিক্ষা সঞ্চালকে প্ৰস্তুত কৰা কথা সত্যনে ?

(খ) অনানুষ্ঠানিক শিক্ষাৰ জিলা বিষয়া সকলক চৰকাৰে বিত্তীয় ক্ষমতা দিয়াৰ কথা চিন্তা কৰিছেনে ?

(গ) অনানুষ্ঠানিক শিক্ষাৰ নিৰ্দেশক সকলৰ পৰিতোষিকৰ কেন্দ্ৰীয় অংশ অহাৰ পিছত ৰাজ্য চৰকাৰৰ অংশ সময়মতে নিদিয়াত নিৰ্দেশক সকলে সময়মতে পৰিতোষিক নাপায় যে চৰকাৰ অৱগতনে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সত্য।

(খ) অনানুষ্ঠানিক শিক্ষাৰ জিলা বিষয়াসকলক বিত্তীয় ক্ষমতা দিয়াৰ বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

(গ) হয়, অৱগত। সোনকালেই ধন মোকলাই দিবৰ বাবে ব্যৱস্থা লোৱা হব।

## বিষয় ঃ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাদেশীকৰণ।

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

১১৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্তমানৰ চৰকাৰৰ দিনত কিমানখন উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰা হল আৰু প্ৰাদেশীকৰণৰ বাবে কিমানটা শিক্ষকৰ পদ মঞ্জুৰ কৰিছে ?

(খ) প্ৰাদেশীকৰণৰ বাবে মঞ্জুৰ কৰা শিক্ষকৰ পদ বিলাক প্ৰাদেশীকৰণ কৰা বিদ্যালয় সমূহৰ বাহিৰেও অন্য বিদ্যালয়ত অতিৰিক্ত শিক্ষকৰ পদ হিচাবে মঞ্জুৰ দিয়া কথাটো সঁচানে ?

(গ) যদি সঁচা হয় কিমানটা পদ অতিৰিক্ত পদ হিচাবে Transfer কৰা হৈছে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৫৬৩ খন বিদ্যালয় আৰু ৬১৩০ টা শিক্ষকৰ পদ।

(খ) প্ৰাদেশীকৰণৰ পিচত প্ৰাদেশীকৃত স্কুল সমূহত শিক্ষকৰ পদ প্ৰয়োজনীয়তাৰ ভিত্তিত আবণ্টন কৰা হৈছে।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ অৰ্হতাপূৰ্ণ শিক্ষক বঞ্চিত।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ

১১৮। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চৰকাৰৰ দ্বাৰা ৩০/৯/৯৩ তাৰিখে প্ৰকাশিত কলেজ শিক্ষক সকলৰ Selection Grade Scale - প্ৰায় ৩০০ অভিজ্ঞ আৰু অৰ্হতাপূৰ্ণ শিক্ষকক অন্যায়ভাৱে বঞ্চিত কৰিছে বুলি উঠা অভিযোগ সত্য নে ?

(খ) U.G.C. Circular No. FI-/91(P.S. Cell) Dtd. 31.1.92 নিৰ্দেশমতে ১-১-৮৬ তাৰিখৰ পূৰ্বে ১৬ বছৰৰ শিক্ষকতাৰ অভিজ্ঞতা থকা শিক্ষক সকলক Selection Grade Scale pay (Rs.3700-5700/-)

দিবলৈ নিৰ্দেশ দিছিল এই তথ্য সত্য নে ?

শ্ৰীগোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সত্য নহয় । Selection Grade Scale - প্ৰদানৰ বাবে ১০২৯ জন জ্যেষ্ঠ শিক্ষকক সাক্ষাতকাৰৰ বাবে আমন্ত্ৰন জনোৱা হৈছিল। তেতিয়াৰ বাচনি কমিটি দুখনৰ অনুমোদন সাপেক্ষে ১০২৯ জন শিক্ষকৰ ভিতৰত ৭০০ জনক Selection Grade Scale প্ৰদান কৰা হয়। কমিটিয়ে অনুমোদন নজনোৱা সকলৰ বিষয়টো পৰ্যালোচনা (Review) কৰাৰ কাৰণে এখন নতুন বাচনি কমিটি গঠন কৰি দিয়া হৈছে।

(খ) সত্য নহয়। ১-১-৮৬ ইং তাৰিখৰ পুৰ্বে ১৬ বছৰ চাকৰিকাল হলেও অন্যান্য চৰ্ত ( বিশিষ্ট অধ্যয়নৰ পৰিচালক, প্ৰকাশন ইত্যাদি ) পুৰণ কৰিলেহে এজন জ্যেষ্ঠ কলেজ শিক্ষকে Selection Grade Scale পাব পাৰে।

## বিষয় ঃ সমবায় সমিতিত চেক্ৰেটাৰী নিয়োগ।

শ্ৰীনজমূল হকে সুধিছে ঃ

১১৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? কৃষ্ণাই, বদাহপুৰ, টাকিমাৰী আৰু গুৰিয়াধাপ সমবায় সমিতি সমূহত কেডাৰ চেক্ৰেটাৰী (Cadre Secretary) নিযুক্তি দিয়া হবনে আৰু যদিহে দিয়া হয় তেনেহলে তাত দায়িত্বত থকা সম্পাদকে (In-charge Secretary) দায়িত্ব চমজাই দিয়া হবনে ?

শ্ৰীনগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

উল্লেখিত সমবায় সমিতি সমূহত প্ৰয়োজন সাপেক্ষে কেডাৰ সম্পাদক দিয়া হব। কেডাৰ সম্পাদক দিয়াৰ লগে লগে ভাৰপ্ৰাপ্ত সম্পাদকে দায়িত্ব চমজাই দিব লাগিব।

## বিষয় ঃ অধ্যক্ষ নিলম্বিতকৰণ।

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

১২০। মাননীয় শিক্ষা (প্ৰাথমিক আৰু মাধ্যমিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ

কৰি জনাবনে ঃ

(ক) পশ্চিম শিলপুখুৰী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ গৰাকীক ৰাজহুৱা অভিযোগৰ ভিত্তিত ২২/১২/৯৩ তাৰিখৰ ডিএচই/১/৯৩/৬৪ চিঠি মৰ্মে নিলম্বিত কৰা হৈছিল নেকি ?

(খ) যদি হৈছিল, অভিযোগ সমূহ কি আছিল ?

(গ) পুনৰ উক্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ গৰাকীৰ নিলম্বিকৰণৰ আদেশ প্ৰত্যাহাৰ কৰা হল নেকি ?

(ঘ) যদি হল, কেতিয়া হৈছে ?

(ঙ) প্ৰত্যাহাৰ কৰাৰ কাৰণসমূহ জনাবনে ?

শ্ৰীগৌতম বৰা ( প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) নিযুক্তিৰ ক্ষেত্ৰত মিছা তথ্য দাখিল কৰা আৰু বকেয়া ধন আত্মসাৎ কৰা অভিযোগৰ ভিত্তিত অধ্যক্ষ গৰাকীক নিলম্বিত কৰা হৈছিল।

(গ) হয়।

(ঘ) ২৩/১২/৯৩ তাৰিখে পূৰ্বৰ আদেশ বাতিল কৰা হৈছে।

(ঙ) ১। বিভাগীয় তদন্ত এটা কৰাৰ চিন্তা।

২। তথা সমাগত (সেই সময়ৰ) হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু

৩। সেই স্কুলতে প্ৰদত্ত হাইস্কুলৰ শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ পৰিৱেশ বিঘ্নিত নোহোৱাৰ মানসেৰে নিলম্বিত কৰণৰ আদেশ তৎকালীনভাৱে প্ৰত্যাহাৰ কৰা হয়।

## বিষয় ঃ শংকৰদেৱ এম, ই, স্কুলৰ শিক্ষকৰ সংখ্যা

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

১২১। মাননীয় বাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বকো বিধান সভা সমষ্টিত কালিবাৰীত শংকৰদেৱ এম, ই স্কুল থকাটো সচাঁনে ?

(খ) যদি সচাঁ, বিদ্যালয়খনত বৰ্তমান কিমানজন শিক্ষক-শিক্ষয়িত্ৰী আছে ?

(গ) ১৯৯১ চনৰ ৩০ জুন পৰ্যন্ত বিদ্যালয়খনত কিমানজন শিক্ষক-শিক্ষয়িত্ৰী

আছিল আৰু তেওঁলোকৰ নাম কি কি ?

(ঘ) ১৯৯১ চনৰ ৩০ জুনৰ পিছত বিদ্যালয়খনত কিমানজন শিক্ষকে (শিক্ষক-শিক্ষয়িত্ৰী) যোগদান কৰিছে, কেতিয়া কেতিয়া কৰিছে তেওঁলোকৰ নামসহ লগতে যোগদানৰ তাৰিখ জনাবনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা।

(খ) বৰ্তমান শঙ্কৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত মুঠ ১২ জন শিক্ষক-শিক্ষয়িত্ৰী আছে।

(গ) ১৯৯১ চনৰ ৩০ জুন পৰ্যন্ত বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা মুঠ ৬ জন আছিল। শিক্ষক শিক্ষয়িত্ৰীৰ নাম ইয়াৰ লগত সংলগ্ন কৰা হল (অনুবন্ধ 'ক)'।(See the Annexure-vi)

(ঘ) ১৯৯১ চনৰ ৩০ জুনৰ পিচত বিদ্যালয়ত যোগদান কৰা নতুন শিক্ষক/ শিক্ষয়িত্ৰীৰ নাম আৰু যোগদানৰ তাৰিখ ইয়াৰ লগত সংলগ্ন কৰা হল (অনুবন্ধ 'খ')। (See the Annexure-vii)

## বিষয় ঃ যোগীঘোপা কাগজকল খোলা সম্পৰ্কে।

শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

১২২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোগীঘোপাত বন্ধ হৈ থকা অশোক কাগজকলটো পুনৰায় খোলাৰ বাবে চৰকাৰে কি ব্যৱস্থা হৈছে ?

(খ) উক্ত বন্ধ হৈ থকা কাগজ কলটোৰ কিমান সম্পত্তি চুৰ হৈছে জনাবনে ?

(গ) বৰ্তমান কিমান কৰ্মচাৰী উক্ত কাগজকলত কাম নকৰি হাজিৰা দি দৰমহা লৈ আছে ?

শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ১৯৮৩ চনৰ মাৰ্চ মাহৰ পৰা উৎপাদন বন্ধ হৈ থকা কাগজকলটো পুনৰায় খোলাৰ বাবে ভাৰতীয় ঔদ্যোগিক বিকাশ বেংকৰ সহযোগিতা আৰু পৰামৰ্শ অনুযায়ী ৬ (ছয়)টা ভিন্ন ঔদ্যোগিক কোম্পানীৰ লগত মিলটোত

পুনৰ উৎপাদন আৰম্ভ কৰাৰ প্ৰয়াসেৰে প্ৰচেষ্টা চলোৱা হৈছিল ; কিন্তু কোম্পানী সমূহৰ স্বৰ্ত্তবোৰ গ্ৰহণযোগ্য নোহোৱা বাবে এইবোৰ প্ৰচেষ্টা ব্যৰ্থ হয়। সম্প্ৰতি পুনৰ বাতৰি কাকতত বিজ্ঞাপন যোগে ঔদ্যোগিক ব্যৱসায়িক প্ৰতিষ্ঠান সমূহৰ পৰা মিলটোক পুনৰ জীৱিত কৰাৰ অৰ্থে নিবিদা বিচৰা হৈছে আৰু ইতিমধ্যে দুটা প্ৰতিষ্ঠানৰ পৰা সহাৰি পোৱা হৈছে।

(খ) চুৰি হোৱা সম্পত্তিৰ আনুমানিক মূল্য প্ৰায় এক লাখ মান টকা হব।

(গ) কোনো কৰ্মচাৰীকে কাম নকৰাকৈ হাজিৰা দি দৰমহা দিয়া হোৱা নাই।

## বিষয় ঃ বিদ্যুৎ সৰবৰাহ।

**শ্ৰীবদ্ৰীনাৰায়ণ সিংহ জিজ্ঞাসা করছেন ঃ**

১২৩। মাননীয় শক্তি বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) কাছাড় জিলার সোনাই সমষ্টিতে অনেক গ্ৰামে বিদ্যুৎ লাইন হইতে বনচিত, সেই জাগায় অদুর ভবিষ্যতে বিদ্যুৎ সরবরাহ করার সরকারের ব্যবস্থা আছে কি ?

(খ) যদি হা, তা হলে কবে পর্যন্ত।

**শ্ৰীগোপীনাথ দাস, (ৰোজিয়ক গ্ৰাম্য বৈদ্যুতিকরণ মন্ত্ৰী)য়ে উত্তর দিচ্ছেন ঃ**

(ক) আছে।

(খ) গ্ৰাম গুলিতে বৈদ্যুতিকরণ করার জন্য আঁচনি বানানো হইতেছে। তবে প্ৰয়োজনীয় অৰ্থাভাবের জন্য কাজগুলি শুরু করা হয় নাই।

## বিষয় ঃ বুকনী বান্ধৰ ক্ষতি।

**শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ**

১২৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা বানপানীৰ সময়ত ধলাই সমষ্টিৰ অন্তৰ্গত বুকনী বান্ধে কোন কোন অঞ্চলত বান্ধৰ ক্ষতি হৈছে ?

(খ) বান্ধ সংস্কাৰ সাধনৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(গ) যদি কোনো ব্যৱস্থা লোৱা নাই, তেন্তে ইয়াৰ কাৰণ কি ?

**শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৩ চনৰ বানপানীৰ সময়চোৱাত ধলাই সমষ্টিৰ অন্তৰ্গত বুকনী বান্ধৰ শেখবস্তিৰ ওচৰত Chainage ৪৭৬৫ মিটাৰ-৪৮৪৫ মিটাৰ অংশ ভাগিছিল। ইয়াৰ উপৰিও বান্ধৰ বহু ঠাইত ক্ষতি সাধন হৈছিল।

(খ) উক্ত বান্ধৰ ভগা অংশ মেৰামতিৰ বাবে ৩.৫৫৭ লাখ টকাৰ প্ৰাক্কলন প্ৰস্তুত কৰি চৰকাৰৰ সিদ্ধান্ত অনুযায়ী ডি, আৰ, ডি, এ (D.R.D.A.) লৈ কাৰ্যকৰণৰ বাবে প্ৰেৰণ কৰা হৈছে আৰু বাকী ক্ষতি হোৱা অংশসমূহৰ মেৰামতিৰ বাবেও প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে আৰু উক্ত কামখিনিও চৰকাৰৰ সিদ্ধান্ত অনুযায়ী ডি, আৰ, ডি, এ, ৰ দ্বাৰাই সম্পন্ন কৰাৰ কথা ভবা হৈছে।

(গ) 'খ' প্ৰশ্নৰ উত্তৰ সাপেক্ষে এই প্ৰশ্ন নুঠে।

## বিষয় ঃ প্ৰাথমিক আৰু মজলীয়া শিক্ষক নিযুক্তি ।

মোঃ মহিবুল হকে সুধিছে ঃ

১২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিত প্ৰাথমিক আৰু মজলীয়া শিক্ষক পদৰ নিযুক্তি দিয়া হৈছে নে ?

(খ) যদি হোৱা নাই, কি কাৰণত হোৱা নাই ?

(গ) এই সমষ্টিত নিযুক্তিৰ ক্ষেত্ৰত বড়োলেণ্ড স্বায়ত্ব শাসিত কাউন্সিলৰ হস্তক্ষেপ চলিব নে ?

(ঘ) যদি চলে, কেতিয়াৰ পৰা চলিব ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলা ন্যায়ালয়ৰ নিৰ্দেশানুসৰি গৌৰীপুৰ সমষ্টিৰ অনুসূচীত জন-জাতিৰ Back-log-ৰ পদ সমূহ আৰু উচ্চ ন্যায়ালয়ৰ নিৰ্দেশানুসৰি দহবছৰৰ অধিক কাল অবৈতনিক ভাৱে কাম কৰি থকা শিক্ষক সকলক নিযুক্তি দিয়া হৈছে। বাকী পদ সমূহৰ তালিকা প্ৰস্তুত নোহোৱাৰ বাবে নিযুক্তি দিব পৰা হোৱা নাই।

(খ) প্ৰশ্ন 'ক'ত ব্যাখ্যা দিয়া হৈছে।

(গ) এতিয়া কব পৰা হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

## Re : Erosion of Barnodi-Puthimari River.

**Shri Derhagra Mushahari asked:**

126. Will the Minister of Flood Control be pleased to State.

(a) Whether Government have proposed to control Barnodi-Puthimari river from erosion where it is badly damaged at upper protion and near the Nagrijuli Tea Estate ?

(b) If yes, How much money Government have sanctioned for it and when it will be done ?

**শ্ৰীহৰেণ ভূমিজ (বাননিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(a) Yes.

(b) Fund for the scheme has not yet been sanctioned. The estimated cost of the scheme as recommended by the 21st T.A.C. is Rs. 2.99 Crores requiring clearance from the Central water Commission, and subject to availability of fund, Government may consider taking up implementation of the scheme.

## Re.: STATFED outlet at Ramkrishna Nagar.

**Shri Rampyare Rabidas asked :**

127. Will the Minister of Co-operation be pleased to state:

(a) Whether Government will arrange to open a STATFED Retail outlet at Ramkrishna Nagar under Ratabari S.C. constituency considering the necessity of the backward area to provide essential commodities to the people on

reasonable rate ?

(b) If yes, when the Retail outlet will be opened ?

(c) If not, State the reason thereof ?

(d) Is it fact that prior to 1982 there was a STATFED Retail outlet at Ramkrishna Nagar with functioned well and performed business with full satisfaction ?

(e) If yes, why the outlet was closed suddenly ?

(f) what was the actual date & year of closing ?

**Shri Nagen Neog (Minister, Co-operation) replied :**

(a) No.

(b) Does not arise.

(c) Because the STATFED is running at loss.

(d) Yes, but it did not function satisfactorily.

(e) Does not arise.

(f) 30th April, 1980.

### বিষয় ঃ প্ৰাদেশীকৃত এম, ই, স্কুলৰ সংখ্যা।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে ঃ

১২৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্তমানলৈ চৰকাৰে কিমানখন এম, ই, স্কুল প্ৰাদেশীকৰণ কৰিছে ?

(খ) আৰু কিমানখন এম,ই, স্কুল প্ৰাদেশীকৰণ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে আৰু কেতিয়াৰ পৰা ইয়াক কাৰ্যকৰী কৰা হব।

(গ) ইতিমধ্যে প্ৰাদেশীকৃত কিমানখন এম, ই, স্কুলৰ ৪ৰ্থ শ্ৰেণীৰ পদটি চৰকাৰীকৰণ কৰা হৈছে আৰু কিমানখনৰ চৰকাৰীকৰণ কৰিবলৈ বাকী আছে ?

(ঘ) বাকী থকা ৪ৰ্থ শ্ৰেণীৰ পদ সমূহ কেতিয়াৰ পৰা চৰকাৰীকৰণ কৰা হব ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১২৫৫ খন।

(খ) বৰ্তমানলৈ কোনো সিদ্ধান্ত লোৱা নাই।

(গ) ৫০০ খনৰ চৰকাৰীকৰণ কৰা হৈছে আৰু ৭৫৫ খনৰ চৰকাৰীকৰণ কৰিবলৈ বাকী আছে।

(ঘ) পুঁজি সাপেক্ষে চৰকাৰীকৰণৰ ব্যৱস্থা লোৱা হব।

## Re. : Provincialisation of L.P. School.

**Sri Borgoram Deuri asked :**

129. Will the Minister of Education be pleased to state.:

(a) How many Primary Schools have been taken up till now for Provincialisation ?

(b) Will the Government give the number of L.P. Schools constituency wise ?

(c) Whether second founder teachers of Provincialised L.P. Schools will be regularised within this financial year ?

**Shri Gautam Bora (Minister of State Education) replied:**

(a) 1760 numbers.

(b) List enclosed. (See the Annexure-viii)

(c) 2nd founder teachers will be regularised in the current financial year, 1994-95.

## বিষয় ঃ ভেন্সাৰ স্কুল চৰকাৰীকৰণ সম্পৰ্কে।

**শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ**

১৩০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত ১৯৯১ চনৰ পৰা ১৯৯৩ চনলৈ কিমান ভেন্সাৰ প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰা হৈছে ? (বিধানসভা সমষ্টি ভিত্তিত জনাব)

(খ) নতুনকৈ কিমান ভেন্সাৰ প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰা হব ?

(গ) নতুনকৈ চৰকাৰীকৰণ কৰিবলগীয়া ভেন্সাৰ প্ৰাথমিক বিদ্যালয় সমূহ বিধানসভা সমষ্টি ভিত্তিত লোৱা হব নে ?

(ঘ) যদি লোৱা হয়, কি ভিত্তিত লোৱা হব ?

(ঙ) আৰু যদি লোৱা নহয়, তাৰ কাৰণ কি ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ পৰা ১৯৯৩ চনলৈ ১৭৬০ খন ভেন্সাৰ প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰা হৈছে।

(সমষ্টি ভিত্তিত তালিকা সংলগ্ন কৰা হল) (See the Annexure-ix)

(খ) ৯৪০ খন।

(গ), (ঘ)

কেৱল জ্যেষ্ঠতা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত চৰকাৰীকৰণ কৰা হব।

(ঙ) প্ৰশ্ন নুঠে।

## বিষয় ঃ শিক্ষকৰ হায়াৰ চেকেণ্ডাৰীত নিযুক্তি।

শ্ৰীঅতুল বৰাই সুধিছে ঃ

১৩১। মাননীয় শিক্ষা (ৰাজ্যিক) বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ জুলাই মাহৰ পৰা সমগ্ৰ অসমতে এল, পি, স্কুল, এম, ই, স্কুল আৰু হাইস্কুল, হায়াৰ চেকেণ্ডাৰীত কিমান শিক্ষক নিযুক্তি দিছে ? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) ১৯৯১ চনৰ পৰা গুৱাহাটী মহানগৰীত এল, পি, এম, ই , হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলত কিমান শিক্ষক নিযুক্তি দিছে সেই সংখ্যা আৰু তেওঁলোকৰ নাম সহ এখন তালিকা সদনৰ মেজত দাখিল কৰিবনে ?

(গ) সমগ্ৰ অসমতে নিযুক্তি পোৱা শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহাৰ বাবে বছৰি কিমান টকাৰ প্ৰয়োজন হৈছে ?

(ঘ) আৰু নিযুক্তি পোৱাৰ পিছত দৰমহা নোপোৱা কিমান শিক্ষক-শিক্ষয়িত্ৰী আছে জনাবনে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সংশ্লিষ্ট বিষয়া সমূহৰ পৰা এই বিষয়ে তথ্য পাতি বিছৰা হৈছে।

(খ) এল পি স্কুল – ২২৭ জন

এম ই স্কুল – ১৫৪ জন

হাইস্কুল – ১৪০ জন (সঙ্গীত শিক্ষক সহ)

হায়াৰ চেকেণ্ডাৰী স্কুল – ৪৭ জন

তালিকা সদনৰ মেজত দিয়া হল।

(গ), (ঘ) এই বিষয়ে সংশ্লিষ্ট বিষয়া সমূহৰ পৰা তথ্য বিচৰা হৈছে।

## Re.: FLOOD IN SILCHAR TOWN.

**Sri Samarendra Nath Sen asked :**

132. Will the Minister of Flood Control be pleased to state.

(a) Whether the Government is aware that because of damaged Sluices flood water enters Silchar Town ?

(b) Whether it is a fact that these works were incorporated in M & works F.C. (Mechanical) Division, Silchar in 1993?

(c) If so, why fund is not allotted yet and when it would be allotted ?

**Shri Haren Bhumij (Minister Flood Control) replied :**

(a) Yes.

(b) Yes.

(c) Due to constrain of fund full requirement of fund could not be alloted, but fund in instalments have been alloted progressively to take care of the situation.

## Re.: upgradation of High School.

**Sri Karendra Basumatary asked :**

133. Will the Minister of Education be pleased to state:

(a) Whether Government is aware of the fact that Tangla

High School has been upgraded to the status of Higher Secondary School in Arts Stream ?

(b) Whether posts for subject teachers in the School have been alloted and appointed ?

(c) If not, when it can be expected ?

**Sri Gautam Bora [Minister of State Education (Ind)] replied :**

(a) Yes. We accorded permission on request.

(b) Not yet.

(c) As soon as the required fund is available for the purpose.

**বিষয়ঃ গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা।**

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

১৩৪। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধাৰাপুৰৰ পৰা মাঝিৰগাওঁলৈ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কি আঁচনি গ্ৰহণ কৰিছে ?

(খ) বৰ্তমানে এই আঁচনিটো বা আঁচনিকেইটা কি পৰ্যায়ত আছে ?

(গ) এই আঁচনিটো / আঁচনিকেইটা কোন চনত আৰম্ভ কৰিব আৰু কেতিয়া সম্পূৰ্ণ কৰিব ?

(ঘ) স্থায়ী আঁচনিৰ কাম আৰম্ভ নোহোৱালৈকে অস্থায়ীভাৱে কাম আৰম্ভ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

(ঙ) ব্ৰহ্মপুত্ৰৰ পানীয়ে বাৰিষা মাঝিৰগাওঁ অঞ্চলত বানপানীৰ সৃষ্টি কৰি যি সমস্যাৰ সৃষ্টি কৰে, এই সমস্যা সমাধানৰ বাবে পাল্লীৰ পৰা ব্ৰহ্মপুত্ৰ নদীলৈকে এটা ৰিং বান্ধ দিয়াৰ ব্যৱস্থা ১৯৯৪-৯৫ চনত কৰিব নেকি ?

**শ্ৰীহৰেণ ভূমিজ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) উক্ত অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বন্ডাৰ প্ৰটেকচন আঁচনি এখন প্ৰস্তুত কৰি কেন্দ্ৰীয় জল আয়োগলৈ অনুমোদনৰ কাৰণে পঠিওৱা হৈছে।

(খ) এই আঁচনিখন কেন্দ্ৰীয় জল আয়োগে পৰীক্ষা কৰি আছে।

(গ) কেন্দ্ৰীয় জল আয়োগ আৰু পৰিকল্পনা আয়োগৰ অনুমোদন পোৱাৰ পিচত আৰু বিত্তীয় অনুদান সাপেক্ষে উক্ত আঁচনিৰ কাম ৰূপায়িত কৰাৰ কথা বিবেচনা কৰা হব।

(ঘ) এতিয়ালৈ ভবা হোৱা নাই।

(ঙ) এতিয়ালৈ এনেকুৱা আঁচনি চৰকাৰৰ হাতত নাই।

## বিষয় ঃ ৰতনপীঠ কলেজত অধ্যক্ষ নিয়োগ।

শ্ৰীআনোৱাৰ হুছেইনে সুধিছে ঃ

১৩৫। মাননীয় শিক্ষা (উচ্চ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰতনপীঠ কলেজত এগৰাকী বাছনিকৃত অধ্যক্ষ নিয়োগৰ বাবে পৰিচালনা সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰাৰ কেবাবছৰ পাৰ হোৱাৰ পিছতো কোনো জাননী প্ৰচাৰ নকৰা বা বাছনিকৃত অধ্যক্ষ নিয়োগ নকৰাৰ বিষয়ে চৰকাৰ অৱগত নে আৰু অনুসন্ধান কৰি কথাটোৰ সত্যাসত্য জনাবনে ?

(খ) চৰকাৰ এই বিষয়ে অৱগত নে যে পৰিচালনা সমিতিৰ সভাপতি গৰাকী ভাৰপ্ৰাপ্ত অধ্যক্ষৰ নিকট আত্মীয় হোৱা বাবে বাছনিকৃত অধ্যক্ষ নিয়োগৰ কোনো ব্যৱস্থা কৰা হোৱা নাই বুলি ৰাজহুৱা অভিযোগ উঠিছে ?

(গ) যদি অৱগত, অনুসন্ধান কৰি সত্যাসত্য জনাবনে ?

(ঘ) কিছুদিন আগতে পৰিচালনা সমিতিৰ পুনৰ গঠন হোৱাৰ সময়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ গৰাকীয়ে দিয়া তালিকা মতে চৰকাৰৰ মনোনীত সদস্য সকলক মনোনয়ন দিয়াৰ কাৰণ কি ?

শ্ৰীগোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰ অৱগত নহয়।

(খ) এই বিষয়ে চৰকাৰ অৱগত নহয়।

(গ) অৱগত নহয়। সম্প্ৰতি অভিযোগ উঠিছে যেতিয়া অনুসন্ধান কৰা হব।

(ঘ) বিভাগীয় নিয়ম অনুসৰি গঠিত হোৱা পৰিচালনা সমিতিখনৰ সদস্য সকলক মনোনয়ন দিয়া হৈছে।

## বিষয় ঃ প্ৰাপ্ত বয়স্ক শিক্ষা কেন্দ্ৰ।

শ্ৰীপ্ৰফুল্ল কুমাৰ সেনে সুধিছে ঃ

১৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ কিমানখন প্ৰাপ্তবয়স্ক শিক্ষা দিয়াৰ কেন্দ্ৰ আছে ?

(খ) সেই কেন্দ্ৰবোৰত কিমান সংখ্যা প্ৰাপ্ত বয়স্ক মানুহক শিক্ষা দিয়া হল ?

(গ) ইয়াৰ ভিতৰত ধুবুৰী সমষ্টিত কিমান কেন্দ্ৰ আছে আৰু তাত কিমান মানুহ শিক্ষা লৈ আছে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত মুঠ ৪০০ টা প্ৰাপ্ত বয়স্ক শিক্ষা কেন্দ্ৰ আছে।

(খ) সেই কেন্দ্ৰ সমূহত মুঠ ৭১৯৭৮ জন প্ৰাপ্ত বয়স্ক নিৰক্ষৰ লোকক শিক্ষা দিয়া হৈছে। (পুৰুষ ৩৬৪৯৫ জন আৰু মহিলা ৩৫৪৮৩ জন)

(গ) ধুবুৰী সমষ্টিত মুঠ ৪০ টা কেন্দ্ৰ চলি আছে আৰু উক্ত কেন্দ্ৰ সমূহত ১২০০ জন প্ৰাপ্ত বয়স্ক নিৰক্ষৰ লোকে শিক্ষা গ্ৰহণ কৰি আছে।

## বিষয় ঃ শিক্ষক নিয়োগের পদ্ধতি ।

শ্ৰীপ্ৰণব কুমাৰ নাথে জিজ্ঞাস করছেন ঃ

১৩৭। (ক) করিমগঞ্জ জিলার করিমগঞ্জ মহকুমা শিক্ষা উপদেষ্টা কমিটি কর্তৃক ১৯৯১-৯২, ৯২-৯৩,৯৩-৯৪ অর্থ বর্ষ/শিক্ষা অনুযায়ী "এল, পি, স্কুল" এবং "এম, ই, স্কুল, এচচি, এচটি, ওবিচি, এমওবিচি, জেনেরেল শ্রেণীর সর্ব্বমোট কত শিক্ষক কি কি পদ্ধতিতে নিযুক্তি দেওয়া হয়েছে ?"

(সমষ্টি ভিত্তিক শিক্ষক-শিক্ষয়িত্রীদের পুর্ণ নাম, ঠিকনা, বয়স, শিক্ষাগত যোগ্যতা, "পার্চেন্ট অব মার্কচ" নিযুক্তি দেওয়ার তারিখ, স্কুলের নাম, গ্রাম ও শহরের কোন কোন শিক্ষক ও শিক্ষিকা ইত্যাদি বিশদ তথ্যসহ পূর্ণ তালিকা সদনের মেঝে দাখিল করিবেন।)

(খ) "ডাইরেক্তর এলিমেনটরী ইডুকেশ্বন, আচাম কাহিলীপারা" থেকে কোন কোন তারিখে, কোন কোন স্কুলে কত শিক্ষক শিক্ষীকা করিমগঞ্জ জিলায় "ড্রিষ্টিক, এলিমেনটরী এডুকেশ্বন" এর মাধ্যমে নিযুক্তি দেওয়া হয়েছে সকলের নামের তালিকা, নিযুক্তি দেওয়ার সহ বিশদ তথ্য সদনের মেঝে দাখিল করবেন ?

(গ) শিক্ষা বিভাগের শিক্ষক নিযুক্তি দেওয়ার নিয়ম কি কি ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক),(খ)

সবিশেষ তথ্য সংশ্লিষ্ট বিষয়াৰ পৰা বিচৰা হৈছে।

(গ) চৰকাৰৰ চিঠিৰ নং PMA/98/92/pt.I/27, dt. 18-6-93 জৰিয়তে নীতি নিৰ্দেশনী নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে নিৰ্দেশাৱলীৰ নকল এটা Annexure ত সংলগ্ন কৰা হল। (See the Annexure-x)

## বিষয় ঃ প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত উপস্থিতি।

১৩৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্তমান ধেমাজী জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ মুৰব্বী বিষয়া গৰাকী কোন আৰু উক্ত বিষয়া গৰাকী কাৰ্যালয়ত উপস্থিত আছে নে ?

(খ) যদি নাই চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে ?

(গ) জিলা খনৰ ৰাইজ তথা শিক্ষক কৰ্মচাৰীৰ অভিযোগ অনুসৰি যোৱা ইং ১০ জানুৱাৰী '৯৪ ৰ পৰা কাৰ্যালয়ত উপস্থিত নথকাৰো সত্যনে ?

(ঘ) যদি উপস্থিত থকা নাই চৰকাৰে এই বিষয়ক কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (উচ্চশিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শ্ৰীযোগেন বৰা। তেখেতে যোৱা ২০/১/৯৪ তাৰিখৰ পৰা ৩৮ দিনৰ ছুটীৰ দৰখাস্ত দিছে। চৰকাৰৰ আগতীয়া অনুমতি লোৱা নাই।

(খ) ধেমাজী জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকক প্ৰাথমিক শিক্ষা বিষয়াৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। পূৰ্বানুমতি নোলোৱাকৈয়ে অনুপস্থিত থকাৰ বাবে শ্ৰীবৰাৰ পৰা কৈফিয়ৎ তলব কৰা হৈছে।

(গ) চৰকাৰে কোনো অভিযোগ পোৱা নাই।

(ঘ) ওপৰোক্ত (ক) আৰু (খ) উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## বিষয় ঃ জুনিয়ৰ কলেজ।

শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ

১৩৯। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৩ ইং চনৰে পৰা অসমত জুনিয়ৰ কলেজ খুলি ছাত্ৰ/ ছাত্ৰীক শিক্ষা

দান কৰি আছে নেকি ?

(খ) যদি আছে জুনিয়ৰ কলেজবোৰ চৰকাৰে লোৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) নাই। কিন্তু ১৯৮৪-৮৫ চনৰ পৰা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অনুমতি সাপেক্ষে চৰকাৰে উপযুক্ততাৰ ভিত্তিত জুনিয়ৰ কলেজ খোলাৰ অনুমতি প্ৰদান কৰিছে।

(খ) বিষয়টো পুঁজিৰ ওপৰত নিৰ্ভৰ কৰিব আৰু ই চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয় ঃ অনুসূচীত জাতিৰ প্ৰাৰ্থী নিযুক্তি।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

১৪০। ১৬-১১-৯১ ত এলিমেনটৰী এডুকেচনত অনুসূচীত জাতিৰ বাবে কিবা পোষ্ট যেনে- - এ,পি,অ কেইটা, ইউ, ডি, এ কেইটা, এল, ডি কেইটা ,পিয়ন কিমানটা চকীদাৰ কিমানটা, অদিতৰ কিমানটা আৰু এচিছটেণ্ট ছেনচন কৰিছিল নেকি ?

(খ) এই পদ সমূহ পুৰণ কৰিলে নেকি আৰু যদি কৰিলে তেন্তে নিযুক্তি পোৱা সকলৰ নাম সদনৰ টেবুলত দিবনে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৬-১১-৯১ ইং তাৰিখত প্ৰাথমিক শিক্ষাৰ বিভিন্ন কাৰ্যালয়ৰ বাবে অনুসূচীত জাতিৰ বাবদ সুকীয়াকৈ কোনো পদ সৃষ্টি কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

## Re : Breachin embankment of the Brahmaputra river.

**Shri Promode Gogoi asked :**

141. Will the Minister of Flood Control be pleased to state.

(a) Whether the embankment of the Brahmaputra River in the North-Band within the Districts of Dhemaji & Lakhimpur was breached in several place during floods ?

(b) If so, whether steps have been taken for closure of the Breaches by the Department ?

শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(a) Yes.

(b) Yes.

## বিষয় ঃ শিক্ষক নিযুক্তি।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

১৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জালুকবাৰী সমষ্টিৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয় সমূহত বৰ্তমান চৰকাৰে কিমানজন শিক্ষক শিক্ষয়িত্ৰীক নিযুক্তি দিলে ?

(খ) নিযুক্তি দিয়া সকলক কিহৰ ভিত্তিত নিযুক্তি দিয়া হ'ল অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ৫১ জন।

(খ) ১। প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ অনুমোদন ক্ৰমে ১১ জন।

২। পুতৌমূলক নিযুক্তি ৩ জন।

৩। উচ্চ ন্যায়ালয়ৰ আদেশ ক্ৰমে ৩ জন।

৪। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ পৰা আবণ্টন পোৱা ৩৪ জন।

## Re : T.A. Advance.

Shri Zoii Nath Sarma asked :

143. Will the Minister of cooperation be pleased to State:

a) What is the amount that has been drawn as T.A. or Advance T.A. by the Chairman of the ASCARD Bank during 1991-94 (Jan) ?

(b) What is the amount that has been spent by the Chairman, his peon, orderly and other Staff for T.A. Advance

T.A. during the said period?

(c) How the advance T.A. drawn by Chairman and his personal Staff have been adjusted ?

(d) How many times the Chairman, ASCARD Bank has undertaken tour to outside is the STATE ? Date/place and tour programme be shown in details and place for the table of the House.

**Shri Nagen Neog (Minister, Co-operation) replied:**

(a) T.A. Rs. 30,776.00 and T.A. Advance Rs. 77,594.00

(b) T.A. and Advacce T.A. by Chairman Rs. 1,0837.00 and T.A. by his peon and driver is Rs.9,159.00 and Rs. 3,380.00 respectively.

(c) Advance T.A. drawn by the Chairman has not yet been adjusted.

(d) The Chairman draw advance T.A. for nine times.

বিষয় ঃ বিজ্ঞান শিক্ষক নিযুক্তি।

শ্ৰীজীউৰাম বৰোৱে সুধিছে ঃ

১৪৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মধ্য ইংৰাজী বিদ্যালয় সমূহত স্নাতক বিজ্ঞান (বি,এচ, চি) শিক্ষক নিযুক্তি দিয়াটো বাধ্যতামূলক কৰা হৈছে নেকি ?

(খ) যদি কৰা হৈছে এতিয়ালৈ কিমানখন মধ্য ইংৰাজী, মধ্য এম,ভি, বিদ্যালয়ত শিক্ষক দিয়া হল ?

(গ) বড়ো মাধ্যমৰ এনে বিদ্যালয় সমূহৰ বাবে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ বাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বাধ্যতামূলক কৰা হোৱা নাই।

(খ) ৫৪৫৮ খনত।

(গ) সকলো মাধ্যমৰ ক্ষেত্ৰত অনুৰূপ ব্যৱস্থা লোৱা হৈছে।

## বিষয় ঃ মহাবিদ্যালয়ৰ ঘাটি মঞ্জুৰী।

শ্ৰীনজমুলহকে সুধিছে ঃ

১৪৫। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে !!

(ক) চৰকাৰে এই বিত্তীয় বছৰত অসমৰ কিমানখন মহাবিদ্যালয়ক ঘাটি মঞ্জুৰী দিয়াৰ আঁচনি কৰিছে ?

(খ) উক্ত মহাবিদ্যালয়ৰ ভিতৰত নগাওঁ জিলাৰ ৰূপহী মহাবিদ্যালয়খন কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চলিত বিত্তীয় বছৰত (১৯৯৩-৯৪ চনত) বৰ্তমানলৈকে নতুন মহাবিদ্যালয়ক ঘাটি মঞ্জুৰীৰ অধীনলৈ অনাৰ আঁচনি নাই। অৱশ্যে অহা বছৰৰ বাবে উপযুক্ততাৰ আৰু প্ৰয়োজনৰ ভিত্তীত কলেজ লোৱাৰ কথা চিন্তা কৰা হৈছে।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ গ্ৰাম্য বৈদ্যুতিকৰণ।

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

১৪৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে !!

(ক) মৰিগাওঁ জিলাৰ মৰিগাওঁ সমষ্টিৰ কোন কোন অঞ্চলত গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিত বিদ্যুৎ সৰবৰাহ কৰা হৈছে জনাবনে ?

(খ) উক্ত সমষ্টিৰ কিছু অঞ্চলত খুটি থিয় কৰিয়েই বিদ্যুৎ যোগান দিয়া বুলি ঘোষণা কৰিছে নেকি ?

(গ) মৰিগাওঁ সমষ্টিৰ অন্তৰ্গত কালিকাজাৰী গাওঁত গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিত বিদ্যুৎ যোগান দিয়া এলেকা বুলি ঘোষণা কৰা হৈছে নেকি ?

(ঘ) মৰিগাওঁ সমষ্টিৰ অন্তৰ্গত নমাবস্তি, কলিজান, টুমুকাবড়ি আৰু দিঘলীপথাৰ এলেকাত বিদ্যুৎ যোগানৰ বাবে কৰি অহা আবেদনৰ ভিত্তিত ব্যৱস্থা লোৱা হব নে ?

শ্ৰীগোপীনাথ দাস (ৰাজ্যিক শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাওঁ থানাৰ পিয়ল ভুক্ত ২১০ খন গাওঁ ১৯৯৩ চনৰ ৩১ মাৰ্চলৈকে বৈদ্যুতিকৰণ কৰা হৈছে।

(খ) গ্ৰাম্য বৈদ্যুতিকৰণ নিয়মমতে গ্ৰাম্য অঞ্চলত বিদ্যুৎ যোগানৰ আহিলা-পাতি/সা-সৰঞ্জাম, স্থাপন কৰা গাওঁ সমূহ বৈদ্যুতিকৰণ অন্তৰ্ভুক্ত গাওঁ বুলি ধৰা হয়।

(গ) উক্ত অঞ্চলৰ কালিকাজাৰী গাওঁখন ইতিমধ্যে বৈদ্যুতিকৰণ গাওঁ বুলি ধৰা হৈছে কিন্তু বৈদ্যুতিকৰণ সামগ্ৰী সমূহ চুৰি হোৱাত সম্প্ৰতি বিদ্যুৎ যোগান ব্যাহত আছে।

(ঘ) উক্ত অঞ্চলত গাওঁ সমূহত বৈদ্যুতিকৰণৰ বাবে অন্তৰ্ভুক্ত কৰা হৈছে যদিও প্ৰয়োজনীয় বিত্তীয় পুঁজিৰ অভাৱত আঁচনি সমূহ কাৰ্যকৰী কৰিব পৰা নাই।

## বিষয় ঃ অসম সমবায় সুতাকল বইটামাৰী।

**শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ**

১৪৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বইটামাৰী সমবায় সুতাকলত চৰকাৰে কিয় আৰ্থিক সাহাৰ্য্য দিয়া নাই ?

(খ) বইটামাৰী সমবায় সুতাকলটো বাকী থকা ৬ কোটি চৰকাৰে দিয়া ব্যৱস্থা হাতত লৈছেনে ?

(গ) কৰ্মচাৰী সকলৰ দৰমহা আৰু কেচা সামগ্ৰী ক্ৰয় কৰাৰ বাবে চৰকাৰে অনুদান দিয়াৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীনগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰকল্পৰ নিৰিখ অনুযায়ী টকা আদায় দিয়া হৈছে।

(খ) বিবেচনাধীন হৈ আছে।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ কাছাৰ জিলাত শিক্ষক নিযুক্তি।

**শ্ৰীপৰিমল শুক্ল বৈদ্যই সুধিছে ঃ**

১৪৮। মাননীয় প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাবনে ঃ

(ক) মহকুমা শিক্ষা উপদেষ্টা বোৰ্ডৰ কৰ্তৃপক্ষই সমগ্ৰ কাছাৰ জিলাত ১৯৯১-৯২,১৯৯২-৯৩,১৯৯৩-৯৪ চনত অৰ্থবৰ্ষ অনুযায়ী এল পি, স্কুল আৰু এম, ই, স্কুলবোৰত সৰ্বমুঠ কিমান জনক শিক্ষক পদত নিযুক্তি দিয়া হৈছে ? (প্ৰতিজন প্ৰাৰ্থীৰ নাম, শিক্ষাগত যোগ্যতা, বয়স, পাৰচেনটেজ অৱ মাৰ্ক্চ, এচ,চি,/এচ,টি,/অ,বি,চি/এম,অ,বি,চি আদি পূৰ্ণ ঠিকনা সহ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) ডিৰেক্টৰ, ইলিমেনটৰী, ইডুকেচন, কাহিলীপাৰাৰ পৰা ডিছট্ৰিক ইলিমেনটৰী অফিচৰ পৰা কাছাৰ আৰু ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ অৰ্থবৰ্ষ অনুযায়ী এডিচনেল পোষ্ট বণ্টন (এলট) কৰা হৈছে আৰু সৰ্বমুঠ সহকাৰী শিক্ষক নিযুক্তি দিয়া হৈছে নে ?
(উপযুক্ত বিৱৰণ সহ সদনৰ মেজত দাঙি ধৰিব।)

(গ) কি কি নিয়ম অনুযায়ী নিযুক্তি দিয়া হৈছে।

শ্ৰীগৌতম ববা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এল পি স্কুল - ৬৪৬
এম ই স্কুল - ৩৭১

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| (খ) | | ১৯৯১-৯২ - | ২৭১ | | ১৯৯১-৯২ - | ৬৩৯ |
| | এম ই স্কুল | ৯২-৯৩ - | X | এল পি স্কুল | ৯২-৯৩ - | X |
| | | ৯৩-৯৪ - | ১০০ | | ৯৩-৯৪ - | ৭ |
| | | | ৩৭১ | | | ৬৪৬ |

(ক) আৰু (খ)ৰ তালিকাখন সদনৰ মেজত ৰখা হ'ল)

(গ) চৰকাৰী অধিসূচনা পি,এম, এ ১৯৪/৯২/অংশ ১/২৭, ১৪-৬-৯৩ৰ মতে নিযুক্তি সমূহ দিয়া হয়।

## বিষয় ঃ কলকলিঘাট সমবায় সমিতি।

শ্ৰীমধুসূদন তেওয়াৰীয়ে জিজ্ঞাস করেছন ঃ

১৪৯। মাননীয় সমবায় বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) চরকার কি অবগত করিমগঞ্জ জিলার কলকলিঘাট সমবায় সমিতি (রেজি নং-K-10 dtd. 9.5.73) ১৯৮৫/৮৬ ইংরাজিতে ৬৬০০০.০০ টাকা ব্যয়ে

২০ মেট্রিক টন পরিমানের সমিতির নিজস্ব জমিতে অফিস ও গোদাম নির্মান করে এবং ৮৮/৮৯ ইংরাজিতে দক্ষিন কচুবাড়ীতে ৪ কিঃ মিঃ দুরে বন্যা কবলিত স্থানে ৫ মেট্রিক টন পরিমানের ১,৫০,০০০.০০ টাকা ব্যয়ে একটি সাব সেন্টার তৈরী করতঃ মূল অফিচ ও গোদাম স্থানান্তরিত করেন অথচ কলকলিঘাটে অবস্থিত মূল অফিচ ও গোদাম ঘরটি অব্যবহৃত অবস্থায় পড়িয়া রহিয়াছে ?

(খ) তাহার কারণ কি ?

(গ) উক্ত সমিতি স্থানান্তরিত হওয়ার পূর্বে মূলধন ছিল প্রায় একলাখ টাকা, বর্তমানে উক্ত সমিতির মূলধন শূন্য সমিতির সেইলমেনের টাকা দিয়ে কাজ চালানো যাইতেছে, তাই সরকার উক্ত বিষয়ে উপযুক্ত তদন্ত ক্রমে সমিতিটিকে সচল করে তুলতে সচেষ্ট হবেন কি ?

(ঘ) কলকলিঘাটে মূল অফিস ও গোদাম পুনরায় স্থানান্তরিত করার ব্যবস্থা গ্রহণ করিবেন কি ?

(ঙ) উক্ত সমিতির তহবিল তছরূপ করীগনের বিরুদ্ধে গ্রহণ করা হইবেকি ?

শ্রীনগেন নেওঁগ (সমবায় বিভাগর মন্ত্রী) মহোদয়ে উত্তর দিছেন ঃ

(ক) ইং ১৯৮৫/৮৬ ইরেজিতে কলকলিঘাট সমবায় সমিতি ৮০,৯৩৯ টাকা ব্যয়ে ১৫০ মেট্রিক টন ক্ষমতা সম্পন্ন গোদাম ঘর ও কার্যালয় গৃহ নির্মান করে। ১৯৮৮-৮৯ ইংরেজিতে উক্ত সমিতি ৫/৬ কিঃ মিটার দুরে কচুবাড়ীতে একটি ৭০ মেট্রিক টন ক্ষমতা সম্পন্ন সাব সেন্টার নির্মান করে।

(খ) বর্তমান করিমগঞ্জের মুন্সেফ (১) আদালতের স্থগিতাদেশ বলবত থাকার মূল গোদাম ঘরটি ব্যবহার করা সম্ভব হয় নাই।

(গ) উক্ত সমবায় সমিতি স্থানান্তরিত হওয়ার সময় অর্থাৎ ৩১।৩।৮৯ ইং পর্যন্ত সমিতির মূলধন ছিল ৭২,৪৬৩,৪০ টাকা। বর্তমানে সমিতির আর্থিক অবস্থা শোচনীয় । তৎসত্তেব ও সম্পাদক কর্তৃক সাময়িক ঋণ সংগ্রহ সমিতির ব্যবসায় চলিতেছে বিধানের জন্য প্রয়োজনীয় পদক্ষেপ বিবেচনা করা হইতেছে।

(ঘ) বিষয়টি আদালতের বিচারাধীন থাকায় এই বিষয়ে সিদ্ধান্ত নেওয়া যাইতেছে

না।

(ঙ) তহবিল তছরূপ কারীদের বিরূদ্ধে ব্যবস্থা গ্রহণ করা হইতেছে।

## Re : Construction of Sluice Gate.

**Shri Mission Ranjan Das asked:**

150. Will the Minister of Flood Control be pleased to State :

(a) Whether the Government will construct two Sluice gate on the embankment one at Charbazer near B.S.F. camp and another at Kuripatty in Karimganj two along the river Kushiara as per representation submitted by the questioner on 4/2/94 ?

(b) If yes, when it will be constructed ?

(c) If not, state reasons thereof ?

**Shri Haren Bhumij (Minister, Flood control) replied :**

(a) One hume pipe culvert has been proposed to be constructed at charbazar near B.S.F. camp at Karimaganj. There is no proposal for any sluice at Kuripatty at present.

(b) The hume pipe culvert at Charbazar is expected to be completed by the D.R.D.A. Karimganj during the current working season.

(c) Construction of a sluice culvert at Kuripatty is technically not found feasible.

**Mr. Speaker** : Question Hour is over.

## Point of Order

✪ শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অব অৰ্ডাৰ

আছে। যোৱা কালি আমাৰ বিৰোধী দলৰ দলপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত হোজাইত চলি থকা বিশ ইষ্টিমাৰ খবৰ লবলৈ গৈছিল আৰু তাৰ পৰা ঘুৰি আহোতে হোজাইৰে দিলীপ বৰ্দ্ধনৰ ঘৰত সোমাই ভাত পানী খাই আহিছিল। সেইদিনাই ৰাতি এঘাৰ মান বজাত তাৰ চাৰ্কোল ইন্সপেক্টৰ বিৰেণ ৰায় চৌধুৰীয়ে আহি বৰ্দ্ধনৰ ঘৰ লণ্ডভণ্ড কৰে। এতিয়া কথা হ'ল বিৰোধী দলৰ দলপতি এজন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী এজন কোনোবা এজন লোকৰ ঘৰত খবৰ লবলৈ সোমালে, সেই মানুহজনৰ কিবা অপৰাধ হয় নেকি, অধ্যক্ষ মহোদয় এইটোৰ এটা তদন্ত কৰিব লাগে। আমি যিহেতু আপোনাৰ কাষ্টডীত আছো, আপুনি এই বিষয়ত এটা ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ ঃ মই এইটোৰ তদন্তৰ ব্যৱস্থা কৰিম।

✪ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি জনাত এই দিলীপ বৰ্দ্ধনৰ বিৰুদ্ধে কোনো কেচ আদি নাছিল । কি কাৰণত এই বিৰেণ ৰায় চৌধুৰী নামৰ পুলিচ বিষয়াজনে এনে অত্যাচাৰ চলাবলৈ পালে ? অধ্যক্ষ মহোদয়, আমি জানিবলৈ পাইছো, এই পুলিচ বিষয়াজনে শ্ৰীঅৰ্দ্ধেন্দু দেৰ নিৰ্দ্দেশমতে এই কাম বিলাক কৰি থাকে, এইটোৰ এটা তদন্ত অতি সোনকালে কৰিব লাগে।

✪ শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য ও অসামৰিক যোগান মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে মোৰ ওপৰত এটা মিছা অভিযোগ আনিছে। এই দিলীপ বৰ্দ্ধন নামৰ লোকজনৰ প্ৰেছত কিছুমান আপত্তিজনক কাগজ, পষ্টাৰ আদি ছপোৱাৰ বাবে, ৰাজহুৱা শান্তি ভঙ্গৰ আশংকাত তেওঁৰ বিৰুদ্ধে এটা কেচ ৰুজু কৰা হৈছিল। আৰু তেওঁক এবাৰ টাড়াটো গ্ৰেপ্তাৰ কৰা হৈছিল।

মাননীয় অধ্যক্ষ ঃ আমাৰ বিৰোধী দলৰ দলপতিৰ ক্ষেত্ৰত এনেকুৱা এটা ঘটনা হৈছে যেতিয়া মই নিশ্চয় তদন্ত কৰিম।

✪ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী শ্ৰীদেই কৈছে যে, তেওঁৰ বিৰুদ্ধে কেচ চলি আছে কাৰণে তেনে কৰা হৈছে । তেওঁৰ বিৰুদ্ধে এনে যদি কিবা কেচ আছিলেই , ইমান দিনে তেওঁক গ্ৰেপ্তাৰ নকৰিলে কিয়। মই যোৱাৰ পিছতে ৰাতি চাৰে এঘাৰ বজাত এই বিলাক উৎপাত কৰাৰ কি যুক্তি থাকিব পাৰে। (ভইচ ঃ চেম, চেম) । এইটো এটা নিৰপেক্ষ তদন্ত হব লাগে। অধ্যক্ষ মহোদয়, এইটো বিষয়ত সকলো দলৰ ব্যক্তিয়েই বক্তব্য ৰাখিব এই পুলিচ বিষয়াজনে কাৰ নিৰ্দ্দেশত কাম কৰি আছে।

✪ Speech not corrected

✪ শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা এটা ঘটনাৰ লগত এজন মন্ত্ৰী জৰিত থকাটো বৰ দুৰ্ভাগ্যজনক। ইয়াৰ অতি সোনকালে তদন্ত হব লাগে।

## Announcement from the Chair

মাননীয় অধ্যক্ষ ঃ এইটো তদন্ত কৰাৰ ব্যৱস্থা কৰিম বুলি কৈছোৱেই আৰু বেছি কোৱাৰ দৰকাৰ নাই।

I have taken up the matter, that is enough.

I have called a meeting of the Leaders of various Legislature Parties/groups in my Office Chambar at 5.00 p.m. on 8th April, 1994 to discuss about the taking up for consideration and passing of various Bills before the House.

In the meeting it has been unanimously decided that there would be no items like Zero Hour. Rule under 54 and Rule under 301 on 9th and 11th April, 1994 as these two days i.e. 9th and 11th April, 1994 are extended days as per decission of the Business Advisory Commitee for consideration and passing of Bills. Therefore, the meeting has decided that no other business except Questions and Bills would be taken up on these two days.

The meeting has also decided that the 5 Bills, such as, (1) The Assam Panchayat Bill, 1994, (2) The Assam Municipal (Amendment) Bill, 1994, (3) The Assam State Commission for Women Bill, 1994, (4) The Assam Agricultural Income Tax (First Amendment) Bill, 1994, and (5) The Assam Agricultural Income Tax (Second Amendment) Bill, 1994 are to be considered and passed today in both the sittings.

In the first sitting, the Committee has decided that the discussion on consideration stage of The Assam Panchayat Bill, 1994

✪ Speech not corrected

should be completed by 12.30 p.m. and the amendments to the clauses during the consideration of clause by clause shall be taken up and disposed of.

The meeting has also decided that only the movers of the amendments will speak in the amendment time in a very limited way. The Committee has decided to pass the Assam Panchayat Bill, 1994 in the House during the first half of the Assembly today.

In the second half, the other 4 Bills would be considered and passed as decided by the meeting. The other items, such as, laying of Rules and introduction of new Bills are formal in character and would not take much time.

I hope this has the approval of the House.

(approved)

Now, item No. 2. Shri Golok Rajbonshi, Minister Parliamentary Affairs is to lay.

## Laying of Rules

**Shri Golok Rajbongshi (Minister, Parliamentary Affairs) :** Sir, I beg to lay " the Assam Legislative Assembly Members' Salaries, Allowences and pensions (Amendment) Rules, 1994."

(noise............noise..........)

**Shri Dewan Joynal Abedin :** We oppose the introduction of the Bill.

(noise............noise..........)

(Hon'ble members Dewan Joynal Abedin, Shri Nazmul Haque and Shri Sasha Kamal Handique staged walk out from the House).

**মাননীয় অধ্যক্ষ ঃ** যিসকল সদস্যৰ সদনৰ কাম-কাজ ভাল লগা নাই তেওঁলোকে সদন ত্যাগ কৰক। ইয়াত গণ্ডোগোল কৰি থকাটো ভাল নহয়।

Now item No. 3. Minister, Parliamentary Affairs to move.

# Introduction of Government Bills

**Shri Golok Rajbongshi, (Minister Parlimentary Affairs):** Sir, I beg leave to introduce "The Assam Ministers', Ministers' of State and Deputy Ministers' Salaries and Allowances (Amendment) Bill, 1994.

**Mr. Speaker :** Is it the Pleassure of the House to grant leave ?

(Leave is granted)

There is a message from the Governor of Assam.

Raj Bhaban,
Guwahati,
April 08, 1994.

**ORDER**

Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction of The Assam Ministers', Ministers' of State And Deputy Minister' Salaries and Allowances (Amendment) Bill, 1994, in the Assam Legeslative Assembly.

sd/- Loknath Mishra,
Governor of Assam.

Now, Minister, Parliamentary Affairs to introduce.

**Shri Golok Rajbongshi, (Minister Parlimentary Affairs):** Sir, I beg to introduce The Assam Ministers', Ministers' of State and Deputy Ministers Salaries and Allowances (Amendment) Bill, 1994.

(Secretary, ALA, read out the title of the Bill)

**Mr. Speaker :** Now, item No. 4. Minister, Parliamentary Affairs to move.

Shri Golok Rajbongshi (Minister, Parliamentary Affairs): Sir, I

beg leave to introduce "The Assam Speaker' Salaries and Allowances (Amendment) Bill, 1994."

**Mr. Speaker :** Is it the pleasure of the House to grant leave ?

(Leave is granted)

There is a message from the Governor of Assam.

**RAJ BHAWAN**

**GUWAHATI**

**April 08. 1994.**

**ORDER**

Under the provision of Article 207 (1) of the Constitution of India: I, Loknath Mishra, Governor of Assam, recommend the introduction of The Assam Speaker's Salaries and Allowance (Amendment) Bill, 1994, in the Assam Legislative Assembly.

**sd/-Loknath Mishra,**

**Governor of Assam.**

Now, Minister, Parlimentary Affairs to introduce.

**Shri Golok Rajbongshi (Minister, Parliamentary Affairs) :** Sir, I beg to introduce "The Assam Speaker's Salaries And Allowances (Amendment) Bill, 1994.

(Secretary, ALA, read out the title of the Bill).

**Mr. Speaker :** Now, item No. 5. Minister, Parliamentary Affairs to move.

**Shri Golok Rajbongshi (Minister, Parliamentary Affairs) :** Sir, I beg leave to introduce "The Assam Deputy Speaker's Salaries and Allo wances (Amendment) Bill, 1994."

**Mr. Speaker :** Is it the pleasure of the House to grant leave ?

(Leave is granted)

There is a message from the Governor of Assam.

RAJ BHAWAN
GUWAHATI
April 08. 1994.

ORDER

Under the provision of Article 207 (1) of the constitution of India, I, Loknath Mishra Governor of Assam, recommend the introduction of The Assam Deputy Speaker's Salaries and Allowances (Amendment) Bill, 1994 in the Assam Legislative Assembly.

sd/- Loknath Mishra,
Governor of Assam.

Now, Minister, Perlimentary Affairs to introduce.

**Shri Golok Rajbongshi (Minister, Parliamentary Affairs) :** Sir, I beg to introduce "The Assam Deputy Speaker's Salaries And Allowances (Amendment) Bill, 1994.

(Secretary, ALA, read out the title of the Bill)

**Mr. Speaker :** Now, item No. 6. Hon'ble Minister, Parliamentary Affairs, Shri Golok Rajbongshi.

**Shri Golok Rajbongshi (Minister, Parliamentary Affairs) :** Sir, I beg leave to introduce "The Salary and Allowances of the Leader of the Opposition in the Assam Legislative Assembly (Amendment) Bill, 1994.

**Mr. Speaker :** Is it the pleasure of the House to grant leave to introduce ' The Salary and Allowances of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill, 1994.

(Leave is granted)

There is a message from Governor of Assam,

RAJ BHAWAN

GUWAHATI

Dated April 08,1994.

ORDER

Under the provision of Article 207(1) of the constitution of India, I, Loknath Mishra, Governor of Assam, recommend the introduction of The Salary and Allowance of the Leader of the Opposition in the Assam Legislative Assembly (Amendment) Bill, 1994 in the Assam Legislative Assembly.

sd/ Loknath Mishra,

Governor of Assam.

Now, Minister, Perlimentary Affairs to introduce the Bill.

**Shri Golok Rajbongshi (Minister, Parliamentary Affairs)** : Sir, I beg to introduce "The Salaries And Allowances of the Leader of the Opposition in the Assam Legislative Assembly (Amendment) Bill, 1994

(Secretary, ALA, read out the title of the Bill).

**Mr. Speaker** : Now, Item No. 7(a) :

There is a message from Governor of Assam,

RAJ BHAWAN

GUWAHATI

Dated April 08,1994.

ORDER

Under the provision of Article 207(3) of the constitu-

tion of India, I, Loknath Mishra, Governor of Assam, recommend the Assam Panchayat Bill, 1994 be taken into consideration by the Assam Legislative Assembly.

sd/ Loknath Mishra,
Governor of Assam.

Now, Minister, Panchayat to move

Consideration and passing of the Government Bills.

**Dr. Bhumidhar Barman (Panchayat Minister)** : Sir, I beg to move that "The Assam Panchayat Bill, 1994 be taken into consideration.

(Secretary, ALA, read out the title of the Bill).

**শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়,এই কথাটো মই সিদিনাও কৈছিলো আৰু আজিও মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো যে এই এক্ট খনৰ দুটা চেক্চনৰ ওপৰত কেচ চলি আছে। গতিকে এইটো চাবজুডিচ হয় নে নহয় ? যদি নহয় তেনেহলে আমি বিষয়টো আলোচনা কৰো। এইটো কি পৰ্যায়ত আছে সেইটো সদনে জনা উচিত। গতিকে বিষয়টো মন্ত্ৰী মহোদয়ে স্পষ্ট কৰি দিব লাগে।

**শ্ৰীযতীন মালী** ঃ মাননীয় অধ্যক্ষ মহোদয় , এই বিলখনৰ সম্পৰ্কত আমি কৈছো যে এই বিলখনৰ বিৰুদ্ধে এটা গোচৰ হাইকোৰ্টত পঞ্জীভুক্ত হৈছে। গতিকে এইটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নে নাই আৰু সেই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লব বিচাৰিছে সেইটো আমাক স্পষ্ট কৰি দিব লাগে।

**ডাঃ ভূমিধৰ বৰ্মন (পঞ্চায়ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মহকুমা পৰিষদবোৰ এতিয়া ডিজল্ভ কৰা নহয়। যেতিয়া জিলা পৰিষদবোৰৰ ইলেকচন হৈ যাব তেতিয়াহে হব, তাৰ আগতে নহয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ দুটা চেক্চনৰ বিৰুদ্ধে হাইকোৰ্টত এটা কেচ চলি আছে। এইটো যেতিয়ালৈকে ডিচপজ্‌দ অফ নহয় তেতিয়ালৈকে আমি কি কৰিব লাগিব সেইটো আইন মন্ত্ৰীয়ে যুক্তি দাঙি ধৰিব পাৰিব। গতিকে এই ক্ষেত্ৰত আইন মন্ত্ৰীৰ অপিনিয়ন লোৱা ভাল হব।

**শ্ৰীযতীন মালী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ সম্পৰ্কত আৰ্টিকল-২৪৩ (চি) চাব

চেক্‌চন ৫(বি)ৰ ওপৰত চেলেঞ্জ কৰা হৈছে। এই সম্পৰ্কত কি ব্যৱস্থা হব তাৰ আমি স্পষ্টীকৰণ বিচাৰিছো।

**শ্ৰীদেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাইকৰ্টত যি কেচ পেন্দিং হৈ আছে সেই সম্পৰ্কত মই সবিশেষ নাজানো। হাইকোৰ্টক প্ৰেয়াৰ দিয়া হৈছিল মহকুমা পৰিষদবোৰ ডিজল্‌ভ্‌ কৰা সম্পৰ্কত। তেওঁলোকে ইন্টেৰিম অৰ্ডাৰ দিছে মহকুমা পৰিষদবোৰ ডিজল্‌ভ্‌ নকৰিবৰ বাবে। সেই কাৰণে মহকুমা পৰিষদবোৰ ডিজল্‌ভ্‌ কৰাৰ কোনো সিদ্ধান্ত চৰকাৰৰ নাই। যেতিয়া ডিজল্‌ভ্‌ কৰা হয় তেতিয়া এটা প্ৰচিডিউৰ মতেহে কৰা হব।

# Consideration and Passing of the Government Bills

In terms of Constitutinal Amendement No. 73 and this 73rd Constitutional amendment was ratified by this House itself and amendment was brought in conformity with the provisions of the 73rd Constitutinal amendment. Constitutinal amendment when there is an Ordinance passed and promulgated and which holds the sway as a law of the land in a particular time. It is a legal and constitutinal requirement. Ordinance is already there and it is law of land. At this moment, therefore, this Ordinance, as per the Constitutional requirement- as per the provisions has to be replaced by an Act passed by the Assembly. Therefore, this Panchayat Bill has been introduced in order to replace the Ordinance which is already there. Therefore, I think this is not strictly in the sense sub judice.

**Shri Chandra Mohan Patowary :** Sir, we have agreed on principle. But already a confusing statement he has made regarding the two sections of the Ordinance. These two sections are

challanged by two petitioners before the honourable High court. It has been said that this cannot be discussed in the House because it is subjudice. My submission before you is in response to the deliverance of the Honourable Law Minister and Honourable Panchayat Minister. Let Government get a clearification from the High Court whether these provisions of the said Ordinance have been challanged and then we may fix up a date for discussion.

✪ **শ্ৰীযতীন মালী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰাল্মিয়ামেণ্টৰী মন্ত্ৰীৰ পৰা এটা কথা জানিব বিচাৰিছো যে আইন মন্ত্ৰীয়ে যিটো কথা কৈছে তেখেতৰ ষ্টেন্দটো ক্লিয়েৰ হোৱা নাই। যিটো কথা তেখেতে কেচ কৰা বুলি সদনত জনাইছে। কনষ্টিটিউচন ২৪৩(চি) চাব চেকচন ৫(বি). (Quoted Section 243(c) and Sub-sec 5(d) - Panchayat at the intermediate level and district level shall be elected by the elected members)

✪ **Shri Holiram Terang :** Sir, I understand all the legalities of the issue. But even if we do not discuss the Bill to-day in the House the Ordinance remains. Even if a case is pending in the High Court, the Ordinance continue to remain valid. Those provisions will remain there where it is now, until and unless these are struck down by the Court, either High Court or Supreme Court. Till these are struck down by the Court of law these provisions continue to remain. I may not agree with the provisions and whether we discuss the bill to-day or not, the Ordinance shall remain.

✪ **Shri Golok Rajbangshi (Minister) :** High Court can interefere with the provisions of Law. It is this House which can make laws without going against the Constitution. Now, Sir, those cases relate to the existing provisions of the Panchayat Ordinance.

---

✪ Speech not corrected

The Ordinance is existing and now we are going to replace the old law. It is the duty of the Legislature to replace the old law otherwise it will create problems.

**শ্ৰীভৃগু চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়,আইন মন্ত্ৰীয়ে এটা কথা স্পষ্ট কৰা নাই। পঞ্চায়ত এক্ট উত্থাপন কৰিছে ইয়াত জুদিচিয়াৰি আৰু লেজিস্লেচাৰৰ মাজত কনফিউজ হব নালাগে। আইন মন্ত্ৰীয়ে অৰ্ডিনেন্স দুটা চেকচনৰ এগেইনষ্টে কোৰ্টত চেলেঞ্জ কৰিছে বুলি কৈছে। গতিকে এই অৰ্ডিনেন্স আৰু চেকচন বাদ দি এক্ট কৰিব পৰা হব নেকি ? এই সম্পৰ্কত কিবা প্ৰিসিডেন্ট আছে নেকি ?

**শ্ৰীদেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটা প্ৰভিজনৰ এগেইনষ্টে চেলেঞ্জ কৰিছেনে ৩ টাৰ এগেইনষ্টে কৰিছে মই ৰিড পিটিচনত কি আছে নাজানো।

**শ্ৰীজয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয় এমেন্দমেন্টৰ আগত আৰু এটা কথা আছে। যিখন চাৰ্কুলেট কৰিছে তাত চাব চেকচন ওৱান, Sec.6(1), Sec.9(1), Sec.35(1) (2) 46(1), 69(1), 90(1) ইয়াত দুটা চাব চেকচনত ২ টো নাই। গোটেই কেইটা কথা চাব চেকচনত কিয় নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

**ডাঃ ভূমিধৰ বৰ্মণ (পঞ্চায়ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰিণ্টিং মিচটেক হব পাৰে।

**শ্ৰীজয়নাথ শৰ্মা ঃ** তেতিয়া হলে আপোনালোকে এমেন্দমেণ্ট আনক।

**ডাঃ ভূমিধৰ বৰ্মণ (পঞ্চায়ত মন্ত্ৰী) ঃ** এইটো প্ৰিণ্টিং মিচটেক হৈছে।

**শ্ৰীদেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় , দুটা প্ৰভিজনৰ এগেইনষ্টে চেলেঞ্জ কৰিছেনে ৩ টাৰ এগেইনষ্টে কৰিছে, মই ৰিট পেটিচনত কি আছে নাজানো।

It is the duty of this Government to replace the Ordinance as the Minister incharge Parliamentary Affairs has said. The Ordi nance is very much the law of the land now. The replacement of the Ordinance by an Act of this House is a constitutional requirement, and it is the duty of the Government and the Legislature to act accordingly. If it has been

✪ Speech not corrected

challanged on two sections of the Ordinance, they can do the same in case of Act as well. But if we do not replace the Ordinance by this Act, There will be constitutional violations and therefore Sir, I demmend that this Act should be passed by this August House.

✪ **শ্ৰীজয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আজি এইখন পাছ কৰিব নোৱাৰো। চাব জুদিচ হৈ আছে। গতিকে চৰকাৰৰ ওচৰলৈ আহিব লাগিব।

✪ **Shri Debananda Konwar ( Law Minister) :** Sir , it is within the competence of the House to pass the Act.

**Mr. Speaker :** I agree with Honourable Minister for Parliamentary Affairs. I have also heard honourable Shri Holiram Terang, Shri Chandra Mohan Patowary, Mr. Zoii Nath Sarma, Shri Bharat Narah and others and there after, now,

I Put question before the House. The question is that ' The Panchayat Act 1994 be taken into consideration'.

(The motion is adopted)

I now call upon Hon'ble Minister, Panchayat and Rural Development to move the motion Assam Panchayat Bill, 1994, taken into consideration clause by clause.

(The motion is passed)

Now, Item No.7(b). I now call upon Hon'ble Members, Shri Hitendra Nath Goswami and Shri Zoii Nath Sarma to move the Amendment motion. on Item No. 7, sub-clause (i). Hon'ble Member Shri Zoii Nath Sarma.

✪ **শ্ৰীজয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে মাইণ্ড এপ্লাহি নকৰাকৈ ততাতৈয়াকৈ এই বিলখন আনিছে। আগতে অৰ্ডিনেন্স জাৰি কৰি এতিয়া সংবিধানৰ দোহাই দি এই বিল সদনত আনিছে। এই বিলখন ইয়াত পাছ হোৱাৰ আগতে কেইটামান কথা বিবেচনা কৰাৰ প্ৰয়োজন বুলি মই অনুভৱ কৰো। ইয়াৰ লগত কেইবাটাও জৰুৰী

✪ Speech not corrected

কথা জড়িত হৈ আছে। এই বিলখনৰ জৰিয়তে পঞ্চায়তৰ হাতত যিবোৰ ক্ষমতা দিব কিবা হৈছে — যেনে- শিক্ষা, বন, মীন আদিকে ধৰি যিবোৰ বিভাগ দেখুৱা হৈছে —এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়, মই চৰকাৰৰ পৰা এটা কথা জানিব বিচাৰিছো যে এই বিলখনত পঞ্চায়তত এই বিভাগবোৰ ইনকৰপৰেট কৰিবৰ কাৰণে ক্ষমতা দিয়া হৈছে নে নাই ? The Elementary Education (Provincialisation) Act, 1974, Elementary Education (Provincilasation) Rules, 1977 Higher Secondary Education Act, 1984, Secondary Education Act, 1961, Secondary Education (Provincialisation) Act, 1977, Non Government Schools and College Employees Centralised Provident Fund Act, 1969, Secondary Education (Provincialisation) (Survice Conduct) Rules, 1979, EducationDepartment Selection Rules, 1979 এই গোটেই এক্টবোৰত ক্ষমতা ভগা সম্পৰ্কে কথা সুমুৱা নাই। কিয়নো সেই বিভাগবোৰৰ নিজৰ নিজৰ আইন আছে। এতিয়া দুটা এক্ট কৰাৰ জৰিয়তে কোনে কি ইমপ্লিমেণ্ট কৰিব সেইটো এক্টত স্পষ্টকৈ নথকাত প্ৰয়োগ কৰোতে যথেষ্ট খেলিমেলিৰ সৃষ্টি হব। অন্যান্য যিবোৰ বিশেষ ব্যৱস্থা ইয়াত ৰখা হৈছে General Provision এই গোটেইবোৰ যিবোৰ দেখুৱা হৈছে ৰাজ্য চৰকাৰৰ ক্ষমতাৰ অধীনত। এইবোৰ ষ্টেটপিষ্টৰ সংশোধনীৰ existing provision of the various Acts and Rules. এইবোৰৰ কি ব্যৱস্থা হব ? আজি চৰকাৰে নিৰ্দেশ দিছে যে এলিমেণ্টেৰী চেকেণ্ডাৰী স্কুলৰ শিক্ষক নিৰ্বাচনৰ কাৰণে এখন বোৰ্ড থাকিব। এলিমেণ্টেৰী এডুকেচনৰ সম্পৰ্কত বোৰ্ডে ডি, আই সকলক পৰামৰ্শ দিব আৰু তেওঁলোকৰ অনুমোদন সাপেক্ষে, ডি, আই সকলে চৰকাৰৰ এডুকেচন পলিচি মেনটেইন কৰি কাম কৰি যাব। চৰকাৰৰ এক্টত এইটো ব্যৱস্থা আছে। কিন্তু গোটেই কথাটো হৈছে আগৰ এক্টবোৰ এই ক্ষেত্ৰত ৰিপিল হব নে নহয় ? আগৰ এক্টবোৰৰ যিবোৰ কথা ইয়াত ইনক্লুড কৰা হৈছে সেইবোৰ ইয়াৰ ৰিপিল হব নে নাই ? এইটোৱে আমাক দোমোজাত পেলাইছে। সেয়ে মই মাননীয় পঞ্চায়ত মন্ত্ৰীক অনুৰোধ কৰিছো যাতে এই বিলখন ইমান খৰখেদাকৈ নানি ইয়াৰ প্ৰচ এণ্ড কনচ ডেটেইয়চ আলোচনা কৰাৰ কাৰণে এই আইনখন চিলেক্ট কমিটিলৈ প্ৰেৰণ কৰিব লাগে । এই আইনখন চিলেক্ট কমিটিয়ে ভালদৰে সকলো দিশ চাই মেলি পৰামৰ্শ

দিব। আজি যদি এইখন ততাতৈয়াকৈ পাছ কৰা হয় ইয়াৰ পিচত কিন্তু চৰকাৰে সংশোধনী আনিব নোৱাৰিব। পুনৰ সাল-সলনি আনিব নোৱাৰিব এই বিলৰ ওপৰত। মই এটা কথা কব খুজিছো যে চাব চেকচনত স্পষ্ট ভাবে আছে যে Women belonging to scheduled caste or as the case may be the scheduled tribe (Page 9, Section 9) Sub-clause 1. চাব চেকচন ওৱানত এইখিনি কথা থাকিব যে চেকচন নাইনত এতিয়া চাব চেকচন ওৱান বুলি কৈছে। পেজ নাইন, চেকচন নাইন, চাব চেকচন ওৱানত ওমেনৰ কাৰণে ৰিজাৰ্ভেচনৰ কথা উল্লেখ আছে, কিন্তু আইনত চাব চেকচন ওৱানটোৱেই নাই, গতিকে অফিচাৰে ইমপ্লিমেন্ট কৰিব কেনেকৈ ? অধ্যক্ষ মহোদয়, আইনখনত যিহেতু কেইবাটাও ভুল ধৰা পৰিছে সেয়ে এইখন খৰখেদাকৈ ইয়াত পাছ নকৰি এইখন চিলেক্ট কমিটিলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। পঞ্চায়তক আৰু অধিক ক্ষমতা দিয়াৰ আমি পক্ষপাতী।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ে যথেষ্ট আলোচনা হব আৰু এই সম্পৰ্কত বহুত সময়ৰ প্ৰয়োজন হব। গতিকে মন্ত্ৰীয়ে তাৰ ওপৰত ১২.৩০ বজাত উত্তৰ দান কৰিব। আপোনালোকে চমু কৰক পিচতো কব পাৰিব।

✪ **ডাঃ ভূমিধৰ বৰ্মণ (পঞ্চায়ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটা কথা ইয়াত কোৱা হৈছে। পেৰা ৯৪ ত দিয়া হৈছে।

✪ **শ্ৰীজয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত চেক্ৰেটাৰী সকলৰ ওপৰত চৰকাৰে যিধৰণে গুৰুত্ব দিব লাগিছিল সেই ধৰণে দিয়া নাই। গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য সকলে বিশেষকৈ দৰং জিলাৰ সদস্য সকলক বৈঠকি বানচ দিব পৰা নাই। মই জনাত ছিপাঝাৰ গাওঁ পঞ্চায়তৰ সদস্য সকলক বৈঠকি বানচ দিব পৰা নাই আৰু যি ভাত্তা দিব লাগে সেইখিনিও দিব পৰা নাই। এখন পঞ্চায়তৰ ইনকম কি হব, ৰাজহ কেনেকৈ আহিব সেইটো আজিলৈকে স্পষ্টকৈ চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিব পৰা নাই। সেই কাৰণে এই বিলখনৰ ওপৰত আপোনালোকে ততাতৈয়াকৈ ব্যৱস্থা নললে চিলেকচন কমিটিলৈ পঠিওৱাৰ প্ৰয়োজন।

**Mr. Speaker :** Now, Hon'ble Member Shri Nizamuddin Khan.

✪ **শ্ৰীনিজামুদ্দিন খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত বিলৰ ওপৰত যি এমেনমেন্ট আনিছে ক্ষমতা বিকেন্দ্ৰীকৰণ কৰাৰ যি নীতি আৰু ইয়াৰ মাধ্যমত পঞ্চায়তৰ হাতত ক্ষমতা ন্যস্ত কৰাৰ কাৰণে যিবিলাক কথা উল্লেখ আছে তাৰ মই বিৰোধিতা

✪ Speech not corrected

কৰিছো। এইবিলাক কনচিডাৰ কৰাৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। ইয়াত আছে পেইজ ২২ চেকচন ২৫/১(এ) Tax on House Structure within the local limit. গতিকে এনেকুৱা পঞ্চায়তত কিছু টেক্স লগোৱা ক্ষমতা দিয়া হৈছে সেইটোত মই আচৰিত হৈছো। কাৰণ আমাৰ চৰকাৰখনে ইতিমধ্যে কিছুমান পদক্ষেপ লৈছে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ কথা কৈছে। কিন্তু সেই ক্ষমতা সঠিকভাবে প্ৰয়োগ কৰা হৈছে নে নাই। চৰকাৰে যিদৰে ক্ষমতা দিছে সেইধৰণে বাস্তৱত ৰূপায়িত কৰাৰ কাৰণে সুবিধা দিছেনে নাই? ক্ষমতা দিয়াৰ কাৰণে আমি ভালেই পাইছো। কিন্তু সেইবিলাক গাওঁ পঞ্চায়তেই হওঁক বা আঞ্চলিক পঞ্চায়তেই হওঁক যথাযথ ভাবে কামত প্ৰয়োগ কৰা হৈছে জানো? বিকেন্দ্ৰীকৰণৰ কথা কৈ তাক জানো কাৰ্য ক্ষেত্ৰত কাৰ্যকৰী কৰিছে?

Mr. Speaker vacated the chair and Mr. Deputy speaker occupied it.)

উপাধ্যক্ষ মহোদয়, চৰকাৰখনে ইতিমধ্যে কোটি কোটি টকা চাহ বাগান মালিক সকলক ৰেহাই দিছে। ৫০ পইচাৰ পৰা ১৮ পইচা ৮৫ পইচাৰ পৰা ৬৫ পইচা কৰিছে কিন্তু আজি সৰ্বসাধাৰণ মানুহৰ ওপৰত টেক্সৰ বোজা দিছে এই চৰকাৰে এই বিলখনৰ জৰিয়তে। যদি এই সৰ্বসাধাৰণ মানুহৰ ওপৰত টেক্স জাপি দিয়ে তেতিয়াহলে বিকেন্দ্ৰীকৰণ কৰিলেও একো লাভ নহব। আমি এটা কথা লক্ষ্য কৰিছো যে কিছুমান পঞ্চায়ত আছে সেই বিলাকক ক্ষমতা দিয়া হৈছে। পি, ডি সকলক তাৰ, টিন কিনিবলৈ ক্ষমতা দিছে নেকি? আজি গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ পৰা কিছুমান ৰুৰেল ডেভেলপমেন্টৰ স্কীম ইমপ্লিমেন্ট কৰাৰ কাৰণে পি, ডি যোগেদি গভৰ্ণীং বডিলৈ পঠিয়ায়। কিন্তু সেইবিলাক গবৰ্ণিং বডিয়ে চেইঞ্জ কৰি নিজা ববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰে। এইখিনি কৰিলে বিকেন্দ্ৰীকৰণৰ অৱস্থা উন্নত হব নেকি? মই তাৰে এটা উদাহৰণ দিব বিচাৰিছো। নলবাৰী জিলাৰ ধৰমপুৰ বিধান সভাৰ মধুপুৰ উন্নয়ন খণ্ড পশ্চিম নলবাৰী উন্নয়ন খণ্ডত এনেকুৱা ঘটনা সংঘটিত হৈছে। (সময়ৰ সংকেট........) এই বিলখনৰ সংক্ৰান্তত যিবিলাক কথা উল্লেখ কৰিছে সেইবিলাক সঠিকভাবে প্ৰয়োগ কৰিলে ভাল পাম। সৰ্বসাধাৰণ মানুহৰ ওপৰত যি টেক্স জাপি দিব বিচাৰিছে সেই সম্পৰ্কত মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে সেইবিলাক বাতিল কৰিব লাগে।

✪ Speech not corrected

**माननीय उपाध्यक्ष ঃ** আপুনি চমু কৰিব।

✪ **শ্ৰীনিজামুদ্দিন খান ঃ**মাননীয় উপাধ্যক্ষ মহোদয়, যিবিলাক নিযুক্তিৰ ব্যৱস্থা কৰিছে সেই বিলাক ইয়াৰ পৰা দিয়াৰ ব্যৱস্থা কৰিছে। আঞ্চলিক পঞ্চায়তৰ কাৰণে দৰমহা তাত দিব অথচ নিযুক্তি ইয়াৰ পৰা দিছে। আকৌ নিযুক্তি বিলাক দিছে এডহক বেচিচত। কিয় এডহক বেচিতত দিবলগীয়া হৈছে। তত্বসত্ত্বেও গাওঁ পঞ্চায়তৰ ষ্টাফ ডিৰেক্টৰে দিব, জিলা পৰিষদৰ ষ্টাফ ডিৰেক্টৰে দিব। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে পঞ্চায়তৰ যোগেদি বিকেন্দ্ৰীকৰণৰ সলনি কেন্দ্ৰীভূতহে কৰিব বিচাৰিছে। এই ক্ষেত্ৰত বিকেন্দ্ৰীকৰণ কৰাৰ দিশত জিলা পৰিষদৰ যিটো ষ্টাফ সেইটো চৰকাৰে নিয়োগ কৰিব আৰু আঞ্চলিক পঞ্চায়তৰ ষ্টাফ জিলা পৰিষদে নিয়োগ কৰিব আৰু গাওঁ পঞ্চায়তৰ ষ্টাফ আঞ্চলিক পঞ্চায়তে নিয়োগ কৰিব এই ব্যৱস্থা কৰিব লাগে। মেনেজমেণ্টৰ ক্ষেত্ৰত দায়িত্ব অৰ্পণ নকৰি কাম কৰাৰ ক্ষেত্ৰত দায়িত্ব দিলে বিকেন্দ্ৰীকৰণ কৰাৰ সলনি কেন্দ্ৰীভূত কৰাহে হব। এইটো প্ৰকৃততে যদি জনসাধাৰণৰ হাতত ক্ষমতা অৰ্পণ কৰিব বিচাৰিছে তেনেহলে দায়িত্ব পঞ্চায়তৰ হাতত দিব লাগে তেহে জনসাধাৰণে দায়িত্ব পালন কৰিবলৈ সুবিধা পাব। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Deputy Speaker :** Now, Hon'ble Member Dr. Kamala Kalita.

✪ **ডাঃ কমলা কলিতা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই পঞ্চায়ত বিল যিখন আনিছে এই বিলখন সম্পৰ্কত বিলখনৰ ওপৰত আলোচনা হোৱাৰ আগতে যিটো কথা উত্থাপন হৈছিল যে প্ৰভিজনেল অৰ্ডিনান্সখন হাইকোৰ্টৰ বিচাৰাধীন হৈ আছে চি-আৰ ৭১৮।৯৪ মতে আৰু এই সন্দৰ্ভত মাননীয় আইন মন্ত্ৰী আৰু পাৰ্লিয়ামেণ্টৰি মিনিষ্টাৰ মহোদয়ে যি তথ্য ডাঙি ধৰিছে তাত আমি একমত হব নোৱাৰিলো আৰু আমি সেই সম্পৰ্কত যি আপত্তি সেইটো সদনত ৰেজিষ্টাৰ কৰিছো । উপাধ্যক্ষ মহোদয়, এতিয়া যিহেতু বিলখন উত্থাপন কৰাৰ ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়ে ৰুলিং দিছে আৰু বিলখন আলোচনাৰ কাৰণে অনা হৈছে এই সম্পৰ্কত আমাৰ আপত্তি ৰেজিষ্টাৰ কৰি বিলখনৰ সংশোধনৰ ক্ষেত্ৰত দুটামান কথা কব বিচাৰিছো। চৰকাৰে বিলখন অনাত আমাৰ ভাল পাবলগীয়া বেয়া পাবলগীয়া একো নাই। কিন্তু ইমান তত্তাতৈয়াকৈ এই বিলখন অনাৰ কিবা অভিসন্ধি আছে বুলি ধাৰণা হৈছে। ইমান তত্তাতৈয়াকৈ বিল অনা হৈছে যে প্ৰিণ্টিং মিচটেক আদি চোৱাৰো সময়

✪ Speech not corrected

হোৱা নাই । বিশেষকৈ কেইটামান সংশোধনী বিচাৰিছো। কালি যিহেতু বি-এ-চিতো আলোচনা হৈছে কনষ্টিটিউশ্বন হব ডিষ্ট্ৰিক্ট প্লেনিং কমিটি সম্পৰ্কত প্লেনিং কমিটিত জিলা পৰিষদ পৰ্যায়ত অফিচাৰ বা মহকুমা পৰ্যায়ৰ অফিচাৰ পদেন সদস্য হব । প্লেনিং কমিটিত যদি সেই সকল নাথাকে তেতিয়াহলে এই ক্ষেত্ৰত নিশ্চয় অসুবিধা হব । এই ক্ষেত্ৰত আমাৰ সংশোধনী চৰকাৰে গ্ৰহণ কৰিব বুলি ভাবো । দ্বিতীয় কথা হৈছে ইয়াৰ আগতে আমাৰ মাননীয় সদস্য শ্ৰীনিজামুদ্দিন খান চাহাবে কৈছে যে ক্ষমতা বিকেন্দ্ৰীকৰণৰ নামত ক্ষমতা কেন্দ্ৰীভূতহে কৰিবলৈ প্ৰচেষ্টা লোৱা হৈছে। ইয়াৰ ফলত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ পঞ্চায়তৰাজৰ যি মূল উদ্দেশ্য যাৰ দ্বাৰা জনসাধাৰণলৈ ক্ষমতা হস্তান্তৰ কৰিব বিচাৰা হৈছে সেইটো নহৈ দিশপুৰতহে ক্ষমতা কেন্দ্ৰীভূত হৈছে । আৰু সেই প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। ইয়াতে ক্লজ ১২৫ ত এই কথা ৰখা হৈছে যে যিকোনো মুহূৰ্ততে চৰকাৰে অনুভৱ কৰি কোনো গাওঁ পঞ্চায়তে বা জিলা পৰিষদ বা আঞ্চলিক পঞ্চায়ত ঠিকমতে কাম নকৰা যেন পালে ভঙ্গ কৰি দিব পাৰিব । এই ক্ষেত্ৰত যে ক্ষমতাৰ অপব্যৱহাৰ নহব বা ৰাজনৈতিক কাৰণত যে ব্যৱহাৰ কৰা নহব তাৰ কোনো নিশ্চয়তা নাই। সেই কাৰণে এই ক্ষেত্ৰত এহাতে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ কথা কোৱা হৈছে যদিও ক্ষমতা নিৰ্বাচিত জিলা পৰিষদ বা পঞ্চায়তৰ সলনি নিজৰ হাতলৈ আনিবলৈ খুজিছে । এইটো পৰিহাৰ কৰিবলৈ চৰকাৰক অনুৰোধ কৰিছো । আৰু ভঙ্গ কৰাৰ ক্ষেত্ৰত থকা ক্লজ বাদ দিয়াৰ কাৰণে অনুৰোধ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ভালে কেইজন মাননীয় সদস্যই ভালেখিনি সংশোধনী আনিছে আৰু তাৰ লগতে যি বক্তৃতা ৰাখিছে তাত পঞ্চায়ত বিভাগৰ কাম-কাজত কোনো সুখী হব পৰা নাই। সেই কথাটো প্ৰতীয়মান হৈছে। পঞ্চায়ত বিভাগৰ দ্বাৰা কেনেভাবে কাম হৈছে তাৰ এটা উদাহৰণ দিব খুজিছো। আই-আই-ডি-পিৰ নামৰ টকা অলপতে ১৮ লাখ গুৱাহাটী জজ খেলপথাৰত সমাবেশ পতাৰ কাৰণে খৰচ কৰিছে। আই-আৰ-ডিৰ জনসাধাৰণৰ টকা ভোজমেল আৰু যোগান দিয়াৰ কাৰণে খৰচ হৈছে। অথচ সাধাৰণ ঠেলা চলাই পেট প্ৰৱৰ্ত্তন কৰা সকলৰ ওপৰত ইমান বেছি টেক্স লগাইছে যে তেওঁলোকে ঠেলা চলাই পেট প্ৰৱৰ্ত্তন কৰিব নোৱাৰা হৈছে অথচ........।

কিন্তু আজি আমি কোটিপতি, চাহ উদ্যোগপতিৰ কোটি কোটি কৰৰ টকা

✪ Speech not corrected

ৰেহাই দিব পাৰিছো । বৈষম্যমূলক নীতি কিয় লৈছে ? এহাতে কৈছো যে জনসাধাৰণক প্ৰাপ্যখিনি দিব বিচাৰিছো, কিন্তু প্ৰকৃতাৰ্থত বিচৰা নাই। এইটো চৰকাৰী কাৰু-কাৰ্যই প্ৰমাণিত কৰে । পঞ্চায়তৰ ট্ৰাক কিনাৰ পৰা ইটা , চিমেণ্ট কিনাত যি দুৰ্নীতি চলি আছে সেই বিলাক কবলৈ বহু সময় লাগিব। গতিকে সেই বিলাক কব বিচৰা নাই । পঞ্চায়ত সমূহ কেনে ধৰণে চলি আছে চাব লাগে । পঞ্চায়তৰ জৰিয়তে দি, আৰ, দি, এক ৩১ মাৰ্চত টকা দিয়া হৈছে। ৩১ মাৰ্চৰ আগলৈকে ব্লক বিলাকৰ টকা নাই। ৩১ মাৰ্চলৈ কিয় টকাটো ৰাখিছে ? সময় মতে কাম নকৰাৰ কাৰণে ৰাইজ উপকাৰৰ পৰা বঞ্চিত হৈ আছে। এটা কথা পুনৰাই কওঁ জনসাধাৰণলৈ ক্ষমতা ঠেলি দিয়ক আৰু নিজৰ হাতত ক্ষমতা ৰখাৰ প্ৰয়াস ত্যাগ কৰক। ক্ষমতা বিকেন্দ্ৰীকৰণৰ যি প্ৰতিশ্ৰুতি দিছে সেইটো ৰাখিবৰ কাৰণে চেষ্টা কৰক। দিশপুৰৰ চৌহদত ক্ষমতা ৰখাৰ যি প্ৰচেষ্টা চলাইছে সেইটো বাতিল কৰক।

**Mr. Deputy Speaker :** Now, Hon'ble Member Shri Parameswar Brahma.

✪ **Shri Parameswar Brahma :** Mr. Deputy Speaker Sir, I beg to move and amendment motion in subject and Section.

✪ **ডাঃ ভূমিধৰ বৰ্মণ (পঞ্চায়ত মন্ত্ৰী) ঃ**মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা স্পষ্ট কৰি দিব বিচাৰিছো যে এই বিলখন ৭৩ তম সংশোধনীত পাচ হৈছিল। সেই সময়ত বি এ চি নাছিল। সেই কাৰণে ৬ষ্ঠ অনুসূচীত অঞ্চল বাদ কৰা নাছিল। এইটো আমি কৰিব নোৱাৰো পাৰ্লিয়ামেণ্টৰ কথা। আমি ইতিমধ্যে ভাৰত চৰকাৰৰ লগত এইটো বাদ দিয়াৰ কাৰণে ব্যৱস্থা লবলৈ সিদ্ধান্ত লৈছো।

✪ **Shri Parameswar Brahma :** Mr. Deputy Speaker Sir, I am glad to hear the statement of the Hon'ble Minister, Panchayat in respect of inserting Bodoland Autonomous Council in this Panchayat Bill. Now, sir, I do not want to speak much but only a few words. Sir, Bodoland Autonomous Council was created to provide self administration to Bodo People under BAC Act on 37 Subjects. There are District Councils autonomous Coun-

cil Type arrangements in Karbi Anglong District Council and N. C. Hills District Councils and also in ? West Bengal ; we find 4 to 5 district councils. Sir, these are all local self Government in nature. Sir, BAC is also a kind of Local Self Government and under this BAC, there are 38 subjects already given. Now, Sir, if Panchayat is not excluded from BAC according to this Bill, there will be unnecessary over-lapping in the administration and there will be unnecessary stress/cash between the administration and the Local Government . like that of Mahakuma Parishad, Jila Parishad, G.P. etc. But these are not existing either in KADC or in N C Hills D.C. S, in the interest of making BAC effective, to provide self administration on 38 subjects given to BAC, BAC should be excluded from the purview of the Panchayat Bill. Sir. I feel the urgent necessity that the Panchayat Bill be excluded from the purview of the BAC for the development of the people living in the BAC area. Sir, as regards the power and functions of the Zila Parishad, there are as many as 20 subjects and out of these 20 subjects 17 subjects comes with in the area of 38 subjects already given to BAC. So, it will create un-necessary chais and over-lapping in the Administration.

Sir, I want a clear and firm commitment in the House from the Hon'ble Panchayat Minister in respect of taking step to move the Government of India to exclude BAC from the purview of and I want firm commitment and clarification in the House that from the purview of is Panchayat Bill. Also I express my desire to move the Bill and Panchayat Bill, BAC will be excluded. With this I conclude. Sir.

✪ Speech not corrected

**Mr. Deputy Speaker :** Now, Hon'ble member Dewan Joinal Abedin.

✪ **শ্ৰীজয়নাল আবেদিন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত বিলৰ যিটো সংশোধনী আহিছে এই সম্পৰ্কত থুলমূল আলোচনা কৰাৰ কাৰণে সুযোগ দিয়াৰ বাবে ধন্যবাদ জনালো। পঞ্চায়ত বিলৰ জৰিয়তে ৰাইজৰ হাতত ক্ষমতা বিকেন্দ্ৰীকৰণ কৰাৰ যদি প্ৰস্তাৱ থাকে তেন্তে সেই প্ৰস্তাৱত আমাৰ কোনো দ্বিমত নাই। প্ৰকৃততে ৰাইজৰ হাতলৈ ক্ষমতা যোৱাটো বিচাৰো। প্ৰশ্ন হৈছে ৰাইজৰ হাতত ক্ষমতা দিয়াৰ নামত এই বিলত যি ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে তাত ভালদৰে চালিজাৰি চাওঁ তেন্তে আমি এক প্ৰকাৰ নিশ্চিতভাৱে কব পাৰো যে ৰাইজক ক্ষমতা দিয়াটো আচল উদ্দেশ্য নহয়। ৰাইজক ক্ষমতা দিয়াৰ নামত শাসক দলে সাংগঠনিক শক্তি গাওঁবোৰত মজবুত কৰিবৰ কাৰণে এই বিলখন অনা হৈছে। এই কথাটো আন্দাজত কোৱা নাই। ৰাইজৰ হাতত ক্ষমতা দি আনহাতে লৈ যোৱাটো ক্ষমতা দিয়া নুবুজায়। গোটেই বিলখন খেলিমেলি। সেই বিলাক কথালৈ বিস্তাৰিত ভাবে যোৱাৰ সুযোগ নাই। Resolution is passed by a majority of two third of the total member of members of GPs.

মাননীয় উপাধ্যক্ষ মহোদয়, এজন পঞ্চায়ত প্ৰেচিডেণ্ট বা ভাইচ প্ৰেচিডেণ্টক দুই তৃতীয়াংশ মেম্বাৰে আঁতৰাব পাৰে, এইটো ব্যৱস্থা গণতান্ত্ৰিক ব্যৱস্থা হবনে। ৰাইজে সেই সকলক ক্ষমতাৰ পৰা আতৰাব পাৰে, কাৰণ ৰাইজে সেই সকলক নিৰ্বাচিত কৰিছিল। যদি আতৰাবৰ কাৰণে ৬/৭ জন মেজৰিটি ভোটত আতৰাই তেতিয়া হলে এই ব্যৱস্থাটো গণতান্ত্ৰিক ব্যৱস্থা হবনে ? They have no right to remove me, from my position, this is the fundamental approach of Democracy. কিন্তু সেইটো ইয়াত ক্ষুন্ন কৰা হৈছে। যিসকলক আমি ভোট দি নিৰ্বাচিত কৰিছিলো তেওঁলোকৰ প্ৰতি আস্থা আছে, কিন্তু কেইজনমান মানুহে কিবা কাৰণত তেওঁৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰি আঁতৰাই ইয়াতকৈ ডাঙৰ কথা নাই। শাসক দল নথকাৰ কাৰণে এনে কৰা হৈছে। এনেকুৱা বহু ঠাইত হৈছে, বহুত ঠাইত শাসক দল নোহোৱাৰ কাৰণে এইটো নাকচ কৰা হৈছে। এইটো দেখ দেখকৈ গণতান্ত্ৰিক মূলনীতিৰ পৰিপন্থী।

মাননীয় উপাধ্যক্ষ মহোদয়, একে আঞ্চলিক পঞ্চায়ত, জিলা পৰিষদ একে কথা, সেইটো জিলা পৰিষদ কৰিলে মোৰ কবলগা একো নাই। একে নিয়ম ইয়াত হৈছে।

✪ Speech not corrected

এইটো সম্পূৰ্ণ খেলিমেলিপূৰ্ণ ব্যৱস্থা হৈছে। এখন বাহৰ দলং পাৰ হব লাগিলেও পঞ্চায়তে ৰাইজৰ পৰা সহায় লয়। এই ধৰণৰ কিছুমান কথা দেখা হৈছে। Government may by a notification withdraw and modify the Provisions assigned under this section. যিহেতু ক্ষমতা দিছে, আকৌ চৰকাৰে কি কৰিব, তাৰ মানে আচল পাৱাৰ চৰকাৰে আনিছে, ৰাইজৰ হাতত নাই, পঞ্চায়তৰ নাই, আঞ্চলিক পঞ্চায়তৰ নাই, চৰকাৰৰ হাতত আনিছে । আমোলা বিলাকেও চৰকাৰৰ কথা মতে চলে, যেতিয়া চৰকাৰৰ পৰা নিৰ্দেশ যাব তেতিয়া তেওঁলোকে সেই হিচাবে কৰিব। এইটো কেনেকুৱা গণতান্ত্ৰিক কথা, ক্ষমতা হস্তান্তৰৰ নামত ভেকো ভাওঁনা কৰা হৈছে। এই যি বিল অনা হৈছে আগৰ বিলৰ লগত পাৰ্থক্য নাই। ইয়াত জিলা পৰিষদ কৰা হৈছে বাকীখিনি একে আছে। অলপতে মহকুমা পৰিষদত এডমিনিষ্ট্ৰেটিভ বিষয়া নিযুক্তি দিয়া হৈছে। পঞ্চায়ত চেক্ৰেটাৰী কৰা হব বুলি ঘোষণা কৰা হৈছিল। বি, কম, পাছ কৰা মানুহক চেক্ৰেটাৰী দিয়া হব, কিন্তু সেইটো নহয়, বি, কম পাছ নকৰা মানুহক দিয়া হৈছে। ডি, চি, বা এচ, ডি, ও, ই সেই নিযুক্তি নাকচ কৰা বুলি চৰকাৰক জনাই দিছে। মহকুমা পৰিষদৰ চেক্ৰেটাৰীয়ে সেইটো নাকচ নোহোৱা বুলি কৈছে। এতিয়া মহকুমা পৰিষদৰ চেক্ৰেটাৰী আৰু এচ, ডি, ও, ৰ মাজত কাজিয়া লাগিছে। ইয়াৰ প্ৰমাণ মই দিম। সভাপতিজন অকংগ্ৰেছী হোৱাত এইটো হৈছে । পঞ্চায়তৰ চেক্ৰেটাৰীক সভাপতিয়ে কাৰ্য্যভাৰ দিয়া নাই । এইটো লৈ বহুত পঞ্চায়তত খেলিমেলি মাৰামাৰি গন্দোগোল আদি হৈছে। ধুবুৰী জিলাৰ আলিকটা, লচকৰা আদি পঞ্চায়তত এইবিলাক হৈ গৈছে। নিযুক্তিৰ তালিকা কৰি দিয়া হৈছে, তাৰ চিঠিৰ নকল মই আপোনাৰ ওচৰত দাখিল কৰিম। মহকুমা পৰিষদৰ চেক্ৰেটাৰীয়ে কৈছে তেওঁলোকে কাৰ্যালয় পৰিচালনা কৰিব। এই ধৰণৰ বিভিন্ন খেলিমেলি। পঞ্চায়তত অস্বাস্থ্যকৰ পৰিবেশৰ সৃষ্টি কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই পঞ্চায়ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব স্পষ্টীকৰণ ডাঙি ধৰিব লাগে যিবিলাক খেলি মেলি হৈছে। মহকুমা পৰিষদৰ চেক্ৰেটাৰীৰ কথাটো ঠিক নে ডি, চি, বা এচ, ডি, ও, আই, এ, এচ, বিষয়াৰ কথা ঠিক এই বিষয়ে স্পষ্টীকৰণ দিব লাগে। মই পৰামৰ্শ দিব খুজিছো এইবিলখন উঠাই লৈ চিলেক্ট কমিটিলৈ পঠোৱাৰ ব্যৱস্থা কৰে আৰু এক্সপাৰ্টৰ হতুৱাই বিচাৰ কৰি সভাপতিয়ে কিয় নাকচ কৰিছে এই ধৰণৰ প্ৰস্তাৱৰ যাতে সন্মুখীন হব লগা

নহয় তাৰ কাৰণে ব্যৱস্থা ৰাখি আকৌ বিলখন চালি জাৰি চাই নতুনকৈ আনিব বুলি আশা কৰিছো। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Deputy Speaker :** Now, Hon'ble Member Shri Jatin Mali.

✪ **শ্ৰীযতিন মালী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আচাম পঞ্চায়ত বিল, ১৯৯৪ আনিছে, এইখনৰ সম্পৰ্কে আমাৰ কিছু এমেণ্ডমেণ্ট আছে। এইখন সদনত উপস্থাপন কৰাৰ আগতে আলোচনা কৰিব লাগিছিল। দ্বিতীয় কথাটো কওঁ এইটো খেলিমেলি হৈছে যিখনক শুদ্ধ বুলি মতামত দিয়াটো অসুবিধা হৈছে। সেই কাৰণে এমেণ্ডমেণ্ট আনিব লাগে বুলি মই কবলৈ গৈছো। কিন্তু সময় নিৰ্দ্ধাৰণ কৰি দিয়া আছে। আমি এমেণ্ডমেণ্ট যিটো আনিছো - যেতিয়া ডিষ্ট্ৰিক অফিচ আছে বা ডিভিজনেল অফিচ আছে, ডিষ্ট্ৰিক প্লেনিং বৰ্ড হব বা প্লেনিং কমিশ্যন আছে কিয় কনচটিটিউচনত ডিষ্ট্ৰিকত গাওঁ পঞ্চায়ত সদস্য ৰাখিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে, ডিষ্ট্ৰিক অফিচাৰ চাব ডিভিজনেল অফিচাৰ চৰকাৰৰ পৰা ৰাখিব পাৰে । তাৰ পিচত মই কৈছো- এইটো কৈছো যে জিলা পৰিষদ গঠন প্ৰক্ৰিয়া সম্পৰ্কে - জিলা পৰিষদ পঞ্চায়ত বিলখন গঠন প্ৰক্ৰিয়া হৈছে –6 (1) Provides that Government may by motification in the official Gazettes determine the territorial Constituency in the district keeping in view the ratio of Population less than 40,000, উপাধ্যক্ষ মহোদয় এই কথাখিনি বিৰোধী কথা যেন দেখা গৈছে –and that its territorial constituency is elected by Member to the Zilla Parisad through direct election. তাত কৈছে যে Constitution 73 amendment 1993 article 243 (c) (1) 5(b) a Panchayat at the intermadiary level shall be elected by a member amongst the elected members. এইটো সাংঘাটিক হিচাবে দেখা গৈছে চৰকাৰী ষ্টেণ্ড ক্লেয়াৰ কৰিব লাগে। এই সম্পৰ্কে ইতিমধ্যে কৈছে হাইকৰ্টত এটা কেচ হৈছে ৭১৫/এ/৯৪, মলিন দাস আৰু ভুবন কলিতাই মোকৰ্দমা ৰুজু কৰিছে। এইটো ভাল কথা নহব। আমি এমেণ্ডমেণ্ট আনিছো যে regarding dissolution of the Anchalik Panchayat, Zilla Parisad and Goan Panchayat এই সম্পৰ্কে যিটো কৈছে, চৰকাৰে এইটো কেনেকৈ ৰাখিছে। তাত কৈছে চৰকাৰে যেতিয়া প্ৰয়োজন অনুভৱ কৰে গাওঁ পঞ্চায়ত আঞ্চলিক পঞ্চায়ত আৰু জিলা

✪ Speech not corrected

পৰিষদক ভাঙি দিব পাৰে, এনে হলে গোটেই পঞ্চায়ত ব্যৱস্থাটো পয়া লগা হব। চৰকাৰৰ এনে মনোভাব ভাল হোৱা নাই বুলি কৈছো। আমি দেখিছো যে পঞ্চায়ত বিলখন আগতে কৈছো পূৰ্ণ পৰ্য্যায়ৰ আলোচনা বিলোচনা নকৰি ইয়াত অনা হৈছে। ইয়াত আলোচনা কৰিবৰ কাৰণে বহুত প্ৰয়োজনীয় কথা আছে তাৰ কাৰণে সময়ো আছে। সেয়ে এতিয়া এইখন চিলেক্ট কমিটিলৈ পঠাব লাগে যাতে চিলেক্ট কমিটিয়ে এই কথা বিলাকত নজৰ দিব পাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলখনে শিক্ষাৰ ক্ষেত্ৰত বহুতো অসুবিধা আনিব বুলি মানুহে অনুভৱ কৰিছে । শিক্ষা ব্যৱস্থাটো পঞ্চায়ত লেভেললৈ নি সেইটো কেনে ধৰণে কৰিব বিচাৰিছে, এইটোত সাংঘাতিক আপত্তি উঠিছে। বিদ্যালয় সমূহ চোৱা চিতা কৰা, মেৰামতি কৰা, উন্নয়ন আদিৰ কাৰণে পঞ্চায়তক এৰি দিয়া হৈছে । ইয়াত আমি কিমান ভৰষা কৰিব পাৰিম। কেৱল পঞ্চায়তৰ বিষয়ববীয়াৰ ওপৰত এৰি নিদি শিক্ষাবিদ অভিজ্ঞ চৰকাৰী বিষয়া আয়ুক্ত পৰ্য্যায়ত ৰাখিব লাগে। সেয়ে বিলখন মই চিলেক্ট কমিটিলৈ পঠাবলৈ অনুৰোধ কৰি মোৰ বক্তব্য সামৰণী মাৰিলো।

**Mr. Deputy Speaker :** Now, Hon'ble Member, Shri Jew Ram Boro.

✪ **শ্ৰীজীউ ৰাম বড়ো ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে পঞ্চায়ত বি এ চিত নলবৰ বাবে আমাৰ লিডাৰ মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাওৰীয়াই দাবী জনাইছে । ইয়াত যি বিলখন আনিছে পঞ্চায়তৰ বিষয়ে , আমাৰ বিভিন্ন মাননীয় সদস্যই এমেণ্ডমেণ্ট আনিবলৈ বিচাৰিছে। প্ৰত্যেকে দেখা পাইছো দাবি ৰাখিছো। বিশেষকৈ শিক্ষা বিভাগটোৰ কাম কাজ পঞ্চায়তৰ জড়িয়তে কৰিবলৈ বিচৰাটো এৰ্চাট কৰা হৈছে। আমি কিছুমান ঠাইত শিক্ষা বিভাগটো পঞ্চায়তৰ অন্তৰ্ভূক্তি কৰিব নেলাগে বুলি দাবি জনাইছো। পঞ্চায়তৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো গাওঁ পঞ্চায়ত বা আঞ্চলিক পঞ্চায়তৰ মাজত কাজিয়া হয় । দুটা আঞ্চলিক পঞ্চায়তৰ মাজতো হয়। এই কাজিয়াৰ ফলত ৰাস্তা - ঘাট , দলং আদিৰ কাম নোহোৱাকৈ থাকি যায়। ইয়াত এনেকোৱা ব্যৱস্থা থাকিব লাগে ৰাষ্টা-ঘাট দলং নিৰ্মাণৰ ক্ষেত্ৰত যিবিলাক কাম ইণ্টাৰ গাওঁ পঞ্চায়তৰ হয় সেইবিলাক আঞ্চলিক পঞ্চায়তে কৰিব লাগে আৰু যিবিলাক ইণ্টাৰ আঞ্চলিকৰ ভিতৰত পৰে সেই বিলাক জিলা পৰিষদে কৰিব

✪ Speech not corrected

পৰা ব্যৱস্থা থাকিব লাগে। জিলা পৰিষদে কাম কৰিবলৈ হলে ষ্টেনডিং কমিটি থাকে । এই ষ্টেনডিং কমিটিৰ টাৰ্ম ১ বছৰীয়া হোৱাৰ কাৰণে কাম শেষ নহয়। বুজিবলৈ সময় লাগে। এইটো বঢ়াই দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে ৩ টা সম্প্ৰীতিৰ পৰা এটা জাতি হব পাৰে। এই ৩ টা সম্প্ৰীতিয়ে এচ, চি, এচ, টি সকলৰ উন্নতি কৰিব নোৱাৰে । গতিকে এই বিলখনৰ ওপৰত এমেণ্ডমেণ্ট আনিবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আমাৰ বড়োলেণ্ডত গাওঁ অঞ্চল, জিলা পৰিষদ আৰু গাওঁ পঞ্চায়ত হলে ফাইনেনচিয়েল অবজেকচন হব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Deputy Speaker** : Now, Hon'ble Member Shri Mission Ranjan Das.

✪ **শ্ৰীমিছন রঞ্জন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত বিলের উপর আলোচনায় ইতিমধ্যে বিভিন্ন বক্তা অংশ গ্রহন করেছেন । আমি আমার আনা সংশোধনীর ব্যাপারে ২/১ টা বক্তব্য রাখছি । মহোদয়, বর্তমান যে বিল এই সদনে পেশ করা হয়েছে এতে রয়েছে (১) গাওঁ পঞ্চায়ত (২) আঞ্চলিক পঞ্চায়ত এবং (৩) জেলাস্তরে রেয়ছে জেলা পরিষদ – এই ব্যবস্থায় জনসাধারণের হাতে ক্ষমতা তুলে দেবার ব্যবস্থা হচ্ছে। তাদের নীতি নির্ধারণ করার ক্ষমতা দেওয়া হয়েছে, সিদ্ধান্ত নেবার ক্ষমতা দেওয়া হয়েছে। এই বিলর মাধ্যমে। সেটা আমরাও চাই, আমাদের দলও চায় এবং বর্তমান সরকারও সেটা চায় । কিন্তু ইতিমধ্যে আমরা দেখেছি যে গাওঁ পঞ্চায়ত এবং আঞ্চলিক পঞ্চায়ত স্তরে যে সমস্ত কাজের দায়িত্ব দেওয়া হয়েছে সেগুলি তারা রীতিমতো সমাধা ধরতে পারছে না । বরং ইদানিং কালে যথেষ্ট দুর্নীতির ব্যাপার আমারা লক্ষ্য করেছি যে কাজ না করে বিল নেওয়া হয়েছে। যেগুলি কাজ অর্ধ সমাপ্ত করে বা কাজ না করেই বিল ড্র করা হয়েছে এই ব্যাপার গুলি ধরে ব্যবস্থা নেওয়ার মতো যথেষ্ট আইনের ব্যবস্থা নাই। এই জন্য এই বিলের মধ্যে যথেষ্ট ত্রুটি নিয়ে এই সদনে এতো আলোচনা হচ্ছে। এই ত্রুটিগুলি সংশোধন না করলে জনসাধারণে রহাতে প্রকৃত পক্ষে ক্ষমতা তুলে দেওয়া সম্ভব হবে না বরং আরও বেশী দুর্নীতি হবে, অর্থের অপচয় হবে।

মহোদয়, আমি একটা সংশোধনী দিয়েছিলাম যে আঞ্চলিক পঞ্চায়তে

✪ Speech not corrected

সাবসেকশন ওয়ান Sub-section 1 of clause 52 after the word committee occuring in the second line, a work with local MLA as Ex-Aticio Member shall be insested. আঞ্চলিক পঞ্চায়তে তিনটা ষ্টেন্টিং কমিটির ব্যবস্থা করা হয়েছে District Planning Committee এই পরামর্শ দিয়েছি। কারণ স্থানীয় বিধায়ক এই সমস্ত কমিটীতে এক্স অফিসিও মেম্বার থেকে কাজ কর্ম সঠিক ভাবে দেখার ব্যবস্থা থাকা দরকার।বর্তমানে আঞ্চলিক পঞ্চায়তে স্থানীয় সদস্য এক্স অফিচিও মেম্বার হিসাবে আছেন।

(সময় সংকেত)

তার পর এখানে ক্লজ ৬৫ তে বলা হয়েছে যে একজন জেলা পরিষদের সদস্য নির্বাচিত হবেন ৪০ হাজার ভোটারের নির্বাচনে। যেহেতু লোকসংখ্যা বৃদ্ধি হয়েছে - আমার প্রস্তাব এটা বৃদ্ধি করে ৬০ হাজার করা উচিৎ। তার পর আরও অনেক সংশোধনী রয়েছে যে বর্তমানে যে এস ডি পি সি চেয়ারম্যান রয়েছেন একজন মন্ত্রীকেই চেয়ার মন্ত্রী। ঠিক একইভাবে জেলা প্লানিং কমিটিতে একজন মন্ত্রীকেই চেয়ারম্যান করা উচিৎ। বর্তমানে ডি সি যে রকম এস ডি পি সি র এক্স অফিচিও ভাইস চেয়ারম্যান রয়েছেন ঠিক সেভাবে জেলার ডি সি যাতে জেলা পরিষদের এক্স অফিচিও সেক্রেটারী থাকেন।

মহোদয়, আরও অনেক সংশোধনী রয়েছে। বিভিন্ন সদস্য তাদের বক্তব্য রাখবেন। কিন্তু কেপারে এতো ত্রুটি এই বিল এর মধ্যে রয়েছে যে এটাকে সিলেক্ট কমিটীতে পাঠানোই যুক্তিযুক্ত। কারণ তাড়াহুড়া করার কোনও প্রয়োজন নাই। মন্ত্রী মহোদয় নিজেই বলেছেন যে সেপ্টেম্বর অক্টোবরের আগে ইলেকশন করা সম্ভব হবে না। সুতরাং তাড়া হুড়া করার কোনও প্রয়োজনেই নাই। ধীরে সুস্থে বিচার বিবেচনা করে ত্রুটি মুক্ত অবস্থায় বিল পাশ করা দরকার। কারণ এই সদনে কোনও সদস্য নীতিগতভাবে এই বিলর বিরোধীতা করছেন না। আশাকরি সরকার এটা বিবেচনা কর বিলটিকে সিলেক্ট কমিটীতে পাঠাবেন।

**Mr. Deputy Speaker :** Now, Hon'ble Member Shri Bharat Chandra Narah.

✪ **শ্রীভৰত চন্দ্র নৰহ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত মন্ত্রী মহোদয়ে উত্থাপন কৰা আসাম পঞ্চায়ত বিল ১৯৯৪, এইটোত আমাৰ পূর্ণ সমৰ্থন আছে। মাত্ৰ কিছু পৰামর্শ দিবৰ কাৰণে ২-১ টা এমেণ্ডমেণ্ট আনিছো । ইয়াত আসাম

পঞ্চায়ত বিল ১৯৯৪ চেকচন ৬৫ ত লিখা আছে যে জিলা পৰিষদৰ সমষ্টি বিলাক কেনেকৈ নিৰ্দ্ধাৰণ কৰা হব ? এইটো স্পেচিয়েলি কোৱা হোৱা নাই। জিলা পৰিষদৰ সমষ্টিবিলাক বনাওঁতে স্থানীয় বিধায়কৰ লগত, জিলা উপায়ুক্ত বা প্ৰজেক্ট ডাইৰেক্টৰৰ লগত পৰামৰ্শ কৰি লব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ অন্যান্য জিলাবিলাকত সম্ভৱ নহলেও অন্ততঃ লক্ষীমপুৰ জিলাৰ কাৰণে স্পেচিয়েলী হলেও লক্ষীমপুৰ জিলাত জিলা পৰিষদ গঠন হোৱাৰ সম্পৰ্কত স্থানীয় বিধায়ক সকলৰ লগত উপায়ুক্ত আৰু প্ৰজেক্ট ডিৰেক্টৰে এটা আলোচনাৰ মাধ্যমত সমিতি সমূহ গঠন কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ লব লাগে । কিয়নো লক্ষীমপুৰ জিলাখন বেছিভাগ ট্ৰাইবেল জনজাতীয় বিশেষকৈ মিচিং জনজাতীয় অধ্যুষিত অঞ্চল, তাত সকলো নিৰ্বাচনৰ ক্ষেত্ৰত অজনজাতীয় লোক সকল ডিপ্ৰাইভ হৈ আছে আৰু সেইকাৰণে ভিতৰে ভিতৰে তেওঁলোকৰ মনত ক্ষোভ হৈছে । ইয়াৰ এম, পি আৰু এম, এল, এ নিৰ্বাচনো ট্ৰাইবেলৰ কাৰণে ৰিজাৰ্ভ হৈ আছে, এতিয়া জিলা পৰিষদো যদি ৰিজাৰ্ভ হৈ থাকে তেতিয়াহলে পঞ্চায়ত নিৰ্বাচন বিলাকতো অজনজাতিয়ৰ সভাপতি বা কাউনচিলাৰ হোৱা সম্ভৱ নহব। সেইকাৰণে প্ৰজেক্ট ডিৰেক্টৰ আৰু জিলা উপায়ুক্তই স্থানীয় বিধায়কৰ লগত আলোচনা কৰাৰ ক্ষেত্ৰত যদি চৰকাৰৰ কোনো নিয়মো নাই তথাপি লক্ষীমপুৰ ঢকুৱাখানা ধেমাজী আদি সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ কাৰণে এলেকা নিৰ্দ্ধাৰণৰ বেলিকা বিশেষ ভাবে চৰকাৰৰ পৰা অৰ্ডাৰ এটা দিব লাগে যাতে এটা সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ কাৰণে ২টা জেনেৰেল আৰু ২ টা ট্ৰাইবেল নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। সেই অঞ্চলত কিছুমান ঠাইত অজনজাতীয় আৰু মিচিং সকলে লক্ষীমপুৰখন তেওঁলোকৰ বুলিয়েই ভাবে। তাত থকা অজনজাতীয় আহোম, ৰাজবংশী আদি অজনজাতীয় লোক সকলে মোকো এইক্ষেত্ৰত বেয়া পোৱা আৰম্ভ কৰিছে, তেওঁলোকৰ ধাৰণা আমি বিধায়ক সকলেই এই ব্যৱস্থা কৰিছো । সেই কাৰণে সংবিধানৰ এই যিটো আৰ্টিকেল ১২৫ আছে সেইটো ডিলিট কৰিব লাগে। তাত লিখা আছে যদি কোনো জিলা পৰিষদে বা পৰিষদৰ সভাপতি সম্পাদক সদস্যই কিবা কাৰণত মিচ ইউজ কৰা বুলি গম পাই তেতিয়া আৰ্টিকেল ১২৫ মতে ৰাজ্য চৰকাৰে সেই পৰিষদখন দিজলভ্ কৰিব পাৰে যেনেকৈ আৰ্টিকেল ৩৬৬ মতে ৰাজ্য চৰকাৰক কেন্দ্ৰীয় চৰকাৰে ভঙ্গ কৰাৰ ক্ষমতা আছে। যদি কিবা কাৰণত সেই

জিলা পৰিষদখন নিৰ্দলীয় প্ৰাৰ্থীয়ে স্থাপিত কৰে তেতিয়া চৰকাৰে মিচ ইউজ কৰা বুলি ধৰি লৈ তৎক্ষনাত জিলা পৰিষদখন ভঙ্গ কৰিব পাৰে, আনকি বিসম্বাদী কংগ্ৰেছৰো যদি কোনোবা সদস্য থাকে বা সভাপতি থাকে সেইখন কোনো কাৰণ নেদেখুৱাকে মিচ ইউজ কৰা বুলি ভঙ্গ কৰি দিব পাৰে। থিক তেনেকৈ আন এটা আৰ্টিকেল ৭৪ যিটোত কেবল ভাইচ প্ৰেচিডেণ্ট আৰু প্ৰেচিডেণ্ট ৰিমোভ কৰি জিলা পৰিষদ খন বাহাল ৰাখিব পাৰে। উদাহৰণ স্বৰূপে, চাওক গোৱাত কি হ'ল ? তাত গোৱাৰ ৰাজ্যপালে তেওঁৰ ক্ষমতা মিচ ইউজ কৰি আপোনালোকৰে মুখ্যমন্ত্ৰীক ক্ষমতাচ্যুত কৰিলে দলত ৰাজ্যপালে নিজে পদত্যাগ কৰিব লগা হ'ল। সেয়ে মই মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যদি প্ৰকৃততেই আপোনালোকে মহাত্মা গান্ধীৰ পৰিকল্পনা বাস্তৱত ৰূপায়িত কৰিব বিচাৰিছে আৰু ক্ষমতা গাঁৱৰ ৰাইজলৈ হস্তান্তৰিত কৰিব বিচাৰিছে তেতিয়াহলে এই আৰ্টিকেল ১২৫ আৰু ৭৪ আৰ্টিকেলটো দিলিট কৰক।

**Mr. Deputy Speaker :** Hon'ble Member Shri Bhupen Rai.

✪ শ্ৰীভূপেন ৰয় ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়তীৰাজ ১৯৯৪ চন বিলখন আজি সদনত আনিছে তাৰ ওপৰত আমি এটা সংশোধনী আনিছো কিয়নো ক্লজ ৭০ মতে আমি বিধায়ক সকলে যাতে পঞ্চায়তত প্ৰেচিডেণ্ট আৰু ভাইচ প্ৰেচিডেণ্টৰ কাৰণে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা ৰাখিব লাগে। কিয়নো এই ক্ষেত্ৰত আমি কিছুমান অসুবিধাৰ সন্মুখীন হৈছো, বিশেষকৈ আমাৰ বঙ্গাইগাও জিলাত বড়ো অটোনোমাচ কাউনচিলৰ কাৰণে কিছুমান অসুবিধা আহি পৰিব। আমি ভাল পাইছিলো যেতিয়া পঞ্চায়ত মন্ত্ৰীয়ে এই বিলখন উত্থাপন কৰোতে মাননীয় সদস্য পৰমেশ্বৰ ব্ৰহ্ম ডাওৰীয়াই বি, এ, চি, ত যিসকল অবড়ো মানুহ আছে তেখেত সকলৰ সুবিধা- অসুবিধাতো এই বিলৰ জৰিয়তে সমাধান হব। কিন্তু পঞ্চায়ত মন্ত্ৰীয়ে জনালে যে এই ক্ষেত্ৰত এটা বিবেচনাহে হৈ আছে। উপাধ্যক্ষ মহোদয় বি, এ, চি বিলখনৰ জৰিয়তে বেচি সংখ্যক অবড়ো মানুহৰ সুবিধা হ্ৰাস কৰা হৈছে। গতিকে পঞ্চায়ত নিৰ্বাচনত বিধায়ক সকলকো যদি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দিয়া হয় তেতিয়া অবড়ো মানুহ খিনিয়ো এটা জাচটিচ পাব।

অধ্যক্ষ মহোদয়, আপুনি জানে আমাৰ মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাওৰীয়াই কৈছে যে বড়ো অটোনোমাচ কাউন্সিল বড়ো সকলৰ কাৰণে কৰা হৈছে

✪ Speech not corrected

কিন্তু ব্ৰহ্ম ডাঙৰীয়াই অবড়ো সকলৰ কাৰণে বক্তব্য ৰখা নাই। সেই কাৰণে মই কৈছো – আমাৰ অসুবিধা হব। বি,এ,চি, এলেকাত বড়ো বিধায়ক সকলে যিবোৰ সুবিধা ভোগ কৰিব সেই সকলোবোৰ সুবিধা অবড়ো বিধায়ক সকলেও পাব লাগে। আৰু শতকৰা ৫০ খন গাওঁ য'ত নতুনকৈ সোমোৱাই লোৱা হৈছে – সেই সাংবিধানিক ক্ষমতাৰ পৰা যাতে বঞ্চিত নহয় – তাৰ বাবে পঞ্চায়ত আইনত সাংবিধানিক সুবিধাখিনি নিৰূপিত কৰিব লাগে। "Members of the Assam Legislative Assembly representing of the Legislative Assembly constituency shall be eligible to contest in the election." এই কথাখিনিও সোমোৱাই লব লাগে। লগতে বড়ো আৰু অবড়োৰ মাজত যাতে সংঘাটৰ সৃষ্টি নহয় তাৰ কাৰণে নজৰ ৰাখিব। মই পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে বি, এ, চি, এলেকা সম্পৰ্কে যিটো কথা কোৱা হৈছে "It shall extend to the whole of Assam in the rural areass except the Autonomous Districts under the Sixth Schedule." বৰ্ত্তমান যিটো বি,এ,চি, গঠন কৰিছে – সেইটো এতিয়ালৈকে ষষ্ঠ অনুসূচীত পৰা নাই। সেই কাৰণে এই পঞ্চায়ত বিলখনত এইখিনি কথা যাতে ধৰি ৰাখে – তাৰ কাৰণে নজৰ ৰাখিব।আমাৰ ২৯ টা সমষ্টি বি,এ,চি, ত পৰিছে। এই সমষ্টিৰ মানুহবিলাকে পঞ্চায়তৰ যোগেদি তেওঁলোকৰ সা-সুবিধাসমূহ পাব পাৰে, তাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, আপুনি জানে যে বি, এ, চি, ত ৪০ খন সদস্যৰ চিট আছে। তাৰে ৩০ খন জনজাতিৰ বাবে সংৰক্ষিত আৰু ১০ খন অবড়ো বা অজনজাতিৰ কাৰণে সংৰক্ষিত। তেখেত সকলে হিচাব উলিয়াইছে যে– ৬ লাখ বড়ো মানুহ আছে আৰু বাকী ১২ লাখ অবড়ো লোক। কিন্তু অব্রাচ অবড়ো সকলে নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ সুবিধা বিশেষভাৱে আছে নে ? গতিকে তাত অবড়ো সকলেও যাতে নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ সুবিধা কৰিব পাৰে তাৰ ব্যৱস্থা ৰাখিব লাগে। মাননীয় সদস্য শ্ৰীভৃৱত নৰহ ডাঙৰীয়াই আশা কৰাৰ দৰে আমিও আশংকা কৰিছো যে এই বিলাক যদি সংৰক্ষিত হৈ যায় – আৰু বড়োসকলে বসতি কৰা এলেকা যদি অবড়ো সকলে বসতি কৰা এলেকা যদি বড়ো সকলৰ কাৰণে সংৰক্ষিত হৈ যায় – আৰু বড়ো সকলে বসতি কৰা এলেকা যদি অবড়োৰ কাৰণে সংৰক্ষিত হৈ যায় – তেন্তে অসুবিধা বা সংঘাট হোৱাতো স্বাভাৱিক। সেই কাৰণে তাত বড়ো লোকেই হওক বা

অবড়ো লোকেই হওক– বিধায়ক সকলো যাতে প্ৰতিনিধি হব পাৰে – সেই সাংবিধানিক সুবিধাই দিয়া ক্ষমতাখিনি যাতে ভোগ কৰিব পাৰে – তাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**Mr. Deputy Speaker** : Now, Hon'ble Member Shri Badan Baruah.

✪ শ্ৰীবদন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত যিখন অসম পঞ্চায়ত উত্থাপিত হৈছে – এইখন অনুমোদন দিয়া হওক – এইটো মই বিচাৰিছো আৰু লগতে ক্ষমতা বিকেন্দ্ৰীকৰণত আমাৰ গাঁৱৰ মানুহৰ দুৱাৰ দলিলৈ ক্ষমতা বিকেন্দ্ৰীকৰণ হওক এইটোও মই আশা ৰাখিছো। লগতে এইটোও আশা কৰিছো – যাতে এই বিধেয়কখন আইন হোৱাৰ পিচত যাতে এটা বহুৱালীত পৰিণত নহয় আৰু সেই বান্দৰে যে পিঠা ভগাইছিল – সেই গল্পত পৰিণত নহয় – সেইটোও লগতে মই আশা কৰিছো। অধ্যক্ষ মহোদয়, এই বিধেয়কৰ জৰিয়তে গাওঁ অঞ্চলৰ উন্নতিৰ কাৰণে ক্ষমতা বিকেন্দ্ৰীকৰণ হব – লগে লগে তালৈ ধন যাব। অধ্যক্ষ, মহোদয়, এইটো মোৰ অভিজ্ঞতা। আজি পৰ্যন্ত গ্ৰামোন্নয়ণৰ কাৰণে ইতিমধ্যে যিমানখিনি ধন চৰকাৰে তালৈ পঠাইছে – সেইটো নাদিৰশ্বাহৰ ভাৰত আক্ৰমণৰ লগত তুলনা কৰিব খোজো। ভাৰত যেতিয়া নাদিৰশ্বাহে আক্ৰমণ কৰে – ভাৰতৰ পৰা বোলে বুৰঞ্জীয়ে কয় ৫ হেজাৰ কোটি নগদ টকা তেখেতে লগত লৈ গৈছে। তাৰোপৰি ময়ূৰ সিংহাসন নিছিল, কহিনুৰ হীৰা নিছিল, বহুতো মণি-মুকুটা নিছিল, ৩০০ হাতী নিছিল, ১০ হেজাৰ উট, ১০ হেজাৰ ঘোৰা আৰু বহুত ৰত্ন নিছিল। এইখিনিৰ যিখিনি মূল্য হব সেইখিনিৰ মূল্যতকৈও অধিক ধন গ্ৰামোন্নয়ন বিভাগত লুট হৈছে। মই এটা স্পেচিফিক উদাহৰণ দিছো। আজি এবছৰ নে দুবছৰ আগতে গ্ৰামোন্নয়ণৰ আয়ুক্ত তেখেত হাজো খণ্ড উন্নয়ণলৈ গৈছিল আৰু তাত থকা দুৰ্নীতিৰ কাৰণে বহুত কাগজ বাজেয়াপ্ত কৰিছে আৰু সেইবিলাক গাপ দি থলে। এইটো বাদ দিও আজিৰ তাৰিখত কৈছো ১৯৯৩-৯৪ চনৰ ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহত হাজো উন্নয়ণ খণ্ডত যিখিনি কাম হৈছে সেইখিনি কাম মই কৈছো যে যিখিনি কৰ্মচাৰী জে,ই, হওক বা আন কোনোবা হওক কামটোত কৈ দিছো ৬০।৪০। তেওঁলোকে ৬০ ৰ কাম নকৰিব - নহলে পইচা নাপাব। ইয়াৰ ফলত প্ৰকল্প বিষয়াই যি পায়, উদাহৰণ স্বৰূপে মই স্পেচিফিকেলী কৈছো যে ২ আগষ্টৰ দিনা আমাৰ যিটো কামৰূপ জিলা

✪ Speech not corrected

বিকাশ অভিকৰণৰ যিটো প্ৰকল্প বিষয়া গধূলি ইয়াৰ পৰা গৈছে। শুনা পাইছো ঠিকাদাৰক যিখিনি কামৰ পইচা দিব বিচাৰিছিল সেইখিনি দিব নোৱাৰিলে কাৰণে পি, ডি, য়ে তাৰ এটা ভাগ লৈ আহিছে। সদনত অভিযোগ কৰিছো বিচাৰ হব লাগে আৰু মই বৰ দুখেৰে কৈছো যে তাত এজন জে,ই, যিজন আমাৰ পঞ্চায়ত মন্ত্ৰী বৰ্ম্মণ ডাঙৰীয়াৰ লগত নিছিল মই ভাল পাইছিলো অন্ততঃ মন্ত্ৰীৰ তলত শাসিত হৈ থাকিব। সেই মানুহজন আকৌ হাজোলৈ আহিল। মন্ত্ৰীক সোধোতে উপায় নাই কি কৰিম ? পঞ্চায়ত মন্ত্ৰী এজন ব্যক্তিক জে,ই, ৰ নিচিনা এজনক শাসন কৰিব নোৱাৰে তাতোকৈ দুখৰ কথা কি হব পাৰে। অধ্যক্ষ মহোদয়, মই দুখেৰে কৈছো যে আমি এই বিভাগবিলাকলৈ গলে বিশেষকৈ ডি, আৰ, ডি, এ, কামৰূপলৈ গলে মই ভাবো আমাক সৰাচুলি বুলি জ্ঞান কৰে। হিন্দী শব্দটো ব্যৱহাৰ কৰা নাই। ইচ্ছা হয় । গতিকে এই দুৰ্নীতি বিলাক আকৌ বাঢ়িব। আৰু এই কথাটো কৈছো যে ইতিমধ্যে যিবিলাক গ্ৰামাঞ্চলত যিবিলাক উন্নয়ণ খণ্ড যিবিলাক জে,ই, ব্লক অফিচাৰ আছে তেখেত সকলে এই কামত জইন কৰাৰ অৰ্থাৎ চাকৰিত নিযুক্তি হোৱাৰ আগতে তেওঁ কি সা-সম্পত্তি আছিল আৰু আজিৰ তাৰিখত কি সা-সম্পত্তি হৈছে সেইটো অন্ততঃ চৰকাৰে তাৰ এটা সমীক্ষা উলিয়াব লাগে – যাতে তেখেত সকল জ্ঞাত হয় – কি ধৰণে নাদিৰ শ্বাহৰ ভাৰত আক্ৰমণত যিটো লোট হৈছিল – তাতকৈ বেছি প্ৰমাণিতক হব। এইটো মই ৰাখিছো যে অন্ততঃ আমাৰ গাওঁৰ কামখিনি যাতে ৬০।৪০ নহয় ৭০ হওক। ৩০ শতাংশ অন্যত খৰচ কৰাৰ দৰে খৰচ হওক সেইটো মই আশা কৰিছো। আৰু বেছি টকা দিয়া হব – কিন্তু গাওঁৰ মানুহে কি সুফল পাব এইটোত মোৰ সন্দেহ থাকি গল।

(Mr. Speaker occupied the chair)

**Mr. Speaker :** Now, Hon'ble Member Shri Milan Boro.

✪ শ্ৰীমিলন বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে অলপ কবলৈ বিচাৰিছো। যি পৰিস্থিতি যি পৰিবেশত নিখিল বড়ো ছাত্ৰ সন্থাই আন্দোলন কৰি অহাৰ পিছত বড়ো লেণ্ড অটোনোমাছ কাউন্সিল গঠন কৰিব লগা হৈছিল এই কথাটো আমাৰ এই সদনৰ প্ৰতি গৰাকী মাননীয় সদস্যই জানে । আমাৰ নিখিল বড়ো ছাত্ৰসন্থাৰ প্ৰকৃততে দাবী আছিল বড়োলেণ্ড সুকীয়া ৰাজ্য গঠন কৰাৰ। কিন্তু এই সুকীয়া ৰাজ্য গঠনৰ দাবী প্ৰত্যাহাৰ কৰি বিভিন্ন ৰাজনৈতিক দল, বুদ্ধিজীৱি সকলৰ লগত

✪ Speech not corrected

আলোচনা কৰি আমাৰ ছাত্ৰ সংগঠনে এই দাবীটো ত্যাগ কৰি অসমৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি সহাৰি জনাই কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ লগত আলাপ আলোচনা কৰি তেখেতসকলৰ প্ৰস্তাৱিত অঞ্চলৰ বহু অংশ বাদ দি উত্তৰাঞ্চলক সামৰি লৈ বড়োলেণ্ড অটোনোমাছ কাউন্সিল সৃষ্টি হোৱাৰ পিছত সেই কাউন্সিলৰ বিভিন্ন অৱস্থাৰ উন্নয়নৰ কাৰণে ৰাজনৈতিক ভাবে বড়োলেণ্ড গঠন কৰা হৈছিল আৰু তাৰ কাৰণে বড়োলেণ্ড কাউন্সিল এক্ট সৃষ্টি কৰা হৈছে এই সদনৰ মজিয়াতে। কিন্তু দুখৰ বিষয় এই যে যি উদ্দেশ্য লৈ বড়োলেণ্ড অটোনোমাছ কাউন্সিল গঠন কৰা হৈছিল, এতিয়া পঞ্চায়তৰ এই সংশোধনী বিলৰ দ্বাৰা তাৰ প্ৰশাসনিক ক্ষমতা হ্ৰাস পাব।

মাননীয় অধ্যক্ষ ঃ সময় কম। আপুনি আপোনাৰ কোৱা শেষ কৰক।

✪ শ্ৰীমিলন বড়ো ঃ সেই কাৰণে মই চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। বড়োলেণ্ড অটোনোমাছ কাউন্সিল যিটো উদ্দেশ্যত গঠন কৰা হৈছিল, সেই উদ্দেশ্য যাতে সফল হয় তাৰ কাৰণে পঞ্চায়ত আইনৰ যি সংশোধনী আনিবলৈ বিচাৰিছে সেইটো যাতে তাত প্ৰযোজ্য নকৰে তাৰ কাৰণে অনুৰোধ কৰিলো। এই সদনতে মাননীয় কেইগৰাকীমান সদস্যই বড়োলেণ্ড অটোনোমাচ কাউন্সিলৰ ওপৰত কিছু কথা কৈছিল তাৰ ওপৰত মই কিছু কথা কব লগা আছে। গতিকে মোক এক মিনিট সময় দিয়ক। আমি বহুখিনি ত্যাগ কৰি সুকীয়া ৰাজ্যৰ দাবী বাদ দি বি এ চি গ্ৰহণ কৰিছো। সেই কাউন্সিল অসমৰ ভিতৰতে গঠন কৰা হৈছে। কিন্তু এতিয়া তাৰ ভিতৰত থকা অবড়ো মানুহৰ কাৰণে যিটো সন্দেহ কৰিছে তাত কোনো সন্দেহ কৰিব লগা নাই। গতিকে মই তেখেত সকলক ব্যক্তিগত ভাৱে অনুৰোধ কৰিছো যাতে বড়োলেণ্ড কাউন্সিল গঠন কৰাৰ উদ্দেশ্য সফল হয়। আৰু চৰকাৰে যাতে পঞ্চায়ত আইনখন বড়োলেণ্ড অঞ্চলত প্ৰযোজ্য নকৰে।

**Mr. Speaker :** Now, Hon'ble Member Shri Hitendra Nath Goswami.

✪ শ্ৰীহিতেন্দ্ৰনাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পঞ্চায়ত বিলৰ ২৫ টা সংশোধনীৰ ভিতৰত ২০ টাই আনিছো। মই দীঘলীয়াকৈ নকওঁ। মাত্ৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো। মই প্ৰতিটো ক্লজেই পঢ়িছো। চৰকাৰে পঞ্চায়ত বিলৰ সংশোধন কৰি জিলা পৰিষদ গঠন কৰিবলৈ বিচাৰিছে। মই এই সম্পৰ্কে প্ৰতিটো ক্ষেত্ৰতে

✪ Speech not corrected

বক্তব্য ৰাখিবলৈ বিচাৰিছো। প্ৰথম কথা হৈছে এনে ধৰণৰ বিল আনিলে ৰাজ্যখনৰ জনসাধাৰণৰ স্বাৰ্থ জড়িত বিলবিলাক আনোতে যাতে ভৱিষ্যতে চিলেক্ট কমিটিলৈ পঠিয়ায়। সদনলৈ অনাৰ আগতে ১০ দিন বা এক সপ্তাহ আগতে প্লেচ কৰিলে সদস্যসকলে আলোচনা কৰাৰ সুবিধা পায়। মই আশা ৰাখিছো এনে ধৰণৰ বিল বিলাক সদনলৈ অনাৰ আগতে প্লেচ কৰে। তেতিয়াহলে কোৰ্টলৈ যোৱাৰ প্ৰয়োজন নহয়। দ্বিতীয়তে এই বিলখনৰ লগত চৰকাৰী বিষয়া সকল জড়িত হৈ আছে। এইবিলখন বনোৱা হৈছিল মুখ্যতঃ কৰ্ণাটকৰ পঞ্চায়ত আইনৰ ওপৰত ভিত্তি কৰি। মই কৰ্ণাটকলৈ পাবলিক একাউণ্ট কমিটিৰ হৈ যাওঁতে তাত অধ্যয়ন কৰিছিলো। এই বিলখন পঢ়ি জানিব পাৰিছো তাত বিষয়াসকলৰ ক্ষমতা কিছু হ্ৰাস কৰা হৈছে। কিন্তু অসমৰ এই বিলখন বনাওঁতে তাত বিষয়াসকলক যথেষ্ট পৰিমাণে ক্ষমতা দিয়া হৈছে। চৰকাৰী বিষয়া তাত জড়িত হৈ থাকিবই লাগিব। জিলা পৰিষদত সেই He should have been placed at the disposal of the Zilla Parisad এইটো হব লাগিছিল। তেতিয়া হলে জিলা পৰিষদ বাস্তৱ ক্ষেত্ৰত কাৰ্যক্ষম হলহেতেন। আমাৰ ইয়াত ডিষ্ট্ৰিক্ট প্লেনিং কমিটিৰ প্ৰ'ভিজন ৰখা হৈছে। ডিষ্ট্ৰিক্ট প্লেনিং কমিটিত এম এল এ সকলক সদস্য হিচাবে ৰখাৰ ব্যৱস্থা ৰাখিব লাগে। এজন বিধায়ক দুখন জিলাৰ দুটা মহকুমাৰ প্ৰতিনিধিও হব পাৰে। তেতিয়াহলে সেই বিধায়কজনক দুইখন জিলাৰ সদস্য হব। তেতিয়া হলে বিধায়কজনে দুইখন মহকুমাৰ কাৰণে কৰ পাৰিব। The member of the Assam Legislative Assembly whose major part of the constituencies fall within the district যদি এইটো নকৰে The member of the Assambly Legislative Assembly whose constituency falls within the District. তেতিয়াহলে জনসাধাৰণৰ ভাল হব। আন এটা কথা হ'ল জিলা পৰিষদৰ যিবিলাক সদস্য আছে সেই সদস্য সকল ডিষ্ট্ৰিক্ট প্লেনিং কমিটিৰ সদস্য হিচাপে জড়িত থাকিলে ভাল আছিল। বিধায়ক সকলক ডিষ্ট্ৰিক্ট প্লেনিং কমিটি 3(2)c Such number of persons not less than fourfifth of the total number of member as many be specified by the Government elected in the prescribed manner from amongst the Members of the Zilla Parisad, Councillor of Municipal corporation or Municipalties as the case may be , and

the members of the Town Comittees in the Districts on rotation annually and in proportion to the ratio between the population of the rural areas and to the Urban areas of the District. এই ক্লজটোৱে খেলিমেলি সৃষ্টি কৰিব। মই ভাবো ডিষ্ট্ৰিক্ট কমিটিত বিধায়কসকল সদস্য হিচাবে থকাই ভাল। লগতে জিলা পৰিষদৰ সভাপতি আৰু মিউনিচিপালিটিৰ সভাপতি ইয়াৰ সদস্য হৈ থাকিব । তেতিয়া প্ৰতি বছৰে মেম্বাৰ নিৰ্বাচন কৰাৰ দৰকাৰ নহব। ডিষ্ট্ৰিক্ট প্লেনিং কমিটি যিহেতু চুপ্ৰিম অথ'ৰিটি হব। গতিকে এইটো বাদ দিয়াই ভাল হব। এই সংশোধনীৰ ৩ নং স্তৱত আছে। ডিষ্ট্ৰিক্ট কমিটি কি ? ইয়াৰ ব্যাখ্যা দিয়া আছে।

অধ্যক্ষ মহোদয়, মোৰ ৩.য পইণ্টটো জিলা পৰিকল্পনা কমিটি খনৰ Shall consolidate the Planning prepared by the Zilla Parisad, Anchalik Parisad and Gaon Panchayat আপোনালোকে জিলা পৰিকল্পনা কমিটিত জিলা পৰিষদৰ মেম্বাৰ আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ development for the district as a whole কোন হব । জিলাখনৰ মন্ত্ৰীজনক জিলা পৰিকল্পনা কমিটিৰ চেয়াৰমেন কৰাৰ বৰ্তমানৰ যিটো ব্যৱস্থা আছে সেইটো বাহাল ৰাখিলে ভাল হয়। মই লিখিছো এনেকৈ — in clause 3 the Proposed subcluse 3,4 and 5 shall be substituted by the following (3) the Dy, Commissioner of the District shall be the Ex-Officio secy. of the committee. (4) the chief Executive Officer of the Zilla Parisad shall be a permanent invites of the committee as an ex-officis member. (5) A Minis ter of the concerning district shall be appointed as the chair man of the District Planning Committee. ইয়াত ৩টা ক্লজ আছে লাষ্ট ক্লজটোত দিছিলে Provided that where these is no Minister in the district a Minister of the neigh bouring District shall be appointed as the chairman সেইটো কৰিলে ভাল হয় । ডিষ্ট্ৰিক্ট কমিটিৰ ক্ষেত্ৰত Dy. Commissioner should be permanent invitee of the committee as Ex-Officio member. জিলা পৰিষদৰ সদস্যজনক এক্স-অফিচিঅ মেম্বাৰ, ডি,চি, জনক চেক্ৰেটাৰী

The motion is passed.

Now item No.9 ( b ). Hon'ble Member Shri Hitendra Nath Goswami is to speak.

---

✪ Speech not corrected

✪ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে "অসম ৰাজ্যিক মহিলা আয়োগ, ১৯৯৪" প্ৰস্তাৱ কৰা বিলখনত আমাৰ অবজেকচন আছে।

Whereas it is expedient to provide for the constitution of Commission for furthering the fundamental rights guaranted by articles 14, 15 and 16 of the Constitution of India with respect to women and to give effect to the Directive principles of State Policy and in particular those enshrined in Articles 38, 39, 39A and 42 of the Constitution to improve the status and dignity of women in the society. ৰায় দি মহিলাৰ ক্ষেত্ৰত ভালদৰে প্ৰযোজ্য হবৰ কাৰণে The Commission shall consist of the following :-

(a) The Chairperson

(b) The Vice-Chairperson

to be nominated by the State Government.

(c) Seven members to be appointed by the State Government of whom at least one shall belong to the Scheduled Caste/Scheduled tribes from amongst persons of ability and integrity and who have served the cause of woman or have had experience in law or administration concerning the advancement of women or leadership of any voluntary organisation for women for protection and promotion of common interest of women ভাৰতবৰ্ষৰ মহিলা সকলৰ ক্ষেত্ৰত প্ৰযোজ্য হব পৰাকৈ আৰু সেই আহিত ৰাজ্যিক মহিলা কমিশ্যনবিলাক গঠন কৰা হৈছে। সেই উদ্দেশ্যত বিলখন অনা হৈছে । এইটো মহিলাসকলৰ কাৰণে এটা চিন হৈ উঠিছে। এই ক্ষেত্ৰত মহিলাসকল যাতে বেছিকৈ উপকৃত হব পাৰে তাৰ কাৰণে দুটামান পৰামৰ্শ আগবঢ়াব খুজিছো। আমাৰ কেইজনমান মাননীয় সদস্যই কেইটামান এমেণ্ডমেণ্ট দিছে, সেইকেইটাৰ ওপৰত চৰকাৰে ভালদৰে চিন্তা চৰ্চা কৰি প্ৰকৃত মহিলাসকলৰ উপকাৰত অহাকৈ কৰিব লাগে। মহিলাসকলৰ কাৰণে এখন ৭ জনীয়া কমিটি

✪ Speech not corrected

গঠন কৰি দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, নেচনেল লেভেল কমিচন আৰু ৭ জনীয়া কমিটিখনৰ লগত তাৰতম্য আছে। নেচনেল কমিশ্যনে সাধাৰণতে প্ৰফেচন মহিলাসকলৰ বেছি গুৰুত্ব দিছে । ক্লজত আছে যে The veri purpose for which the commission is going to be set up will be defeated if we fail to assign the responsiblities and powers of the Members. যিখন নেচনেল কমিশ্যন আছে ভিজিটৰচ লিডাৰচিপ থকা ৰাজনৈতিক উদ্দেশ্য যে আন এটা নিৰ্দিষ্ট ৰাজনৈতিক দলৰ লগত সমন্বয় ঘটাটো ভলণ্টিয়াৰি অৰগেনাইজৰ ওপৰত যথেষ্ট প্ৰভাৱ পৰিছে। কমিটিখনৰ চেয়াৰমেন যিয়ে নহওক, চেয়াৰমেন হিচাবে যি গৰাকী মহিলাক দিছে তেখেত আমাৰ বিধান সভাৰ এগৰাকী সদস্যা নেকি ? ৩ গৰাকীৰ ভিতৰত এগৰাকী গুৱাহাটীৰ কোনোৱা এঠাইৰ প্ৰফেচাৰ, এগৰাকী কে কি চিচটেমৰ কোৰ্টৰ লয়াৰ আৰু আন গৰাকী ৰাজনৈতিক দলৰ পৰা বিশেষভাবে দিছে। এনেকৈয়ে যদি হয় ভৱিষ্যতলৈ যি শাসনত থাকে, মহিলা সকলক তাৰ ওপৰত যি কোনো বিচাৰ দিব নোৱাৰে। ৰাজনৈতিক উদ্দেশ্য হিচাবে ফুলফিল কৰিব আৰু প্ৰকৃত যিটো ৰায় দিব লাগে সেইটো নিদিব । আলোচনাৰ মাজতে সীমাবদ্ধ নাথাকি মহিলাসকলৰ যিটো দুৰৱস্থা সময়ত নীতি নিৰ্দ্ধাৰণ কৰি নলয় তেতিয়া অসুবিধা হব । মহিলা সকল ধৰ্ষণৰ বলি হৈছে। দুৰ্বল মহিলা সকলে কোনোধৰণৰ প্ৰটেকচন কাৰো পৰা নাপায়। কেতিয়াবা ব্যক্তিজন শক্তিশালী হলে তেওঁৰ বিৰুদ্ধে অভিযোগ দিয়াটো অসুবিধা হয়। তেওঁ হয়তো আইনত সাৰি যায়। কোনো এগৰাকী মহিলাৰ অভিযোগৰ দিন বিলাক বাঢ়ি গৈ থাকে কোনেও যদি খবৰ নলয় তেতিয়া সেই মহিলাগৰাকী পৰিত্যক্ত মহিলাত পৰিণত হয়।

অধ্যক্ষ মহোদয়, সাধাৰণ কিছুমান কথাৰ ওপৰত চেমিনাৰ নাপাতি কি কাৰণে মহিলা সকল উপেক্ষিত হৈ আছে সেইবিলাক পুংখানুপুংখৰূপে বিশ্লেষণ কৰি একো একোটা চেল পাতি এই যে ৭ গৰাকী সদস্যা দিছে মহিলা আয়োগত দিছে সেইটো ভালদৰে অধ্যয়ণ কৰা উচিত। এই যে ৭ গৰাকী সদস্যা দিয়া হৈছে এই ক্ষেত্ৰত তেওঁলোকৰ প্ৰফেচিনচিৰ ওপৰত বা বিভিন্ন যোগ্যতাৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। কেৱল ৰাজনৈতিক জ্ঞান থকা মহিলাক যদি এই আয়োগত দায়িত্ব দিয়া হয় তেতিয়া হলে বিচাৰমতে কাম নহব। সেইবুলি ৰাজনৈতিক জ্ঞান থকা মহিলাকো যে দিব নালাগিব সেইটোও কোঁৱা নাই, মুঠতে সকলো জ্ঞানৰে পৰিপুষ্ট মহিলাক

আয়োগত মনোনীত কৰিলে ভাল হব। অকল ৰাজনৈতিক মহিলাক আয়োগত মনোনীত কৰিলে সেইটো অলংকাৰৰ নিচিনা হব। আপোনালোকে দেখিছে যে আমাৰ বিভিন্ন নিগম বিলাকত আৰু নিকায় সমূহত যিবিলাক চেয়াৰমেন মনোনীত কৰা হৈছে সেই সকল কেৱল অলঙ্কাৰৰ নিচিনাহে হৈছে। সেইকাৰণে প্ৰফিচিয়েনচি আছে নে নাই সেইটো চাব লাগে। দ্বিতীয়তে আয়োগৰ কাৰণে আপোনালোকে মাত্ৰ তিনিলাখ টকাহে বাজেটত ধৰিছে। ইতিমধ্যে আপোনালোকৰ আয়োগৰ নামত ২৫ হাজাৰ টকা খৰছ হৈছেই। ইমান কম টকাৰে এটা মহিলা আয়োগ হব নোৱাৰে। বাজেট প্ৰভিজন অতি কম হৈছে। ইমান কম টকাৰে যি উদ্দেশ্যৰে মহিলা আয়োগ গঠন কৰা হৈছে সেই উদ্দেশ্য সাধন কৰিবলৈ ইমান কম টকাৰে কেনেকৈ ফাংচন কৰিব। মহিলা আয়োগৰ কাৰণে আপেনালোকে এখন গাড়ীৰ ব্যৱস্থা কৰিব খুজিছে, আমিও আয়োগৰ চেয়াৰমেনক আয়োগৰ কাৰ্যালয় চলোৱাৰ সুবিধাৰ্থে এখন গাড়ী দিয়াতো বিচাৰো। যদি মহিলা আয়োগৰ চেয়াৰমেনৰ কাৰণে এই তিনি লাখ টকাৰ পৰা এখন গাড়ী কিনা হয়, তেতিয়া গাড়ীখনৰ নামত কমেও ২.৭৫ লাখ টকা গুছি যাব। তেতিয়া আয়োগৰ টাৰ বাজেটৰ বাকীখিনি টকাৰে আয়োগটো কেনেকৈ চলিব আৰু আয়োগটোৰ ফাংচন কেনেকৈ চলাব। আপোনালোকৰ সমাজ কল্যাণ বিভাগৰ যিটো চোছিয়েল ওৱেলফাৰ এডভাইচাৰী বোৰ্ড আছে আৰু তাৰ কাৰণে যি টকা বাজেটত ধৰা হৈছিল তাৰে ৩৫ লাখ টকা এতিয়াও বোৰ্ডক দিবলৈ বাকী আছে। থিক তেনেকৈ যদি আপোনালোকে এই মহিলা আয়োগক উপযুক্তভাবে কাম কৰিবলৈ টকা দিয়া নহয়, তেতিয়াহলে কেনেকৈ এই মহিলা আয়োগটোৱে ফাংচন কৰিব। এই মহিলা আয়োগটো গঠন কৰি যাতে মহিলা সকল বেলেগৰ হাতৰ পুতুলা হব নালাগে তাৰ প্ৰতি চকু দিয়াটো উচিত হব। এই মহিলা পৰিষদৰ কাম কাজ সম্পৰ্কে বা মহিলা আয়োগটোৰ কাম কাজ কেনেকুৱা হব, তাৰ এটা স্পষ্ট ইঙ্গিত দিব লাগে। লগতে এই মহিলা আয়োগটোত আমাৰ বিধান সভাৰ সদস্যাকো নিৰ্বাচিত বা মনোনীত কৰিব পৰা প্ৰভিজন এটা ৰাখিব পাৰিলে ভাল হয়। যেনেকৈ আমাৰ বোৰ্ড, নিকায় আদিত মহিলাকো সভানেত্ৰী বা সদস্যা হিচাবে মনোনীত কৰাৰ প্ৰভিজন এটা আছে। তেতিয়াহে মহিলা আয়োগৰ প্ৰকৃত কাম কাজৰ উদ্দেশ্য জানিব পাৰিব। ইয়াৰ দ্বাৰা এটা আমাৰ ৰাজ্যখনত নতুন ব্যৱস্থা লব বিচৰা হৈছে, তাৰ কাৰণে আমি আদৰণি জনাইছো। ইয়াত মহিলা আয়োগ এখন গঠন কৰি

বিধান সভাৰ অনুমোদন লব বিচৰা হৈছে, কিন্তু মহিলা আয়োগখনৰ সদস্যা সকলৰ পাৱাৰ কি ? ফাংচন কি ? সম্পূর্ণভাবে ইয়াত ব্যাখ্যা কৰি দিয়া হোৱা নাই। এইবিলাক স্পেচিফিক কৰি দিয়াটো দৰ্কাৰ। লগতে এই মহিলা আয়োগৰ সম্পৰ্কত যিমান বিলাক লুক্‌ডোল আছে সেই বিলাক চালি জাৰি চাই তাক দূৰ কৰি এই মহিলা আয়োগক সুচাৰুৰূপে কাম কৰিবলৈ সুবিধা কৰি দিব বুলি আশা কৰি এই সংশোধনীটোৰ সম্পৰ্কত কবলগীয়াখিনি কৈ মই শেষ কৰিলো।

✪ শ্রীমিহুন রঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যে আসাম ষ্টেট কমিটি ফর ওয়েলফেয়ার অব উইমেন ১৯৯৪ বিল যে উদ্দেশ্যে এই সদনে আনা হয়েছে তার প্রিএম্বল এবং ষ্টেটমেণ্ট অব অবজেক্ট এণ্ড রিজন্স এতা উল্লেখ করা হয়েছে। মহিলাদেরে সংবিধান প্রদত্ত ষ্টেটাস্ এখানে গ্যারেণ্টেড্ করা হয়েছে, তাদের স্বাধীনতা দেওয়া হয়েছে। এই বিলে তাদের সুযোগ সুবিধার কথা উল্লেখ করা হয়েছে। কিন্তু বাস্তবিক ক্ষেত্রে দেখা যায় যে মহিলারা বিভিন্ন কুসংস্কারে নিমর্জিত এখনো রয়েছেন। আর বর্তমান শাসন ব্যবস্থায় প্রকৃতপক্ষে তারা এর থেকে সুরক্ষা পাচ্ছে না। যার ফলে তাদেরে আরও সুরক্ষা প্রদান করার জন্য এই বিল এই সদনে আনা হয়েছে। সংবিধানের আর্টিকল নং ১৪, ১৫, ১৬, ৩৮, ৩৯, ৩৯(ক) - এই সমস্ত ধরায় যে সমস্ত সুযোগ সুবিধা মহিলাদের জন্য রয়েছে এগুলোকে বাস্তবায়িত করতে এই বিল এই সদনে আনা হয়েছে। সুতরাং এই বিল আমরা প্রত্যেকেই সমর্থন করি। কারণ মহিলারা আমাদের রাজ্যে কম হলেও পণ প্রথার জন্য বলি হচ্ছেন, বিভিন্ন বার্ণিং কেস্ বলি হচ্ছেন। এটা সম্পূর্ণভাবে লোপ করতে হবে। সুতরাং এই বিল সমর্থন করার সঙ্গে সঙ্গে এই ব্যাপারে আমার সংশোধনী রেয়েছে। এই সম্পর্কে উল্লেখ করতে চাই যে সাবক্লজ(৩) এবং ক্লজ (৩) এ উল্লেখ রয়েছে " Seven members to be appointed by the State Government of whom at least one shall belong to the Scheduled Castes/ Scheduled Tribes from amongst persons of ability and integrity and who have served the cause of women have or had experience in law or administration concerning the advancement of women or leadership of any voluntary organisatin for women for pro-

✪ Speech not corrected

tection and promotion of common interest of women. "এই ক্লজ (৩) এবং সাবক্লজ (৩)এ আমার সংশোধনী এসেছে যে "Seven members to be appointed by the State Government of whom at least one of each will be from SC/ST add the Other Backward Classes" এই তিনিটা জনগোষ্ঠী - সিডিউলড্ কাষ্ট। সিডিউলড্ ট্রাইব এবং ওবিসি থেকে একজন করে তিনজন মেম্বার নিতে হবে। এই ব্যাপারে সরকার বিবেচনা করবেন। মহোদয়, আমার বক্তব্য দীর্ঘ করব না। এই তিনটা কম্যুনিটিতে মহিলারা সবচেয়ে বেশীনির্যাতীত এবং পশ্চাদপদ। সুতরাং এই সাতজনের কমিটীতে এই তিন জনকে নিতে হবে। এতে এদের সুরক্ষা হবে এবং এটা সরকার মানবেন এই আশা করে আমি আমার বক্তব্য শেষ করছি।

**Mr. Speaker :** Now, Hon'ble Member Shri Nizamuddin Khan.

✪ **শ্ৰীনিজামুদ্দিন খান :** মাননীয় অধ্যক্ষ মহোদয়, মহিলা কমিছনৰ যিখন বিল উত্থাপন কৰিছে নীতিগত ভাবে আমি সেইখন বিলক আদৰণি জনাইছো আৰু লগে লগে এটা সংযোজনী সংশোধন আনিব বিচাৰিছো। এই সংযোজনী সংশোধনীটোত আছে Section 3, Sub-Clause(3) voluntary organisation that is concerning advancement of woman or leadership of any voluntary organisation for woman for protection and promotion of common interest of woman আমি কবলৈ বিচাৰিছো এই ভলেণ্টাৰী ওৰগেনাইজেছন। হয়তো বিভিন্ন ভলেণ্টাৰী অৰ্গেনাইজেছন আছে। ইতিমধ্যে মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই কিছু কথা কৈছে। এতিয়া মই অনুৰোধ কৰিব বিচাৰিছো ভলেণ্টাৰী অৰ্গেনাইজেছন যেনে- মন বিকাশ কেন্দ্ৰ আদিৰ দৰে অনুষ্ঠান আছে। কিন্তু আমি বিচাৰিছো ষ্টেট লেভেলৰ যিবিলাক অৰ্গেনাইজেছন আছে, ৰাজ্যিক পৰ্যায়ৰ মহিলা সংগঠন আছে সেই বিলাকৰ লগত আলোচনা বিলোচনা কৰি এই মহিলা কমিছন গঠন কৰা হয়। ইতিমধ্যে মহিলাসকলৰ যি বিলাক সমস্যা আছে ধৰ্ষণৰ পৰা আৰম্ভ কৰি অন্যান্য সমস্যা আছে এই বিলাক ক্ষেত্ৰত মহিলাসকলৰ পাৱাৰ আৰু ফাংছন, টাৰমছ এণ্ড কণ্ডিছনৰ ব্যৱস্থা কোনে কৰিব এই কথাটো ইয়াত স্পষ্ট হোৱা নাই। আমি ভাবো যিবিলাক পৰামৰ্শ আছে সেইবিলাক নিৰ্দিষ্টভাবে উল্লেখ কৰাৰ প্ৰয়োজন। তাৰ দ্বাৰা

✪ Speech not corrected

মহিলা সকলৰ সমস্যা বিলাক সমাধানৰ ক্ষেত্ৰত কমিছনে বিশেষ অৰিহনা জগাব পাৰে। আমি সকলোৱে জানো আমাৰ দেশত মহিলা সকলৰ ওপৰত বিভিন্ন ধৰণৰ অত্যাচাৰ আৰম্ভ হৈছে। আজি আমাৰ সমাজত ভালে সংখ্যক মহিলাই যৌতুকৰ বলি হবলগীয়া হৈছে। আমাৰ দেশত যৌতুক প্ৰথাৰ ক্ষেত্ৰত আইন আছে কিন্তু বাস্তৱত ৰূপায়ন কৰাৰ কোনো ব্যৱস্থা নাই। মহিলা সংক্ৰান্তত যি আইন বা নীতি নিয়ম আছে সেইবিলাক সঠিক ভাবে কাৰ্যকৰী কৰিব পৰাকৈ নাইবা যৌতুক নাইবা ধৰ্ষণৰ ক্ষেত্ৰত যিবিলাক দোষী ব্যক্তি সেইসকলক শাস্তি দিয়াৰ ব্যৱস্থা কৰি বিভিন্ন সমস্যা সমাধানৰ কাৰণে এই মহিলা কমিছন নিৰ্দিষ্টভাৱে নিৰ্দ্ধাৰণ কৰি দিয়াৰ প্ৰযোজন আছে। এইবিলাক ব্যৱস্থা কৰিলে দোষীক শাস্তিৰ ব্যৱস্থা নাইবা প্ৰতিৰোধৰ ব্যৱস্থা কৰিব পৰা যায় তাৰ কাৰণে কিছু কথা সংযোজন কৰা প্ৰয়োজন আছে। এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো। মহিলা সকলৰ ক্ষেত্ৰত যিবিলাক আইন আছে সেইবিলাক কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। আকৌ মহিলা কমিছন গঠন কৰাৰ ক্ষেত্ৰত ৰাজ্যিক পৰ্য্যায়ৰ অৰ্গেনাইজেছন আছে সেইবিলাকৰ লগত আলোচনা কৰিব লাগে। লগে লগে ফাংছন আৰু পাৱাৰ, টাৰমছ এণ্ড কণ্ডিছন নিৰ্দ্ধাৰণ কৰিব লাগে। এইখিনিকে অনুৰোধ কৰি লগতে বিভাগীয় মন্ত্ৰীয়ে মহিলা সকলৰ উন্নতিৰ কাৰণে এনেকুৱা এখন কমিছন গঠন কৰিব বিচৰা বাবে তেখেতক ধন্যবাদ দি মোৰ বক্তব্য সামৰিছো।

**Mr. Speaker** : Now, Hon'ble Member Shri Jew Ram Boro.

✪ শ্ৰীজিউৰাম বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি চৰকাৰে মহিলা সকলৰ সমস্যাৰ প্ৰতি চিন্তা কৰি আৰু মহিলাৰ উন্নতিৰ কাৰণে সামাজিক আৰু ৰাজনৈতিক ভাবে সমস্যা সমাধান কমিছন পাতি দিয়াৰ কাৰণে নীতিগত ভাবে আদৰণি জনাইছো। আমি নিশ্চয় চৰকাৰৰ ভাল কথাটো স্বীকাৰ কৰিবই লাগিব। এই মহিলা কমিছনৰ সম্পৰ্কত আমাৰ মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, নিজামুদ্দিন খানে বহুতো কথা উল্লেখ কৰিছে। আমাৰ সমাজত এতিয়াও কিছু কথা প্ৰচলিত আছে - লাও ডাঙৰ হলেও পাতৰ তল। এতিয়া মহিলা কমিছন গঠন কৰিলেই নহব। এনে ধৰণৰ শব্দ বিলাক বা বাক্য বিলাক মহিলাসকলক সমাজত নীচ বা হেয় কৰা হৈছে। এনে ধৰণৰ কথাবিলাক কিতাপ পত্ৰত থকা উচিত নহয়। এইবিলাক আমি উঠাব লাগিব।

✪ Speech not corrected

আইন থাকিলেই যথেষ্ট নহয়। মাননীয় সদস্য শ্ৰীখান ডাওৰীয়াই কৈছে যৌতুক আইন আছে কিন্তু সেইবিলাক কাৰ্যকৰী কৰাৰ ব্যৱস্থা নাই। আজি সমাজত বহুতো গাভৰু বিবাহৰ পৰা বঞ্চিত হব লগা হৈছে। আমাৰ জনজাতীয় সমাজত গা-ধন বুলি এটা প্ৰথা আছে। এই গা-ধন দিব নোৱাৰাৰ ফলত বহুতো ছোৱালী বিবাহৰ পৰা বঞ্চিত হবলগীয়া হৈছে।এনেকুৱা কথা আমি জানো। এইবিলখনত আন এটা সংশোধনী আনিছে তাত আছে এছ চি/ এছ টি। অৰ্থাৎ এই অবলিক দিয়াৰ লগে লগে এটা কথা কোৱা হৈছে সেইটো হৈছে জনজাতি বা অনুসূচীত জাতিৰ সদস্য লোৱা হব । এই অবলিক দি জনজাতি বা অনুসূচীত জাতিৰ লোকৰ লগতে ও বি চি শব্দটোও থকা ভাল হয়। ও বি চি সকলো এতিয়াও শিক্ষা বা সামাজিক ভাবে সকলোতে পিছপৰি আছে। গতিকে সমাজৰ পিছপৰা শ্ৰেণীৰ কাৰণে আজি যি মহিলা কমিছন গঠন কৰিবলৈ বিচৰা হৈছে তাত এছ চি /এছ টি ৰ লগতে ও বি চি-ৰ মহিলাও ৰখা ভাল হব। আশা ৰাখিছো মন্ত্ৰীয়ে এই সংশোধনীৰ এইটোও আনিব। অধ্যক্ষ মহোদয়, মোৰ এজন বন্ধু ৰাছিয়ালৈ গৈছিল। ৰাছিয়াৰ বাছত তেখেত যায় থাকোতে ওচৰতে এগৰাকী থিয় হৈ থকা মহিলাক দেখি নিজৰ চিটটো এৰি দিয়াত , মহিলা গৰাকীয়ে তেওঁ ক'ৰ পৰা আহিছে সুধি বেয়াকৈ ভৰ্ৎসনা কৰিছে, কাপুৰুষ বুলি কৈছে। সেইবিলাক দেশত মহিলা আৰু পুৰুষ একে সমান। কিন্তু আমাৰ ইয়াত এতিয়াহে মহিলা কমিছন বহিছে। আমাৰ যৌতুক আইন আছে কিন্তু সমাজত যৌতুক লৈ আছে। যৌতুক দিব নোৱাৰিলে ছোৱালীৰ বিয়া দিব নোৱাৰে। গতিকে আশা ৰাখিছো এই সংশোধনী এনে ধৰণৰ হব লাগে। In sub-Clause(3) of clause 3, the sign obligue (1) in between the words, "castes" and "Scheduled" shall be deleted and words, "and one shall belong to the" shall be inserted. এইখিনি কথা আছিল। আমি আশা ৰাখিছো মন্ত্ৰী মহোদয়ে আমাৰ পিছপৰা অনুসূচীত জাতি জনজাতিৰ লগতে সামাজিক ভাবে পিছপৰা ও বি চি শব্দটোও ৰাখিব এইখিনি কৈ মই মোৰ বক্তব্য সামৰিছো।

**Mr. Speaker** : Now, Hon'ble Member Shri Zoii Nath Sarma.

✪ **শ্ৰীজয় নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই বিলখনৰ সম্পৰ্কত মোৰ বক্তব্য ৰাখিব বিচাৰিছো। প্ৰথমতে এই বিলখন আনোতে মই ভাবিছিলো যে চৰকাৰে বিলখন

✪ Speech not corrected

ভালকৈ আনিছে। এনেয়ে কংগেছে ভাল কাম নকৰে, কিন্তু এইটোৱে এটা ভাল কাম কৰিছে বুলি ভাবিছিলো। কিন্তু এই বিলখনত ৰাইজক সাংঘাটিক ভাবে ভুৱা দিছে। মই আপোনালোকক প্ৰমাণ দি আছো কি কি ভুৱা দিছে। অধ্যক্ষ মহোদয়, এটা কমিছন কৰিলে সেই কমিচনৰ এটা ফাংচন থাকিব লাগে। আমাৰ অসমীয়া সমাজত যেনেকৈ বোৱাৰী এগৰাকী অনাৰ পিচত বোৱাৰী গৰাকীৰ কিছুমান ফাংচন থাকে, কিছুমান পাৱাৰ থাকে। থিক তেনেকৈ এই কমিচনটোৰো কিছুমান পাৱাৰ থকা দৰকাৰ আছিল। কিন্তু এই কমিচনখনক কোনো পাৱাৰ দিয়া নাই। কমিচনক যদি কোনোবাই গোচৰ দিয়ে, কমিচনে যদি কোনো লোকক সাক্ষীৰ বাবে মাতে, সেই সাক্ষী যদি নাহে, তেতিয়া এই মহিলা আয়োগে কি ব্যৱস্থা লব তাৰ কোনো ইংগিত নাই। আমাৰ এচেম্বলী কমিটিলৈ কোনো সাক্ষী নাহিলে যেনেকৈ 'ৱিচ অব প্ৰিভিলেজ' আনিব পাৰি। তেনে ধৰণৰ ব্যৱস্থা থাকিব লাগিছিল। মহিলাৰ ওপৰত চছিয়েল ইনজাষ্টিচ হলে এই আয়োগে বিচাৰ কৰি উঠি দোষীক কি শাস্তি দিব পাৰিব তাৰ কোনো উল্লেখ নাই। মই পুনৰ কৈছো এই বিলখনেৰে ৰাইজক ভুৱা দিবলৈ বিচৰা হৈছে। ইয়াত কৈছে, Present to the State Government annually wel at suit times as the Commission may deem fit, reports upon the working of these safe guards কিন্তু মহিলা সকলক ৰক্ষণাবেক্ষণ দিবলৈ কি কি কৰিছে। এই আয়োগে কোনো বিচাৰ কৰি চৰকাৰক ৰিপোৰ্ট দিব আৰু চৰকাৰে সেই ৰিপোৰ্টৰ ওপৰত ব্যৱস্থা নললে কি হব তাৰ কোনো প্ৰভিজন ইয়াত নাই। যদি আপোনালোকে চিন্তা কৰিছে মহিলা সকলক সহায় কৰিম বুলি, ৰক্ষণা বেক্ষণ দিম বুলি, তেন্তে এই আয়োগে দিয়া ৰিপোৰ্টটো ইম্পলিমেণ্টচন কৰিব নে নকৰে কিয় ইয়াত লিখা নাই। ইয়াৰ ইম্পলিমেনটিং অথৰিটি কোন হ'ব।মই আমাৰ আইন মন্ত্ৰীক সুধিছো। তেখেতে বোধকৰো এই বিষয়টোৰ ওপৰত কব পাৰিব। অধ্যক্ষ মহোদয় আৰু এবাৰ কথা লিখিছে, চৰকাৰে এইটো কৰিবৰ কাৰণে চেষ্টা চলাব। আৰু ২য় কথাটো কব খুজিছো, ইয়াত লিখিছে Seven members to be appointed by the state Government of whom at least one shall belongs to the scheduled castes /Scheduled Tribes. এতিয়া কথাটো হৈছে পদেন মেম্বাৰ বুলি কৈছে। কিন্তু লেডি মেম্বাৰ নে মেল মেম্বাৰ তাৰ কোনো 'লিগেলী' উল্লেখ নাই। যদি মহিলা হ'ব লাগে আপোনালোকে স্পেচীফাই কৰক। ইয়াত ৰোলিং পাৰ্টিৰ মানুহ 'ৰিহেবিলেচন' লবৰ বাবে এটা প্ৰভিজন

ৰাখিছে। আমি মুখে মুখে কথাটো ক'ব পাৰো। কিন্তু মই ভাবো স্পেচিফাই কৰিলে ভাল হয়। ২য়তে এক্স অফিচিও মেম্বাৰৰ কথাতো ইয়াত স্পেচিফিক থাকিব লাগে। ক্লজ ৮(২) মতে এটা কমিচনে বিভিন্ন কমিটি গঠন কৰিবৰ বাবে মেম্বাৰ ক-অপটেদ কৰিব পাৰে। আমাৰ বিধান সভাত যিমানবিলাক লেডি মেম্বাৰ আছে, তেওঁলোকক কমিচনৰ লগত পোনপটীয়া ভাবে জৰিত কৰিলে ভাল। এচ, চি, আই, টিডিপি বোৰ্ড আৰু চাব ডিভিজনেল লেভেলৰ এচ, টিয়ে ডেভেলপমেণ্ট বোৰ্ডৰ যিবিলাক মহিলা সদস্যা আৰু আমাৰ বিধান সভাৰ যিসকল এচ, চি, এচ, টি মহিলা সদস্যা তেখেতসকল এই কমিচনৰ মেম্বাৰ হব , তেনেধৰণৰ এটা ব্যৱস্থা এই আইনখনত থাকিব লাগে। এনে কৰিলে এই আয়োগখন শক্তিশালী হোৱাত সহায় হব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, চেকচন ৮(২) যি প্ৰভিজন আছে, সেই প্ৰভিজন এপ্লাই কৰি আমাৰ বিধানসভাৰ পৰাও ক'অপটেড মেম্বাৰ কৰাৰ ব্যৱস্থা কৰক। ২য় কথাটো হৈছে যিখন Any member may be brought to the notice of the commission by way of written/verbel complaint. সম্পৰ্কে চৰকাৰে পুনৰ বিবেচনা কৰি পাৰাৰ ইয়াত ইনকৰপৰেট কৰিলে নিশ্চয় ভাল হব। মই আৰু এটা কথা কব বিচাৰিছো, আমি দেখিছো দিল্লীত মহিলা সকলৰ বাবে লেডিজ পুলিচ ষ্টেচন আছে। আমাৰ ইয়াতো কিয় আৰম্ভ কৰিব নোৱাৰে। (ভইচ ঃ গুৱাহাটীত আছে) গুৱাহাটীত আছে হয়, গোটেই অসমত মঙ্গলদৈত, ডিব্ৰুগড়ত, খুমটাইত, নাজিৰাত কিয় বহুৱাৰ ব্যৱস্থা নকৰে। আপোনালোকে ইয়াত পোৱা বাবে বেলেগক নালাগে নেকি ? ডিব্ৰুগড়ৰ মহিলা এগৰাকী গুৱাহাটীলৈ কেনেকৈ আহিল। ডিব্ৰুগড়ত কিয় কব নোৱাৰে। এতিয়া ফাইনেঞ্চিয়েল মেমৰেনডামত কৈছে As the Department of Social Welfare will have to incur some expenses on account of the maintenanace of office of the Assam State Commission for Woman , there will be financial involvement and fund will be necessary for this purpose. এই ক্ষেত্ৰত ফাণ্ডৰ প্ৰয়োজন হব । সমাজ কল্যাণ বিভাগে কোন হেড়ৰ পৰা এই ফাণ্ড ব্যৱহাৰ কৰিব সেইটো বিধান সভাতে মন্ত্ৰী মহোদয়ে কলে ভাল হয়। এই কমিচনে চছিয়েল আপলিফ্‌টমেণ্টৰ কাৰণে কিবা কৰিব পাৰিব নে নোৱাৰে ? যদি পাৰে তেনেহলে ইয়াত এটা স্পেচিফিক প্ৰভিজন ৰখাত আপত্তি ক'ত ? সেই কাৰণে মই এই গোটেই কথা খিনি অধ্যক্ষ মহোদয়ৰ

জৰিয়তে বিভাগীয় মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিছো যে আপোনালোকে যদি মহিলা সকলৰ কিবা উন্নতি কৰিম বুলিয়েই এই বিলখন আনিছে তেনেহলে কি কাৰণত ইয়াক পাৱাৰ নিদিলে আৰু এতিয়া এইখনত সেই বিশেষ চেষ্টাৰটো ৰাখিব নে নাৰাখে সেই সম্পৰ্কত স্পষ্ট কৰি দিবলৈ অনুৰোধ জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Member Dewan Joinal Abedin.

✪ শ্ৰীদেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, 'মহিলা আয়োগ' বিলখন এখন ভাল বিল হৈছে আৰু মই আমাৰ দলৰ পক্ষৰ পৰা বিলখন সমৰ্থন কৰিছো। ইয়াত ভাৰতবৰ্ষৰ সংবিধানৰ ১৪, ১৫ আৰু ১৬ আৰ্টিকলত যি ফাণ্ডামেণ্টেল ৰাইটচ্ দিয়া হৈছে সেইখিনি যাতে মহিলা সকলে উপভোগ কৰিব পাৰে তাৰ কাৰণে সংবিধানৰ ৩৮, ৩৯, ৩৯(এ), ৪২ ধাৰা ডাইৰেক্টিভ প্ৰিন্সিপালৰ অধিনত গঠন কৰা হৈছে আৰু ইয়াৰ উদ্দেশ্য সমূহ ইয়াত আছে বুলি মই ভাবো। এই বিলখন বাস্তৱ ক্ষেত্ৰত কি হয় সেইটো পিচৰ কথা। ইয়াৰ ডেফিচিন্সি বহুতো আছে যদিও আৰম্ভণি হিচাবে এইটো এটা ভাল পদক্ষেপ হৈছে বুলি মই ভাবো আৰু এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই কিছুমান কথা ঠিকমতে আঙুলিয়াই দিছে। ইয়াৰ পাৱাৰ সম্পৰ্ক স্পষ্ট ভাবে উল্লেখ কৰা হোৱা নাই। ইয়াত দুটা কথা কোৱা হৈছে ঃ-

"...... to improve the status and dignity of women in the society", to investigate into and take or suggest suitable remedial measures against practices derogatory to women, to effectively monitor and implement laws affecting women and to advise Government and all matters related to the im provement and upliftment of status and dignity of women in the society......" পাৱাৰ সম্পৰ্কে যদিও ইয়াত পৰিষ্কাৰ কৰি দিয়া হোৱা নাই তথাপি আগলৈকে মহিলা সমাজৰ উন্নতিৰ কাৰণে এই কমিচনে যি যি পদক্ষেপ লোৱা ভাল বুলি ভাবে তেনে ক্ষেত্ৰত আইন প্ৰণয়নকে ধৰি সেইবোৰ ব্যৱস্থা তেওঁলোকে চাজেষ্ট কৰিব পাৰিব। গতিকে এইটো আৰম্ভণিহে হৈছে। পিচলৈ ইয়াৰ প্ৰয়োজন সাপেক্ষে সংশোধন কৰিব পৰা হব। এই বিলখন পিচলৈ যেতিয়া আইনলৈ ৰূপান্তৰিত হয় তেতিয়া ইয়াত ২/১ টা অধ্যায় সংযোজিত কৰিব লাগিব আৰু তাৰ দুৰ্বলতা সমূহ

✪ Speech not corrected

মাৰি মহিলা সকলক দিব লগা ক্ষমতা আৰু দৃঢ় কৰিব লাগিব আৰু ইয়াত থকা আসোঁৱাহবোৰ যদি আতঁৰাই এই কমিচনে ইয়াৰ উদ্দেশ্য সঠিকভাবে পূৰণ কৰিব পাৰে তেনেহলে মই ভাবো এই কমিচনখন এখন শক্তিশালী কমিচন হিচাবে গঢ়ি উঠিব পাৰিব। সেই কাৰণে এই ক্ষেত্ৰত মই এটা কথা কব খোজো যে এই কমিচনত আমাৰ ৰাজ্যখনৰ সকলোবোৰ মহিলা সংস্থাৰে প্ৰতিনিধিক ইয়াত প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা দিব লাগে। এই ক্ষেত্ৰত কোনো ৰাজনৈতিক দল বা কোনো দলৰ উদ্দেশ্যক উৰ্দ্ধত নাৰাখি জনকল্যাণ মুখী সকলো মহিলা সংস্থাকে ইয়াত প্ৰতিনিধিত্ব কৰাৰ সুবিধা দিব লাগে। মাননীয়, সদস্য জীউৰাম বড়ো ডাঙৰীয়াই এটা কথা কৈছে - ৰাছিয়াত হেনো কোনো পুৰুষে মহিলাক যদি বাছৰ ছিটটো এৰি দিয়ে তেনেহলে সেই পুৰুষ ভৰ্ৎসনাৰ পাত্ৰ হয়। তেওঁলোকৰ সমাজ ব্যৱস্থা আমাতকৈ বহুত আগবঢ়া আৰু আমাৰ ইয়াৰ নিচিনা বিশৃঙ্খলতা তাত নাই। আমাৰ ইয়াত মহিলা সকলে গাড়ীত উঠোতে কি কি সমস্যাৰ সন্মুখীন হব লগা হয় সেইবোৰ মহিলা সকলেহে বুজি পায়। সেই কাৰণে আমি মহিলা সকলক কি কি ধৰণে প্ৰটেকচন দিব লাগে তাৰ কাৰণে ব্যৱস্থা লোৱা ভাল। এই কমিচনখনৰ টাৰ্ম তিনি বছৰ কৰা হৈছে। এই ক্ষেত্ৰত মই এটা কথা দেখিছো যে এইখনৰ টাৰ্মছ্ অৱ ৰেফাৰেঞ্চ যেতিয়া কৰা হয় তেতিয়া এইখনৰ পাৱাৰ এণ্ড ফাংচনৰ ক্ষেত্ৰত আৰু কিছু স্পষ্ট কৰি দিয়া ভাল আছিল। এইক্ষেত্ৰত মই এটা কথা কব খোজো যে এই কমিচনৰ হাতত অপৰাধীক শাস্তি দিব পৰা ক্ষমতাত আমি দিব পাৰিব লাগিব। কিন্তু তেনে ব্যৱস্থা বৰ্তমানে আমি ইয়াত দেখা নাই যদিও আগলৈকে সংশোধনী আনি হলেও এই ব্যৱস্থাবোৰ কৰিব পৰা হব বুলি মই ভাবো। আমাৰ ৰাইজৰ মঙ্গলৰ কাৰণে , মহিলাসকলৰ মঙ্গলৰ কাৰণে আমি বহুতো আইন কৰিছো যদিও সেইবোৰ কাৰ্যকৰী কৰা নহয়। গতিকে আমি এটা কথা লক্ষ্য কৰিব লাগে যে আমি যিবোৰ আইন প্ৰণয়ন কৰো সেইবোৰ যাতে কাৰ্য্যকৰী হয় তাৰ কাৰণেও দৃঢ় পদক্ষেপ হাতত লব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে আমি বেচি ভাগ পুৰুষেই মহিলা সকলক অৱনমিত কৰি ৰাখিছো। গতিকে এই মানসিকতাৰ এটা পৰিবৰ্তন আনিব লাগিব। যদি আমি এই পৰিবৰ্তন নিজৰ ভিতৰত আনিব নোৱাৰো তেনেহলে আইন কৰিলেও কাগজে পত্ৰই হৈ যাব। বাস্তৱ জীৱনত ৰূপায়িত নহব। মহিলা সকলৰ কোনো ধৰণে অৱস্থাৰ উন্নতি নহব । আশাকৰো এই কথাটো চিন্তা কৰি আমাৰ ভিতৰত এটা

বৈপ্লৱিক পৰিবৰ্তন আনিব লাগিব যাতে মহিলা সকলে তেওঁলোকৰ সাংবিধানিক অধিকাৰ, ন্যায় সঙ্গত অধিকাৰ পোৱাৰ বাবে আমি পুৰুষসকলে সকলোৱে সহযোগিতা আগবঢ়াই আগভাগ লব পাৰো। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member Smti. Renupama Rajkhowa.

✪ **শ্ৰীমতী ৰেনুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মহিলা কমিচন সম্পৰ্কত যিখন বিল অনা হৈছে, এই সম্পৰ্কত মই দুআষাৰমান কথা কব বিচাৰিছো। প্ৰথমতে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব বিচাৰিছো যে, তেখেতে মহিলা সকলৰ কল্যাণ সম্পৰ্কত বা মহিলা সকলৰ কল্যাণৰ কাৰণে যিখন বিল আজি আনিছে মই প্ৰথমতে ভাবিছিলো ইয়াৰ দ্বাৰা মহিলাসকলৰ যথেষ্টখিনি সুবিধা হব। এই বিলখনত আমি যিধৰণে আশা কৰিছিলো তেনেধৰণে হোৱা নাই। প্ৰথম কথা হল, এই বিলখনে বিশেষকৈ আমাৰ মহিলা সকলক আভুৱা বনাইছে। আজি আমাৰ কমিচন বনাইছে তাত চেয়াৰমেন, ভাইচ চেয়াৰমেন আৰু ৭ জন সদস্যও দিছে। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা দেৱে কৈছে যে যি ৭ জন মেম্বাৰ দিব সেইকেইজন লেডি দিব বুলি লিখা নাই। পিচত পুৰুষ প্ৰধান দেশত এই ৭ জন মেম্বাৰো পুৰুষৰ পৰা দিব পাৰে। সেয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে লেডি মেম্বাৰ দিয়া হয়। দ্বিতীয়তে, কমিচনক কি ক্ষমতা দিয়া হৈছে ? দেখাত ক্ষমতা একো দিয়া হোৱা নাই। কমিচন কৰা হৈছে কিন্তু ক্ষমতা একো দিয়া হোৱা নাই। কাৰণ দোষীক শাস্তি দিয়াৰ কথাও কমিচনত উল্লেখ নাই । আমাৰ চৰকাৰে বিভিন্ন সময়ত মহিলা সকলৰ উন্নয়নৰ বাবে বিভিন্ন কাম কৰিছে বুলি বিধান সভাতো কৈছে। মহিলাৰ উন্নতিৰ বাবে চৰকাৰে কিবা কাম হাতত লৈছেনে ? মন্ত্ৰী মহোদয়ে বহুমুখী মহিলা সমবায় সমিতি কৰিছে আৰু ১০ হাজাৰ কৰি টকা দিছে বুলি কৈছে। এইটো কাগজে পত্ৰেহে সচাঁ হৈছে আজিলৈকে বহুমুখী মহিলা সমবায় সমিতিয়ে ১০ হাজাৰ কৰি টকা পোৱা নাই । বহুতো সমবায় সমিতিয়ে টকা পাবলৈ বাকী আছে। ইয়াৰ উপৰিও আমাৰ বহুমুখী আৰক্ষী থানাৰ ভিতৰলৈ মই গৈছো। থানালৈ গৈছিলো সেইদিনা আমাৰ এটা অনশন আছিল। মহিলা সকলৰ বাবে যিটো আৰক্ষী থানা আছে তাত প্ৰকৃতাৰ্থত সুবিধা দিছেনে নাই ? একো সুবিধা দিব পৰা নাই। থানাখন দিছে আৰু এখন চাইন বোৰ্ড দিছে তাৰ বাহিৰে একো নাই। গতিকে মহিলা সকলক আভুৱা বনাই নাৰাখি প্ৰকৃতাৰ্থত মহিলা সকলৰ উন্নতিৰ কাৰণে যাতে

✪ Speech not corrected

চেষ্টা কৰে তাৰ কাৰণে অনুৰোধ কৰিলো। সমাজ কল্যাণ মন্ত্ৰী মহোদয়ক আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যে, সমাজ কল্যাণ উপদেষ্টা পৰিষদৰ এসময়ত মইও সভানেত্ৰী পদত আছিলো। তেতিয়াও আমি যি সাহায্য পাব লাগিছিল পোৱা নাছিলো। আৰু চেন্ট্ৰেল গভৰ্ণমেণ্টৰ পৰা যিটো ৫০ পাৰচেণ্ট দিছিল সেই ৫০ পাৰচেণ্টেৰে চছিয়েল ওৱেলফেয়াৰ এড্‌ভাইজৰী বোৰ্ড চলি আছিল। ৰাজ্য চৰকাৰৰ পৰা ৫০পাৰচেণ্ট পাব লগা যিটো চেয়াৰ আছিল সেইটো পোৱা নাই। এতিয়া প্ৰায় ৩০ লাখ টকা আমি চৰকাৰৰ পৰা চছিয়েল ওৱেলফেয়াৰ এড্‌ভাইজৰী বোৰ্ডৰ পৰা পাবলৈ বাকী আছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে তেখেঁতে বিলখন বিল হিচাবে কাগজতে নাৰাখি কাৰ্যকৰী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। তাৰ বাবে মই অনুৰোধ কৰিলো। তাৰোপৰি যিটো বৃদ্ধ পেঞ্চন সমাজ কল্যাণ বিভাগৰ পৰা দিয়া হয়, সেইটো আজিলৈকে বৃদ্ধ সকলেহে পাইছে, কিন্তু বৃদ্ধা বা বিধবা সকলে পোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, ৩০ পাৰচেণ্ট পোৱাৰ যিটো কথা আছে সেইটো দিয়াৰ বাবে ব্যৱস্থা ৰাখি মই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member Sri Badan Baruah.

✪ **শ্ৰীবদন বৰুৱা :** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে মই অলপ কব খুজিছো। আমাৰ সমাজখন পুৰুষ প্ৰধান। আমি পুৰুষ সকলে সকলোতে প্ৰাধান্য লাভ কৰি আহিছো। কিন্তু যদি মহিলা সকলৰ কথা কওঁ আমি মহিলা সকলক কিমান সুবিধা দিছো ? আমাৰ সদনত যি সকল সদস্যা আছে তেখেত সকলে নিজে অনুভৱ কৰিবলৈ সুবিধা পাব। অধ্যক্ষ মহোদয়, এটা সময় আছিল যিটো সময়ত এবাৰ সাহিত্য ৰথী ৰসৰাজ বেজবৰুৱা দেৱক এখন মহিলা সমিতিৰ সভালৈ নিমন্ত্ৰণ কৰিছিল। তেখেঁতে সভাত বক্তৃতা আৰম্ভ কৰি তাৰ পিচত ৰাম ৰাম কি কৰিলো বুলি কলে। মহিলা সকলক সম্বোধন কৰি আৰম্ভ কৰা সভাত পুৰুষহে আছিল। আমাৰ গাওঁ বিলাকত এতিয়াও বহুত মানুহ আছে যিবিলাকে তিৰোতা বিলাকক তুমি বা আপুনি কোৱা দূৰৰ কথা সদায় তই বুলি কয়। এইটো এটা সমাজ ব্যৱস্থা আছিল । আজি ৪৮ বছৰৰ পিচত আৰু যোৱা কালি পেপাৰতো দেখিছো যে দিল্লীৰ মহিলা সকলৰ যে কিছুমান ৰাইট আছে, কিছুমান কাম কৰিব পাৰে, এতিয়াহে তেওঁলোক সজাগ হৈছে। স্বাধীনতাৰ ৪৮ বছৰৰ পিচতো মহিলা সকল আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত পদক্ষেপ লব পৰা নাই।

---

✪ Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, এইটো চেয়াৰ পাৰ্চন নহৈ ওমেন হব লাগে। যিহেতু এইটো মহিলাৰ কাৰণে কৰা হৈছে। আমি মাতৃজাতিক দেৱী ৰূপে পূজা কৰো। বঙালী সকলে কালী গোসাঁনীক মাতৃ ৰূপে পূজা কৰে। আমাৰ সমাজতো কৰে। কিন্তু অন্যভাবে মহিলা সকলক কিবা দিবলৈ হলে আমি পিচপৰো। আমি আশা ৰাখিছো এই বিলখনৰ জৰিয়তে আমাৰ মহিলা সকল আৰু এখোপ আগুৱাই যোৱাত সহায়ক হব।

Mr. Speaker : Now, Hon'ble Minister, Social Welfare to reply.

✪ শ্ৰীকূল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে এই বিলখনত অংশ গ্ৰহণ কৰি দিহা পৰামৰ্শ আগবঢ়াইছে। বিশেষকৈ ৮ জন সদস্যই ইয়াত অংশ গ্ৰহণ কৰে। তেখেত সকল হ'ল শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, শ্ৰীমিচন ৰঞ্জন দাস, শ্ৰীনজমুল হক, শ্ৰীজয়নাথ শৰ্মা, শ্ৰীদেৱান জয়নাল আবেদিন, শ্ৰীবদন বৰুৱা, শ্ৰীমতী ৰেণুপমা ৰাজখোৱা আদিয়ে মহিলা আয়োগ গঠন কৰাত ভাল পাইছে, আদৰণি জনাইছে - ইয়াৰ কাৰণে তেখেত সকলক মই ধন্যবাদ জনাইছো। মহাপুৰুষে এবাৰ কথা কৈছিল – দিলেই পায়, কৰিলেই হয়। মহিলা সকলক ক্ষমতা দিব পৰা যায়, দিয়া যায় – কাম কৰিলেই ক্ষমতা আহি যায়, কাম কৰি যাওক, ৰাইজৰ সেৱা কৰি যাওক কাম কৰিলেই ক্ষমতা আহি যায়। এতিয়া মহিলা আয়োগ গঠন কৰা হৈছে - ইয়াত পুৰুষ সকলক সামৰিব নোৱাৰি। ইয়াক নাম দিয়া হৈছে - ৰাষ্ট্ৰীয় মহিলা আয়োগ। আমি এইটো সদনত চাব লাগে যে আমাৰ দেশৰ মহিলা সকলক ঋষি মুণি সকলৰ দিনৰ পৰাই দেখি আহিছো মহিলা সকলক সন্মান দি আহিছে।

✪ শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাক 'তুই' বুলি কয়। মাননীয় সদস্য শ্ৰীবদন বৰুৱা ডাঙৰীয়াই যিটো কৈছে সেইয়া সচাঁ। এই ব্যৱস্থা সলনি কৰিব লাগে। আমাক 'জনী' বুলি কয় কিন্তু 'এগৰাকী' বুলি নকয় আনকি এই সদনতো ।

✪ শ্ৰীকূল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি মহিলা সকলক শ্ৰদ্ধা আৰু সন্মান কৰি আহিছো। অধ্যক্ষ মহোদয়, এহাতে তাল নাবাজে-দিয়া বস্তু লব পৰাৰ ক্ষমতা হব লাগে। সেই কাৰণে আমাৰ চৰকাৰে মহিলা আয়োগ গঠন কৰি অৰ্থনৈতিক আৰু সামাজিক দিশত যাতে মহিলা সকল আগবাঢ়িব পাৰে। পুৰণা ৰীতি-নীতি এৰি যাতে নতুন সমাজ ব্যৱস্থাৰ লগত খাপ খাব পাৰে। এই কথা ভাবিয়েই আমাৰ চৰকাৰে শতকৰা ৩০ ভাগ আসন মহিলা সকলৰ কাৰণে পঞ্চায়তত সংৰক্ষণ কৰিছে।

---

✪ Speech not corrected

মহিলা সকলক আমাৰ চৰকাৰে সন্মান দি আহিছে। এই যি মহিলা আয়োগ গঠন কৰা হৈছে ইয়াৰ দ্বাৰা সমাজৰ অবহেলিত, শিক্ষা দীক্ষাত পিচপৰা মহিলা সমাজক আগুৱাই অনাৰ প্ৰচেষ্টা লোৱা হৈছে। মহিলা আয়োগ সংক্ৰান্তত আমাৰ মাননীয় সদস্য সকলে যি দিহা পৰামৰ্শ আগবঢ়াইছে সেইখিনি আমি চাম। মই ভাল পাইছো যে আমাৰ কোনো এজন মাননীয় সদস্যই এই বিলৰ বিৰোধিতা কৰা নাই। বৰঞ্চ তেখেত সকলে ইয়াক 'ওৱেলকাম' কৰিছে। আমাৰ মহিলা সকলেও তেখেত সকলৰ উন্নয়নৰ কাৰণে কাম কৰিবলৈ আগবাঢ়ি আহিব লাগিব। আমিও কৰিব লাগিব মহিলা সকলৰ উন্নয়নৰ বাবে। আজি মাননীয় সদস্য সকলে যি পৰামৰ্শ আগবঢ়াইছে মহিলা আয়োগৰ ক্ষেত্ৰত, এইখিনিয়ে আমাক যথেষ্ট সহায় কৰিব আয়োগৰ কাম-কাজ কৰাত। আমি এই পৰামৰ্শখিনি মনত ৰাখিম। এইখিনিকে কৈ আপোনালোকে বিলখনৰ প্ৰতি সমৰ্থন জনাব বুলি আশা কৰিলো।

✪ শ্ৰীশশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মন্ত্ৰী মহোদয়ৰ পৰা এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে এতিয়া আমাৰ মহিলা সকলক ওৱেজৰ ক্ষেত্ৰত ডেচক্ৰিমিনেট কৰি অহা হৈছে। বিশেষকৈ চাহ বাগানৰ মহিলা শ্ৰমিক সকলক পুৰুষ শ্ৰমিক সকলৰ সমানে ওৱেজ দিয়া নহয়। ডেচক্ৰিমিনেট কৰা হৈছে। এইটো সম অধিকাৰৰ প্ৰশ্ন। এই ৰাষ্ট্ৰীয় মহিলা আয়োগত এই বিষয়টো উল্লেখ কৰিবনে ?

✪ শ্ৰীকুল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ব্ৰীটিছৰ দিনৰ পৰা চলি আহিছিল। এতিয়া এইটো যাতে সমানে পায় সেইটো চোৱা হব।

✪ শ্ৰীজয় নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আইনখন পাচ কৰিবলৈ লোৱাত আমি ভাল উদ্দেশ্যই দেখিছো। সেই কাৰণে দিচপুটেট কৰা নাই যদি এই আইনখন আনি কোনো উপকাৰ নহয় তেতিয়াহলে ইয়াত আলোচনা কৰি শুদ্ধিকৰণ কৰি লোৱাত কি আপত্তি থাকিব পাৰে। প্ৰথম কথাটো হল এই আইনখনত কমিচনৰ ৰিপোৰ্ট নিদিয়া কিবা ব্যৱস্থা আছে নেকি ? এতিয়া গোটেই পাৱাৰটো লুকোৱাই ৰখা হৈছে। আজি এই বিলখন পাচ কৰি মহিলা সকলক নিৰাপত্তা দিয়া হব বুলি ইয়াত কোৱা আছে। গতিকে বাইজৰ আগত সমগ্ৰ অসমৰ মহিলাৰ আগত চকুত ধূলি দিবলৈ যত্ন কৰা হৈছে। এই বিলখনত কি কি পাৱাৰ দিয়া হব তাক ইনক্লুদ কৰাৰ কি আপত্তি আছে। ধৰি লওঁক মই যদি চমন দিও তাৰ পিচত যদি চমন দিয়া মানুহজন নাহে তেতিয়াহলে

✪ Speech not corrected

কি অৱস্থা হব মোক দুগৰাকী মহিলাই এখন চিঠি দিছে। তেওঁলোকে ইন্দাষ্ট্ৰি বিভাগৰ ডিৰেক্টৰ অফিচৰ ইনটাৰভিউ দিছিলে কিন্তু সেই অফিচত ইনটাৰভিউ দিয়া প্ৰাৰ্থীক নিযুক্তি নিদি ইনটাৰভিউ নিদিয়া দুজন ল'ৰাক নিযুক্তি দিছে। তেওঁলোকে কমিচনক সেই ৰিপোৰ্ট দিছে যদিও চেফগাৰ্ড দিয়া নাই। কমিচনে চমন দিছে ডিৰেক্টৰক। ডিৰেক্টৰ যদি নাহে কমিচনে কি ব্যৱস্থা লব। আপোনালোকে এই বিলখন আনিছে তাৰ কাৰণে আমি স্বাগতম জনাইছো। কিন্তু আজি তেওঁলোকক কি কি ক্ষমতা দিছে ? This should be spilt out in this act.

✪ শ্ৰীকৃষ্ণ বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি বিষয়টো আলোচনা হৈছিল গতিকে আজি পাৰাবৰ যিটো কথা কৈছে সেইটো মই চাম, এইটো আমাৰ আৱশ্যকীয়।

✪ শ্ৰীজয়নাথ শৰ্মা ঃ আইন মন্ত্ৰীয়ে কব লাগে।

✪ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শৰ্মা ডাঙৰীয়াই কৈছে যে এই বিলখন কি কাৰণে অনা হৈছে।

The Assam State Commission for woman Bill, 1994. This is a very noble legislation for promotion of welfare of women in fulfillment of social justice as enshined in the Constitution. For furthering the fundamenal rights guaranted by Articles 14, 15 and 16 of the Constitution of India with respect to women and to give effect to the Direction Principles of State policy and in particular enshined in Article 38, 39, 39 A and 42 of the Constitution to improve the status and dignity of women in the society. ইয়াত দুটা কথা লিখা আছে। When pay for both man women article মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই কৈছে ইকুৱেল প্ৰে ইকুৱেল হওক। এইটো আৰ্টিকুল ৩৯/৪২ত আছে। To improve the status and dignity of women মাননীয় সদস্য শৰ্মাই এই কথা জানে। আপোনালোকে অলপ চালেই বুজিব। যিটো ফানচন ইয়াত পাৱাৰ দিয়া নাই। গতিকে পাৱাৰ যে একেবাৰে নাইকীয়া সেইটো নহয়।

---

✪ Speech not corrected

.................Section 10 sub-section 3 Commission shall more investigating any matter referred to the any clause I Sub-section F Sub-section 1.

✪ শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰিপোৰ্ট ইম্পলিমেণ্ট কোনে কৰিব।

✪ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চেকচন ১৪ত আছে। এনুৱেল ৰিপোৰ্ট আছে। এই ৰিকমেনদেচন লেজিচলেচাৰত প্লেচ কৰিব লাগিব।

Under section 13 the Commission shall prepare in such form and at such time for each financial year, as may be prescribed its annual report giving full account of its activities during the previous financial year and forward a copy the roof to the State Government.যদি চৰকাৰৰ ৰিকমেনডেচন একচেপ কৰা নাই সংশ্লিষ্ট মেমোৰেণদাম সদনত দাখিল কৰিব লাগিব।

State Government shall Cause the annual report together with a memorandum of action taken on the recommendation contained there in, in so far as they relate to the State Government and the reasons for the non-acceptance, if any, of any, of such recommendations and the audit report to be laid as soon as may be after the reports are received before the Assembly. তাত আসোঁৱাহ দূৰ কৰিব পাৰি। মাননীয় সদস্য গোস্বামী আৰু শৰ্মা ডাঙৰীয়াই ঠিকেই কৈছিল অনুষ্ঠান, প্ৰতিষ্ঠান ইউনিভাৰচিটি, এচেম্বলি আদি যি বিলাক বোৰ্টুটৰী বোৰ্ড আছে সেইবিলাকৰ এটা নিজা আসন আছে। এইটো এটা ভাল পৰামৰ্শ। আনহাতে সংবিধানত যি আছে।

Seven members to be appointed by the State Government of whom atleast one shall belong to the Scheduled Castes/ Scheduled Tribes from amongst persons of ability and integrity and who have served the cause of woman or have had experience in law or administration concerning the advancement of

✪ Speech not corrected

women or leadership of any voluntary erganisation for women for protection and promotion of common interest of women. গতিকে ইয়াৰ যিটো চইচ সেইটো

........at least one of the seven members to be appointed by the State Government of whom one from the SC/ST & OBC from amongst the persons of ability and integrity and who have served the cause of women or have had experience in law or administration concerning the advancement of women or leadership of any voluntary organisation for women for protection and promotion of common interest of women. যথেষ্ট ওৱাইজ। বিধান-সভালৈ নিৰ্বাচিত এগৰাকী দিয়াত নিশ্চয় আপত্তি কৰিব লগীয়া নহব।

✪ শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মহিলা কৰিবনে পুৰুষ কৰিব সেইটো ক'ত আছে।

____There is no bar if the Government thinks that the objective will have to be achieved. There is no bar.

✪ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ যিকোনো দিব পৰা হব। তাত বাধা নাই। কিয়নো it is not a women Commission for women but a Commission for women for achieving the objective.

✪ শ্ৰীৰেণুপমা বাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয় পুৰুষ দিব নোৱাৰি নেকি যিহেতু বাধা নাই।

**Mr. Speaker :** There is no amendment in clause 2 of the Bill. I now put clause 2 before the House. The question is that Clause 2 do stand part of the Bill.

These who are favour, say 'Ayes',

Those are against say,' Noes'.

'Ayes' have it,

'Ayes' have it,

'Aye's have it.

Clause 2 do form a part of the bill.

There is no amendment in sub-clause (1) and (2) of clause 3 of the Bill. I now put the sub-clause (1) and (2) of clause 3 before the House. The question is that - Sub-clause (1) and (2) of clause 3 do stand part of the Bill.

(the motion was passed by voice vote)

Sub-clause (1) and (2) of clause 3 do form part of the Bill.

There are four amendment in clause 3 of the Bill in the name of Hon'ble Members Sarvasree Jaw Ram Boro, Mission Ranjan Das, Shasha Kamal Handique, Nizamuddin Khan and Shri Hitendra Nath Goswami. I now call upon the movers his amendment and to speak on it.

Will the Hon'ble movers withdraw their amendment ?

(Amendment withdraw)

Is it the pleasure of the House to grant leave to withdraw the amendment.

(leave granted)

With the leave of the House, the amendment is withdrawn.

Clause 3 do form part of the Bill.

There is no amendment in clauses 4 ,5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17 and 18 of the bill. I now put clauses 4 ,5, 6, 7, 8, 9, 10, 11,12,13, 14, 15, 16, 17 and 18 before the House. The question is that clauses 4 ,5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17 and 18 do stand part of the bill.

(The amendment is passed by voice vote)

clauses 4 ,5, 6, 7, 8, 9, 10, 11, 12, 13, 14, 15, 16, 17 and 18 do stand part of the Bill.

---

✪ Speech not corrected

I now put clause 1, preamble, Enacting Formula and short title before the House. The question is that "Clause 1, preamble, Enacting formula and short title do stand part of the Bill.

Those who are in favour, say 'Ayes'.

Those who are against, say' Noes'.

'Ayes' have it,

'ayes' have it,

'Ayes' have it.

Clause 1, preamble, Enacting formula and short title do from part of the Bill.

✪ শ্ৰীদেবানন্দ কোঁৱৰ (আইন মন্ত্ৰী) ঃ মহিলাৰ কাৰণে গঠিত কমিশ্বনে যদি সামাজিক অবজেকশ্বন ফুলফিল কৰিব পাৰে সেই মতে দিয়া হব। বিভাগীয় মন্ত্ৰীয়েও কৈছে এই ক্ষেত্ৰত কোনো বাধা নাথাকিব। এইটো কমিশ্বন ফৰ ইউমেন কিন্তু ইউমেন কমিশ্বন ফৰ ইউমেন নহয়। মহিলা সকলেও এই কাম কৰিব পাৰিব সেইটো বিভাগীয় মন্ত্ৰীয়ে ইতিমধ্যে কৈছে। বাকী যি তিনিটা পৰামৰ্শ দিছে সেই কেইটা গ্ৰহণযোগ্য।

✪ শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ যিটো বছৰেকীয়া ৰিপৰ্ট দিয়ে সেইটোৰ ওপৰত ব্যৱস্থা কৰিব নে নাই আৰু কমিশ্বনৰ সেই সম্পৰ্কত কোনো অধিকাৰ নাই। কিন্তু বিধান সভাৰ প্ৰতিনিধিয়ে সদনৰ প্ৰতিনিধি যদি দিয়া হয় সেইটো সদনত কোৱাৰ সুবিধা হব। সেইমতে মন্ত্ৰী মহোদয়ে ইয়াৰ পৰা দুগৰাকী মহিলা প্ৰতিনিধি দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

✪ শ্ৰীকৃষ্ণবাহাদুৰ ছেত্ৰী (সমাজকল্যাণ মন্ত্ৰী) ঃ যিখিনি উত্থাপন কৰিছে সেই সম্পৰ্কত গভীৰভাবে চিন্তা কৰিম।

✪ শ্ৰীজয়নাথ শৰ্মা ঃ আইন মন্ত্ৰীয়ে কৌশলগতভাবে ডাইৰেক্টিভ প্ৰিন্সিপ'লৰ ওপৰত কলে কিন্তু ফাণ্ডামেণ্টেল ৰাইটৰ ১৫-১৬ নম্বৰৰ ৰাইটৰ ওপৰত কোৱা নাই। এইটো ডিচক্ৰিমেশ্বনত কেনেকৈ চেফগাৰ্ড দিব সেইটো কোৱা নাই। আৰু এটা কথা আইন মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে Discrimination or violation of fundamental Right.

✪ Speech not corrected

তাৰ মানে বছৰেকীয়া ৰিপোৰ্ট দিবও পাৰে বা তিনি বছৰত দিবও পাৰে। কমিশ্বনে যদি ইচ্ছা কৰে কৰিব পাৰে। এইটো কমিশ্বনৰ লিবাৰ্টি আছে। এইটো এক বছৰত দিব পাৰে, বা এক বছৰৰ ওপৰতো দিব পাৰে বা এবছৰৰ আগতেও দিব পাৰে। এক বছৰ আগতে দিলে ভাল কথা কিন্তু তিনি বছৰত দিলে বা নিদিলি কি হব। উইটমেয়ক চমন দিব বুলি আছে কিন্তু উইটনেচ নাহিলে কি পানিচমেণ্ট আছে ?

✪ **শ্ৰীদেবানন্দ কোঁৱৰ (আইনমন্ত্ৰী) ঃ** ইয়াতে আছে। Powers of the Civil Court trying a suit Whatever Procedure is to be followed by Civil Court. গতিকে মাননীয় সদস্যই জানে যে এইটো The same procedure will be followed. কথা হ'ল ১৭ নম্বৰ চেক্সনত ৰুল মেকিং পাওৱাৰ চৰকাৰৰ আছে। এইটো ক্লিয়াৰ কৰি দিয়া হব। বছৰেকীয়া ৰিপোৰ্ট মানে এনুৱেল ৰিপোৰ্ট কিন্তু বাই এনুৱেল ৰিপোৰ্ট নহয়। ইয়াৰ স্পষ্টভাৱে আছে The commission have been prepared in such a form and such time for each financial year as may be prescribed under the rules. It is only an annual report. Annual report means one in a year.

✪ **শ্ৰীবদন বৰুৱা ঃ** চাৰ, পইণ্ট অৱ অৰ্ডাৰ, পঞ্চায়ত বিলৰ ওপৰত মইও কৈছিলো। মই যিটো কৈছিলো সেইমতে নাই। যদি তেনেকুৱাকৈ কাম কৰে, ইমান ভুল কৰে তেনেকুৱা মানুহ নৰখাই ভাল। মই ইংলণ্ডৰ ৰাণীৰ নাম কেতিয়াও লোৱা নাই। নাদিৰ শ্বাহৰ কথা কৈছিলো। মই দুই এপ্ৰিলত পি-ডি হাজোলৈ যোৱাৰ কথা কৈছিলো। কিন্তু মন্ত্ৰী যোৱা বুলি লিখিছে।

**মাননীয় অধ্যক্ষ ঃ** এই বিলাক চিবিয়াচ কথা। এইটো ঠিকমতে নহলে আমাৰ উদ্দেশ্য নহব। মই চাম।

✪ **শ্ৰীবদন বৰুৱা ঃ** তেনেকুৱা মানুহ ৰাখিব নালাগে।

**Mr. Speaker :** Now item No. 9.(c). Minister, Social Welfare to move.

**Shri Kulbahadur Chetry (Minister, Social Welfare) :** I beg to move Sir, that The Assam State Commission for Women Bill 1994 be passed.

**Mr. Speaker :** The motion is that The Assam State Commission for

---

✪ Speech not corrected

Women Bill 1994 be passed.

Those who are in favour say 'Ayes',

Those who are against say 'Noes'.

'Ayes' have it,

'Ayes' have it,

'Ayes' have it.

The motion is passed, The Bill is passed.

✪ শ্ৰীবদন বৰুৱা ঃ Mr. Speaker Sir, point of order পঞ্চায়ত বিলৰ ওপৰত মইয়ো কৈছিলো। মই যিটো কৈছিলো সেইমতে নাই। যদি তেনেকুৱা কৈ কাম কৰে, ইমান ভুল কৰে তেনেকুৱা মানুহ নৰখাই ভাল। মই ইংলেণ্ডৰ ৰাণীৰ নাম কেতিয়াও লোৱা নাই। নাদিৰ শ্বাহৰ কথা কৈছিলো। মই দুই এপ্ৰিলত পি, ডি, হাজৰিকা যোৱাৰ কথা কৈছিলো কিন্তু মন্ত্ৰী যোৱা বুলি লিখিছো।

মাননীয় অধ্যক্ষ ঃ এই বিলাক চিৰিয়াচ কথা। এইটো ঠিক মতে নহলে আমাৰ উদ্দেশ্য সফল নহব। মই চাম।

✪ শ্ৰীবদন বৰুৱা ঃ তেনেকুৱা মানুহ ৰাখিব নালাগে।

**Mr. Speaker :** Now, item no. 10 (a). There is a message from Governor of Assam Raj Bhavan, Guwahati.

**Governors Message** **RAJ BHAVAN**

**Dated March 12, 1994.**

Under the provision of article 207 (3) of the Constitution of India, I, Shri Lok Nath Mishra, Governor of Assam tecommend that the Assam Aricultural Income Tax (First Amendment) Bill, 1994 be taken into consideration by the Assam Legislative Assembly.

**sd/- LOK NATH MISHRA, GOVERNOR,**

Now Hon'ble Minister, Finance to move.

---

✪ Speech not corrected

✪ **Shri Jibakanta Gogoi (Finanace Minister) :** Sir, I beg to move that "The Assam Agricultural income Tax (First Amendment) Bill, 1994 be taken into consideration.

**Mr. Speaker :** I now put the motion before the House. The motion is that-- The Assam Agricultural Income Tax (First Amendment) Bill, 1994 be taken into consideration.

(By voice vote, the motion is passed).

The motion is passed.

Now, item No. 10 (b). There are two amendment in clause 2 of the Bill in the name of Shri Zoii Nath Sarmah and Shri Dewan Jainal Abedin.

Now, Shri Dewan Jainal Abedin to move.

✪ **Shri Dewan Joynal Abedin :** Sir , I would like to move that the preposed Clause 2 of the Bill shall be deleted and I also like to move all the four amendments. Should I move altogether ?

মাননীয় অধ্যক্ষ ঃ এমেণ্ডমেণ্টৰ ওপৰত কণফাইন ৰাখিলে ভাল হয়।

✪ **Shri Dewan Joynal Abedin :** Sir , I would like to move that the proposed amendment in Clause 3 of the Bill shall be deleted. I would also like to move that in clause 4 of the Bill, the proposed amendment of the scheduled to the Principal Act shall be deleted and finally, I would like to move that the repeal and saving in Clause 3 of the Bill shall be deleted. Now, Sir, I would like to make a comprehensive discussion binding together all amendments. Sir, you have seen that I have opposed this Bill because I have brought so many amendments. As a matter of facts, I have opposed all the Amendments that have been brought. Now, all the clauses sought to be amended because

✪ Speech not corrected

here in the Statement of objectives , it has been stated that several clauses have been shown. In the first phase, they have shown that the ceiling of exemption of charitable purpose from rupees one lakh to five lakhs so that the amount out of the Agricultural Income Tax may be made voluntarily for setting up a charitable institution in the State of Assam for the benefit of the Members and the public as a whole and Sir, secondly, they have wanted to create a plantation Development Fund for the benefit of Tea Growers and thirdly, they want that the Tea Growers should establish industries over the existing industries and now in the 4th phase that the objective is to reduce the highest slab of tax rate from 75% to 60%. The sole intention is to remove disparity between the Tea Estate and other Industrial sector which is lower than the Tea Estate. These are the objectives Sir.

Apparantly, the intention is very fine. But Sir, at the same time there is not dearth of any pretext. Sir, protext can easily be found. Here also, Government wants to do something for which they have accepted certain apparently acceptable pretext. Their intention is very molafied but to pass their molafide intention they have put these things under the cover of certain apparantly rosy promise. Simply they want give exception.

মাননীয় অধ্যক্ষ ঃ এমেণ্ডমেণ্টৰ ওপৰত কনফাইন কৰক।

✪ **Shri Dewan Jaynal Abedin** : Yes Sir, I am confined to the amendment. Sir, here the main intention is to give exemption and under benefit to the Tea Plantation Owners. and with a view to fulfilling their malafide intention, they have made a plea to give

✪ Speech not corrected

various kinds of benefits and exemption on charitable purpose. The exemption limit has been extended from previously existing one lakh to five lakhs. So the declared intention is apparently seen that they will establish charitable institution for the welfare of the labourers and workers of the Tea Gardens. They always went on keeping promises to provide various facilities to worker viz. housing facilities but practically , no facility is being pro vided there.

If we give exemption of additional 4 lakhs for charitable purposes from a certain slab of Rs. 1 lakh, then this exemption comes to five lakhs which will be utilised for the welfare of the poor labourers. But, Sir, I believe, this amount will not be utilised for the benefit of the poor workers. In the same manner, establishment of Plantation Development Fund and setting up of only Tea Industries is due to / fulfill their malafide intention to provide more benefits to affluent Tea Owners and Capitalist groups in view of the fact that both public sector as well as private sectors industries are being sold out at a negligible rate. In the name of setting up industries, they will extract certain concession from the Government. Finally, this tax exemption of the highest slab of 75% per rupee with the reduction of 60% will apparantly fulfill their evil intention. It has been stated that in the non-tea growing sector, the rate of tax is low, but to bring a party in the Tea Growing sectors and Non-Tea Growing Sectiors, this has been done. But here Sir, the real intention is we believe, not to bring party between the two sectors. It is not necessary that there will be parity between the two sectors. Why this

✪ Speech not corrected

exemption has become necessary ? Sir, many Ho'n'ble Members have expressed doubts that the government have reached an understanding with the Tea Association Owners and to give under exemption/concessions to the Tea Growing owners, all these bills have been brought. Now, Sir, ours is very poor country and most of the people are living below the poverty line. Sir, it is seen that in some of the Tea Gardens in Cachar District. some workers / labourers are facing starvation and some of them died of starvation.

Sir, in such circumstances we are going to press the common people on the one hand and on the other hand we are going to give the exemption to the industrialists, capitalists, the owners of the Tea gardens. This is very bad. The interest of the Industrialists , capitalists are safeguarded in Assam and in the tea garden. This will miserably bring out further exploitation to the common man. By giving exemption to the capitalists we are going to hamper the interest of the common men, of the labourers and tea garden labourers of the state . That is why Sir, I vehemently oppose the passage of the bill if we are the well-wishers of the common men. I would request to withdraw the bill and not to give any concession to the owners of the tea gardens. If they at all desire to have concessions they may be given concessions on the essential commodities and not at the cost of common men. With these words I conclude my spech.

**Mr. Speaker :** Now, Hon'ble Member Shri Zoii Nath Sarma.

**Shri Zoii Nath Sarma :** Sir, I can move that any sum actually donated for charitable purposes if such donation in aggregate is not more than Rs. 5 lakhs.

চাৰ, মই ইয়াৰ আগতেও অসম কৃষি আয়কৰ ১ম আৰু ২য় সংশোধনী বিল উত্থাপন কৰোতে এটা কথা কৈছিলো আৰু আজিও সেই কথাটো কবলৈ খুজিছো যে যোৱা বছৰটোত বিশেষকৈ জানুৱাৰী মাহৰ ভিতৰত আপোনালোকে তিনিটা বিষয়ত টি কৰপোৰেশ্বন সমূহক, টি লবীক কনচেচন দিছে। এটা হল গ্ৰীণ লিফৰ ওপৰত ৫০ পইচা কৰিছিলো, তাক ১৮ পইচা কৰিলে। আনটো হল কৃষি আয়কৰ শতকৰা ৭৫ ভাগৰ পৰা আনি শতকৰা ৬০ ভাগ কৰিলে আৰু এইটো যি সংশোধনী আনিছে,ইয়াত কৈছে আগতে যি এক লাখ চেৰিটেব'ল পাৰপাচত ব্যৱহাৰ কৰিছিল বা দনেচন দিছিল সেই একলাখ টকা ইনকাম টেক্স এচেচ্‌মেণ্ট কৰা সময়ত বাদ দিয়া হব। এতিয়া চেৰিটেব'ল পাৰপাচত এক লাখ টকা বঢ়াই দিয়া হৈছে। এতিয়া আমি প্ৰশ্ন কৰিছো এক লাখৰ পৰা ৫ লাখ কি কাৰণত বঢ়াই দিছে। চৰকাৰে নিজকে ডিফেণ্ড দিবলৈ আত্মৰক্ষাৰ কাৰণে যুক্তি দিব পাৰে। কিন্তু প্ৰকৃতাৰ্থত চৰকাৰৰ যি মতলব এই কথাটোৰ আগতে ধৰা পৰিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে আবুল তাবুল কৈ থাকে, আপোনালোকৰ যুক্তি দেখা নাই। পাচ লাখ টকা দ'নেশ্বন দি সেই পাচ লাখ কি কাৰণত এক্সজাম দিব ? তিনিটা কনচেচন চাৰি মাহৰ ভিতৰত আনিছে। সেই কাৰণে মই কৈছিলো আপোনালোকৰ শাসক দলে ৰাতিৰ অন্ধকাৰত ৰাইজে গম নোপোৱাকৈ টি লবিৰ লগত চুক্তি হৈছে। ১৮ খন বিল পাচ কৰিবলৈ সিদ্ধান্ত লৈছে। আমাৰ ইয়াত প্ৰভিজন আছিল এক লাখ টকা চেৰিটেব'ল পাৰপাচত দিলে এক্সজাম কৰা হব। যদি দনেচন কৰে সেই মতে কৰা হব, ষ্টেটতেই হওঁক বা ষ্টেটৰ বাহিৰতে হওঁক। তেওঁলোকে এক লাখ টকা দনেশ্বন কলিকতাৰ কোনোবা এটা ক্লাবক দিল্লীৰ কোনোবা এটা ক্লাবক দিয়া দেখুৱাইছে। এইটো দেখুৱাই এগ্ৰিকেলচাৰ ইনকাম টেক্স এচেষ্ট কৰাৰ সময়ত সেইটো বাদ দিব পাৰে। টি, গাৰ্ডেন অসমত কৰিব, লাভ অসমৰ হব লাগিব। মাননীয় বিত্ত মন্ত্ৰী কেপাৰ কৰা মানুহ। গঁগৈ চাহেব- - - - -

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্যই গঁগৈ চাহেবৰ কথা কব নেলাগে, আগতে দুদিনো এনেকুৱা কথা হৈছে, এনেকুৱা কথা সদনত কব নেলাগে।

✪ **শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই হুৱাইট বিজিনেচৰ কথাহে কৈছো, কলা ব্যৱসায়ী হিচাবে কোৱা নাই, কাগজত কাম কৰিছিল। এইটোৰ কাৰণে দিছে , এইটোৰ পৰা আমি অলপ লাভবান হম। গতিকে একে কোবে পাচ লাখ কিয় কৰিছে ? চৰকাৰে

✪ Speech not corrected

এটা সিদ্ধান্ত লব লাগে যাতে নেট প্ৰফিটত যি ইনকাম হয় গোটেই নেট প্ৰফিট অসমত ইনভেষ্ট কৰিব লাগে। অসমত যিবিলাক কোম্পানী আছে সেই কোম্পানী বিলাকে বাধ্যতামূলকভাবে নেট প্ৰফিট ইয়াত ৰিইনভেষ্ট কৰিব লাগিব। যদি বাধ্যতামূলক ভাবে এইটো কৰে তেতিয়া হলে মতসবটো প্ৰকাশ পাব আৰু ৰাইজ উপকৃত হব । শ্ৰম বিভাগটো আগেয়ে মই ইণ্ডাষ্ট্ৰি বিভাগৰ বুলি নাজানিছিলো, এতিয়া জানিছো যে ইণ্ডাষ্ট্ৰ বিভাগৰ ভিতৰুৱা। এই ইণ্ডাষ্ট্ৰি বিলাকৰ পৰা অসমৰ মানুহক বেনিফিট দিব লাগে, দিব পৰা নাই। অসম চৰকাৰে আজি যদি ইচ্ছা কৰে টি কোম্পানীয়ে অসমত নতুন ইণ্ডাষ্ট্ৰিৰ প্ৰস্তাৱ কৰিব পাৰে। সেইটো কৰিব লাগে বুলি চৰকাৰে কেতিয়াও কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই। আনকি মাননীয় বিত্ত মন্ত্ৰীৰ কি কি চুক্তি হৈছিল, সেই চুক্তিত কি কমিশ্বন লৈছিল এই তিনিটা কনচেচনৰ পৰা বুজা যায়। এই ক্ষেত্ৰত কোনো প্ৰভিজন অসম চৰকাৰে ৰখা নাই। সেই কাৰণে মই ভাবো এই বিলখন আমাৰ মাননীয় সদস্য জয়নাল আবেদিন চাহাবে যেনে ধৰণে কৈছে সেইমতে বিলখন উঠাই লওঁক আৰু নতুনকৈ এখন বিল আনক। সেই বিলখনত নেট প্ৰফিট ইয়াত ইনভেষ্ট কৰিব লাগিব। নিজৰ নিজৰ চেকটৰত মডেলাইজ বা চেৰিটেবুলৰ কাৰণে ইয়াত ইনভেষ্ট কৰক । চৰকাৰে অসমৰ ভিতৰতে কোন কোন ইন্সটিটিউত কৰিছে কওঁকচোন।

